www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

❐ PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

কাম কৰাৰ সময় এতিয়াই। কিবা এটা কৰাৰ সময় কেতিয়াও শেষ হৈ নাযায়। — কাৰ্ল ছেণ্ডবাগ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❐ প্ৰথম বছৰ ❐ সংখ্যা- ২২৩ ❐ সোমবাৰ ❐ ২২ জুন, ২০২৬ চন ❐ Volume/Year- I ❐ Issue- 223 ❐ Monday ❐ 22nd June, 2026 ❐ Asom Barta, Majuli ❐ PRGI Reg. No.- ASASS/25/A2361 ❐ Price- Rs. 10 ❐ Total Page-8

## দেশ-বিদেশৰ সাধু-সন্ন্যাসী, ভক্ত-দৰ্শনাৰ্থীৰে প্ৰাণৱন্ত নীলাচলৰ বক্ষ

# আজিৰে পৰা আৰম্ভ হ'ব অম্বুবাচী মহাযোগ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২১ জুন ঃ** বিশ্বপ্ৰসিদ্ধ মা কামাখ্যা মন্দিৰত এতিয়া উখল-মাখল পৰিৱেশ। সোমবাৰৰ পৰা আৰম্ভ হ'বলগীয়া অম্বুবাচী মহাযোগক লৈ দেশ-বিদেশৰ সাধু-সন্ন্যাসী আৰু ভক্ত-দৰ্শনাৰ্থীৰ সমাগমেৰে মুখৰিত হৈ পৰিছে মা কামাখ্যাৰ পৱিত্ৰস্থল নীলাচল পাহাৰ। এইবাৰ অম্বুবাচী মহাযোগৰ ২২ জুনৰ নিশা ৯ বাজি ৮ মিনিট ৪২ ছেকেণ্ডত প্ৰবৃত্তি হ'ব বুলি মন্দিৰ ❐ ৬ পৃষ্ঠাত

### আঠ লাখ ভক্ত-দৰ্শনাৰ্থীৰ আগমনৰ সম্ভাৱন; দেৱালয় কৰ্তৃপক্ষৰ প্ৰস্তুতি



## অম্বুবাচীক লৈ প্ৰশাসনৰ বিশেষ প্ৰস্তুতি



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২১ জুন ঃ** ঐতিহাসিক শক্তিপীঠ কামাখ্যা ধামত অহা ২২ জুনৰ পৰা ২৬ জুনলৈ অনুষ্ঠিত হ'বলগীয়া অম্বুবাচী মহাযোগক লৈ গুৱাহাটী মহানগৰী উৎসৱমুখৰ পৰিবেশেৰে ভৰি পৰিছে। ইতিমধ্যে দেশ-বিদেশৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ভক্ত আৰু তীৰ্থযাত্ৰীসকল গুৱাহাটীত সমবেত হ'বলৈ আৰম্ভ কৰিছে। একে সময়তে মহানগৰৰ বিভিন্ন স্থানত জনসাধাৰণৰ সুবিধাৰ্থে তথা যান-বাহন চলাচল অধিক সুশৃংখল কৰাৰ ❐ ৬ পৃষ্ঠাত

### মৰিয়নীৰ নগাজাংকাত আতংকৰ সৃষ্টি

## অসম-নাগালেণ্ড সীমান্তত নগা সশস্ত্ৰ গোষ্ঠীৰ ভাবুকিত বন্ধ পথ মেৰামতিৰ কাম

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২১ জুন ঃ** অসম-নাগালেণ্ড সীমান্তৱৰ্তী অঞ্চলত পুনৰ এক উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি হৈছে। সংৰক্ষিত বনাঞ্চলৰ ভূমি অধিগ্ৰহণৰ পিছত এতিয়া অসমৰ ৰাজহ ভূমি বলপূৰ্বক দখল কৰাৰ চেষ্টা চলাইছে নগা দুৰ্বৃত্তই-স্থানীয় বাসিন্দাসকলে অভিযোগ উত্থাপন কৰিছে। দেওবাৰে মৰিয়নী সমষ্টিৰ ছৰ নং কাটনি গাঁও পঞ্চায়তৰ অন্তৰ্গত নগাজাংকাত এই ঘটনা সংঘটিত হয়। ❐ ৬ পৃষ্ঠাত

## নৌসেনাত অন্তৰ্ভুক্ত তিনিখন থলুৱা যুদ্ধজাহাজ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২১ জুন ঃ** দেশৰ সামুদ্ৰিক শক্তি বৃদ্ধিৰ লক্ষ্যৰে এখন গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেওবাৰে কলকাতাৰ শ্যামা প্ৰসাদ মুখাৰ্জী বন্দৰত তিনিখন স্থানীয় প্ৰযুক্তিৰে নিৰ্মিত নৌসেনাৰ যুদ্ধজাহাজ নৌসেনাত অন্তৰ্ভুক্ত কৰে। এই তিনি জাহাজ ক্ৰমে ❐ ৬ পৃষ্ঠাত

## কঠোৰ নিৰাপত্তা ব্যৱস্থাৰ মাজেৰে সম্পন্ন নীট-ইউজি পুনঃপৰীক্ষা

### দেশৰ ৫, ৪৪০ আৰু বিদেশৰ ১৪টা কেন্দ্ৰত ২০ লাখ পৰীক্ষাৰ্থী অৱতীৰ্ণ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২১ জুন ঃ** ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই (এনটিএ) দেওবাৰে সফলতাৰে সম্পন্ন কৰে চলিত বৰ্ষৰ নীট-ইউজি পুনঃপৰীক্ষা। দেশজুৰি ৫, ৪৪০টা কেন্দ্ৰ আৰু বিদেশৰ ১৪টা কেন্দ্ৰত একেলগে অনুষ্ঠিত হোৱা এই পৰীক্ষাত ২০ লাখতকৈও অধিক পৰীক্ষাৰ্থীয়ে ❐ ৬ পৃষ্ঠাত

## গুৱাহাটীত দ্বাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসত কেন্দ্ৰীয় বিত্তমন্ত্ৰীৰ যোগাভ্যাস



### ৩৫ লাখতকৈ অধিক লোক যোগাভ্যাসত মিলিত

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২১ জুন ঃ** সমগ্ৰ দেশৰ লগতে অসমতো আজি দ্বাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰা হয়। ৰাজধানী গুৱাহাটীৰ উজান বজাৰত অৱস্থিত ব্ৰহ্মপুত্ৰ নদীপাৰৰ সতী ৰাধিকা শান্তি উদ্যানত ৰাষ্ট্ৰীয় আয়ুষ অভিযান অসমৰ উদ্যোগত এই উপলক্ষে এক বিশেষ যোগ অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানটোত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু ❐ ৬ পৃষ্ঠাত

## প্ৰথমবাৰৰ বাবে অসমত অনুষ্ঠিত হ'ব ক্ৰিকেটৰ মেগা লীগ

### অসম প্ৰিমিয়াৰ লীগৰ ল'গ' আৰু ট্ৰফী মুকলি মুখ্যমন্ত্ৰীৰ




**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২১ জুন ঃ** অসমৰ ক্ৰীড়া জগতত এক ঐতিহাসিক দিন। দেওবাৰে অসম ক্ৰিকেট সংস্থাই (ACA) বৰ্ষাপাৰাৰ ACA ষ্টেডিয়ামৰ ৯১ য়াৰ্ডছ্ক্লাব প্ৰেক্ষাগৃহত অসম প্ৰিমিয়াৰ লীগ (APL)ৰ আনুষ্ঠানিক উদ্বোধন কৰে। ৰাজ্যৰ উদীয়মান ক্ৰিকেটাৰসকলৰ বাবে এখন বৃত্তিগত আৰু বহনক্ষম মঞ্চ প্ৰদান কৰাৰ লক্ষ্যৰে আয়োজিত এই লীগে অসমৰ ক্ৰিকেট পৰিৱেশত যুগান্তকাৰী পৰিৱৰ্তন কঢ়িয়াই আনিব বুলি আশা কৰা হৈছে। অনুষ্ঠানটোৰ

### এপিএলৰ প্ৰথম সংস্কৰণত অংশ ল'ব ৮টাকৈ দলে

মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ড (BCCI)ৰ সন্মানীয় যুটীয়া সম্পাদক ❐ ৬ পৃষ্ঠাত

### আবদ্ধ শতাধিক বাহন; উদ্ধাৰকাৰী দলৰ যুদ্ধকালীন তৎপৰতা

## জাতিংগাত প্ৰচণ্ড ভূমিস্খলন; বন্ধ হাফলং-শিলচৰ সংযোগী ৰাষ্ট্ৰীয় ঘাইপথ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২১ জুন ঃ** ডিমা হাছাও জিলাত নিশা ধাৰাসাৰ বৰষুণে নতুনকৈ সংকটৰ সৃষ্টি কৰিছে। জাতিংগা নামৰ ঠাইত ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত প্ৰচণ্ড ভূমিস্খলন ঘটি হাফলং-শিলচৰ সংযোগী মুখ্য পথটি সম্পূৰ্ণৰূপে বন্ধ হৈ পৰিছে। এই ঘটনাত শতাধিক যাত্ৰীবাহী বাছ, ট্ৰাক আৰু অন্যান্য সামগ্ৰী কঢ়িয়াই নিয়া বাহন ৰাজপথতে আবদ্ধ হৈ থাকে, যাৰ বাবে যাত্ৰী আৰু চালকসকাৰ ❐ ৬ পৃষ্ঠাত



## নিট পৰীক্ষাৰ্থীৰ সুবিধাৰ্থে বিমানবন্দৰত ৪৫ মিনিট অপেক্ষা প্ৰধানমন্ত্ৰী মোদীৰ

### লোক কল্যাণ মাৰ্গলৈ নগৈ বিমানবন্দৰতে অপেক্ষা প্ৰধানমন্ত্ৰীৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২১ জুন ঃ** দেশৰ কোটি কোটি পৰীক্ষাৰ্থীৰ ভৱিষ্যতৰ প্ৰতি থকা গভীৰ দায়িত্ববোধৰ পৰিচয় দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এক অভূতপূৰ্ব আৰু সংবেদনশীল পদক্ষেপ গ্ৰহণ কৰিছে। দেওবাৰে দেশজুৰি অনুষ্ঠিত হোৱা নিট-ইউজি (NEET-UG) পৰীক্ষাৰ সময়ত প্ৰধানমন্ত্ৰীগৰাকীয়ে দিল্লী বিমানবন্দৰত প্ৰায় ৪৫ মিনিট সময় অপেক্ষা কৰি থকাৰ সিদ্ধান্ত লয়, যাতে পৰীক্ষাৰ্থীসকল কোনো ধৰণৰ যান-জটত নপৰি নিৰ্ধাৰিত সময়ত পৰীক্ষা কেন্দ্ৰত উপস্থিত হ'ব পাৰে। ❐ ৬ পৃষ্ঠাত



## নলবাৰীৰ নীট পৰীক্ষা কেন্দ্ৰত লগুণ খুলিবলৈ বাধ্য কৰালে পৰীক্ষাৰ্থীক

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২১ জুন ঃ** দেওবাৰে সমগ্ৰ দেশৰ লগতে অসমৰ বিভিন্ন পৰীক্ষাকেন্দ্ৰত অনুষ্ঠিত হয় নীট ইউজি ২০২৬ৰ পুনঃপৰীক্ষা। অসমৰ নলবাৰী জিলাৰ এমএনচি মহাবিদ্যালয় পৰীক্ষাকেন্দ্ৰত অৱশ্যে এই পৰীক্ষাই এক বিতৰ্কিত মোৰ লয়। পৰীক্ষা ❐ ৬ পৃষ্ঠাত



তালাচীৰ সময়ত ধৰ্মীয় অনুভূতিত আঘাতৰ অভিযোগ; পৰীক্ষাৰ্থীৰ মাতৃৰ মুখ্যমন্ত্ৰীক হস্তক্ষেপৰ দাবী

## কৰ্কট ৰোগ চিকিৎসা সুলভ-সহজলভ্য কৰাৰ লক্ষ্য; দিছপুৰত মুখ্যমন্ত্ৰীৰ পৰ্যালোচনা বৈঠক

### অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ পৰিচালনা সমিতি সভাত অধ্যক্ষতা; ৰাজ্যজুৰি স্বাস্থ্যসেৱা আন্তঃগাঁথনি সম্প্ৰসাৰণৰ অগ্ৰগতি মূল্যায়ন



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২১ জুন ঃ** অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত সুলভ, সহজলভ্য আৰু মানসম্পন্ন কৰ্কট চিকিৎসা সুনিশ্চিত কৰাৰ লক্ষ্যৰে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে অসম চৰকাৰে। এই দিশত চলি থকা কামৰ অগ্ৰগতি সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দেওবাৰে দিছপুৰৰ লোকসেৱা ভৱনত এখন গুৰুত্বপূৰ্ণ ❐ ৬ পৃষ্ঠাত


## কংগ্ৰেছ 'নতুন মুছলিম লীগ পাৰ্ট-টু'

### অখিল গগৈকো কটাক্ষ বদৰউদ্দিন আজমলৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২১ জুন ঃ** দীৰ্ঘদিনীয়া অনুপস্থিতিৰ পিছত নিজ সমষ্টিত উপস্থিত হৈ বিধায়ক বদৰউদ্দিন আজমলে একাধিক ৰাজনৈতিক আৰু সমসাময়িক বিষয়ত মন্তব্য আগবঢ়াই নতুনকৈ বিতৰ্কৰ সৃষ্টি কৰিছে। সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত তেওঁ কয় যে বিগত নিৰ্বাচনত জয়লাভ কৰাৰ পিছত পবিত্ৰ মক্কাত হজ পালন কৰিবলৈ যোৱাৰ বাবে বিধানসভাত উপস্থিত থাকি শপত গ্ৰহণ কৰিব পৰা নাছিল। সেইবাবে ❐ ৬ পৃষ্ঠাত

### ব্যক্তিগত বাহনেৰে গুৱাহাটী অভিমুখে গৈ থকা অৱস্থাতেই দুৰ্ঘটনা

## গহপুৰৰ পথ দুৰ্ঘটনাত আহত পদ্মশ্ৰী উদ্ভাৱক উদ্ধৱ ভৰালী



**অসম বাৰ্তা, গহপুৰ, ২১ জুন ঃ** গহপুৰ সমজিলাৰ হাৱাজান আৰক্ষী চকীৰ অন্তৰ্গত কলাবাৰীৰ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত আজি পুৱা প্ৰায় ৭-১৫ বজাত সংঘটিত হয় এক ভয়াৱহ পথ দুৰ্ঘটনা। কলাবাৰী গাঁও পঞ্চায়ত কাৰ্যালয়ৰ সন্মুখৰ ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত হোৱা উক্ত পথ দুৰ্ঘটনাত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় লখিমপুৰৰ বিশিষ্ট বিজ্ঞানী, উদ্ভাৱক তথা পদ্মশ্ৰী বঁটা প্ৰাপক উদ্ধৱ ভৰালী। জানিব পৰা মতে -নিজৰ ব্যক্তিগত 'বেলেন' গাড়ীখনেৰে (এ এছ ০৭ ৱাই




### কোহলী-ৰোহিত অন্তৰ্ভুক্ত; তিনিখন এদিনীয়া মেচৰ শৃংখলাৰ বাবে ১৫ জনীয়া দল

## শুভমন গিলৰ নেতৃত্বত ইংলেণ্ড অভিমুখী ভাৰতীয় দল ঘোষণা




**নিউজ ডেস্ক, অসম বাৰ্তা, ২১ জুন ঃ** ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে (বিচিচিআই) ইংলেণ্ড ভ্ৰমণৰ বাবে ভাৰতীয় ক্ৰিকেট দলৰ চূড়ান্ত তালিকা ঘোষণা কৰিছে। আগন্তুক ইংলেণ্ডৰ বিৰুদ্ধে অনুষ্ঠিত হ'বলগীয়া তিনিখন এদিনীয়া আন্তঃৰাষ্ট্ৰীয় মেচৰ বাবে এই দল নিৰ্বাচন কৰা হয়। দলটোৰ অধিনায়কৰ দায়িত্ব অৰ্পণ কৰা হৈছে যুৱ প্ৰতিভা শুভমন গিলক। টীম ব্লুয়ে ইংলেণ্ডৰ মাটিত তিনিখন মেচৰ শৃংখলা খেলিব। বিচিচিআইৰ নিৰ্বাচক সমিতিয়ে ঘোষণা কৰা ১৫ জনীয়া দলটোত অভিজ্ঞ যুঁজাৰু বিৰাট কোহলী আৰু ৰোহিত শৰ্মাকো স্থান দিয়া হৈছে। অৱশ্যে কোহলীৰ ক্ষেত্ৰত এক চৰ্ত সংযোগ কৰা হৈছে-তেওঁ ফিটনেছ পৰীক্ষাত উত্তীৰ্ণ হ'লেহে এই শৃংখলাত অংশগ্ৰহণ কৰিবলৈ সক্ষম হ'ব। তেওঁৰ ফিটনেছ সম্পৰ্কীয় পৰীক্ষাৰ ফলাফলৰ ওপৰতেই তেওঁৰ অন্তৰ্ভুক্তি নিৰ্ভৰশীল বুলি বিচিচিআই সূত্ৰই জানিবলৈ দিয়ে। দলটোৰ অন্যান্য সদস্যসকল হ'ল- শ্ৰেয়াছ আয়াৰ, কে এল ৰাহুল, ইশান কিষাণ, ৱাশ্বিংটন সুন্দৰ, অক্সৰ পেটেল, নীতিশ কুমাৰ ৰেড্ডী, কুলদীপ যাদৱ, যশপ্ৰীত বুমৰাহ, প্ৰসিদ্ধ কৃষ্ণ, হৰ্ষিট ৰাণা, অৰ্শদীপ সিং আৰু গুৰনুৰ ব্ৰাৰ। এই দলটোত যুৱ আৰু অভিজ্ঞ উভয়ৰে সমাহাৰ ঘটিছে, যাৰ ফলত দলটো সন্তুলিত বুলি ধাৰণা কৰা হৈছে।

# শোণিতপুৰৰ ৩৭, ৮০২ গৰাকী যোগ্য হিতাধিকাৰী কৃষকলৈ পি এম কিষাণ আঁচনিৰ ২৩ নং কিস্তিৰ ধন

**অসম বাৰ্তা, তেজপুৰ সদৰ, ২১ জুন ঃ** প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধি (পিএম কিষাণ) আঁচনিৰ অধীনত দেশৰ যোগ্য কৃষকসকলে লাভ কৰি অহা আৰ্থিক সাহায্যৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি আজি, শনিবাৰে আঁচনিখনৰ ২৩ নং কিস্তিৰ ধন আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। দেশৰ সন্মানীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই 'পি এম কিষাণ উৎসৱ দিৱস' অনুষ্ঠানৰ জৰিয়তে পশ্চিম বংগৰ হুগলী জিলাৰ তাৰকেশ্বৰৰ পৰা ভাৰ্চুৱেল মাধ্যমেৰে ডি বি টি (DBT) যোগে এই ধন যোগ্য কৃষকসকলৰ বেংক একাউণ্টলৈ পোনপটীয়াকৈ হস্তান্তৰ কৰে। উল্লেখ্য যে, এই আঁচনিৰ অধীনত প্ৰতিজন যোগ্য হিতাধিকাৰী কৃষকে ২০০০ টকাকৈ বছৰত তিনিটা কিস্তিত মুঠ ৬, ০০০ টকা লাভ কৰি আহিছে। শোণিতপুৰ জিলাৰ মুঠ ৩৭, ৮০২ গৰাকী যোগ্য হিতাধিকাৰী কৃষকৰ একাউণ্ট সোমাইছে এই আঁচনিৰ ধন। প্ৰধানমন্ত্ৰীৰ এই সৰ্বভাৰতীয় কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি শোণিতপুৰ জিলা কৃষি বিভাগ আৰু কৃষি বিজ্ঞান কেন্দ্ৰৰ যুটীয়া উদ্যোগত কেন্দ্ৰীয়ভাৱে কৃষি বিজ্ঞান কেন্দ্ৰৰ প্ৰেক্ষাগৃহত এখন বিশেষ সভা তথা প্ৰধানমন্ত্ৰীৰ অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰৰ (Live Streaming) সু-ব্যৱস্থা কৰা হয়। উপস্থিত থাকে কৃষক মৰ্চাৰ জিলা সভাপতি ৰোহিনী শৰ্মা, জিলা কৃষি বিষয়া প্ৰদীপ তালুকদাৰ, মহকুমা কৃষি বিষয়া ড° জাকিৰ হুছেইন, অজিত পাঠক, ময়ূৰজ্যোতি বৰুৱা, তেজপুৰ বিধানসভা সমষ্টিৰ বিধায়কৰ প্ৰতিনিধি পিংকী দত্ত, মাজগাওঁ পঞ্চায়তৰ সভাপতি বিজু ডেকা, পৰ্বতীয়া গাঁও পঞ্চায়তৰ সভানেত্ৰী যামিনী কলিতা, কৃষি বিজ্ঞান কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত মুৰব্বী বিজ্ঞানী ড° অংগনা শৰ্মাৰ লগতে কৃষি উন্নয়ন বিষয়াসকল আৰু সংশ্লিষ্ট বিষয়ববীয়াসকল, বি টি এম, এ টি এম সকল। ইয়াৰ সমান্তৰালকৈ জিলা কৃষি বিভাগৰ উদ্যোগত, কৃষি উন্নয়ন বিষয়াসকলৰ সহযোগত জিলাখনৰ বিভিন্ন বিধানসভা সমষ্টিৰ অন্তৰ্গত ১৫ টাকৈ স্থানত প্ৰধানমন্ত্ৰীৰ অনুষ্ঠানটোৰ পোনপটীয়া সম্প্ৰচাৰ উপভোগ কৰাৰ বাবে বিশেষ আয়োজন কৰা হয়। বৰচলা বিধানসভা সমষ্টিৰ অন্তৰ্গত ঠেলামৰা গাঁও পঞ্চায়তৰ সভাগৃহ আৰু মিছামাৰী কৃষি উন্নয়ন বিষয়াৰ কাৰ্যালয়ত, তেজপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত পুঠিমাৰি গাঁও পঞ্চায়ত, মাজগাঁওস্থিত যুটীয়া কৃষি সঞ্চালকৰ কাৰ্য্যালয়ৰ চৌহদৰ প্ৰেক্ষাগৃহ, চিঙিটলি গাঁও পঞ্চায়ত আৰু বালিকুৰি গাঁও পঞ্চায়ত। নদুৱাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত পুব বৰভগীয়া গাঁও পঞ্চায়ত, উত্তৰ মুৰহাদল গাঁও পঞ্চায়ত আৰু চৌকিঘাট গাঁও পঞ্চায়ত। ঢেকিয়াজুলি বিধানসভা সমষ্টিৰ অন্তৰ্গত ঢেকিয়াজুলি খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয় প্ৰেক্ষাগৃহ, পিৰাকতা গাঁও পঞ্চায়ত আৰু ৰাক্ষশমাৰী গাঁও পঞ্চায়ত। ৰঙাপাৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত চোনাইমিৰি সামুহিক কেন্দ্ৰ আৰু বালিপাৰা গাঁও পঞ্চায়তৰ কাৰ্যালয়। এই বিশেষ উৎসৱ দিৱসৰ কাৰ্যসূচীসমূহত সংশ্লিষ্ট সমষ্টিসমূহৰ বিধায়কসকলৰ প্ৰতিনিধিসকল, জিলা পৰিষদৰ সদস্যা, আঞ্চলিক পঞ্চায়তৰ সদস্যসকলৰ লগতে গাঁও পঞ্চায়তৰ সভাপতিসকল, কৃষি উন্নয়ন বিষয়াসকল, কৃষি পৰিদৰ্শক, সহকাৰী কৃষি পৰিদৰ্শক, কৃষি সখী আৰু জিলাখনৰ অগণন কৃষক ৰাইজ উপস্থিত থাকি প্ৰধানমন্ত্ৰীৰ এই অনুষ্ঠানত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে।

# পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ ব্যৱস্থাপনাত পদুমণিত ৰাভা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, পুৰণিগুদাম, ২১ জুন ঃ** নগাঁও জিলা সাহিত্য সভাৰ উদ্যোগত পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ ব্যৱস্থাপনাত পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰাল আৰু পদুমণি শিলপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহযোগত আজি দিনযোৰা কাৰ্যসূচীৰে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দিৱস উদ্‌যাপন কৰা হয়। পদুমণি শিলপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হোৱা ৰাভা দিৱসৰ কাৰ্যসূচী অনুসৰি পুৱা ৮-৪৫ বজাত পতাকা উত্তোলন কৰে পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ সভাপতি বিমল গোঁহায়ে। পুৱা ৯ বজাত স্মৃতি তৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰালৰ সম্পাদক দ্বীপেন বৈৰাগীয়ে। পুৱা ৯-৩০ বজাত বৃক্ষৰোপণৰ শুভাৰম্ভণি কৰে পদুমণি শিলপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰঞ্জিত কুমাৰ শইকীয়াই। পুৱা দহ বজাৰ পৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত হোৱা বিভিন্ন প্ৰতিযোগিতাৰ শুভ উদ্বোধন কৰে পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ কাৰ্যকৰী সভাপতি দ্বিজেন্দ্ৰ মোহন শইকীয়াই। দুপৰীয়া এক বজাৰ পৰা অনুষ্ঠিত হয় মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠান। নগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড° শৰৎ বৰকটকীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাখন শুভ উদ্বোধন কৰে বিশিষ্ট সাংবাদিক তথা সাহিত্যিক গুৰমাইল সিঙে। নগাঁও জিলা সাহিত্য সভাৰ সম্পাদক ৰাজীৱ কুমাৰ হাজৰিকা আৰু পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ সম্পাদক তিলক কুমাৰ গায়নে আঁত ধৰা মুকলি সভাখনত মুখ্য অতিথি হিচাপে বিশিষ্ট সাহিত্যিক তথা জ্যেষ্ঠ আৰক্ষী বিষয়া ড° নন্দ সিং বৰক'লা উপস্থিত থাকি কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ জীৱনৰ কৰ্মৰাজী আৰু আদৰ্শ আৰু গীত সমূহৰ ওপৰত বিস্তাৰিতভাৱে ভাষণ প্ৰদান কৰে। উক্ত মুকলি সভাখনত নিৰ্দিষ্ট বক্তা হিচাপে যুৱপ্ৰজন্মৰ সুবক্তা, অনুবাদক তথা চিত্ৰনাট্য ৰচয়িতা




ইন্দ্ৰনীল গায়ন উপস্থিত থাকি কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ কৰ্মৰাজীৰ ওপৰত বিস্তাৰিতভাৱে ভাষণ প্ৰদান কৰে। উক্ত সভাখনত বিশিষ্ট অতিথি হিচাপে অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক থগিত মহন্ত, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কুঁহি উপ-সমিতিৰ কাৰ্যকৰী সভাপতি মৃণাল কুমাৰ হাজৰিকা, অসম সাহিত্য সভাৰ নগাঁও আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক ৰেৱত কুমাৰ হাজৰিকা, বিশিষ্ট সাহিত্যিক তথা শিক্ষাবিদ যুগল চন্দ্ৰ দেৱ গোস্বামী বিশিষ্ট সাহিত্যিক তথা সাহিত্যিক পেঞ্চনাৰ ফণীন্দ্ৰ নাথ গায়ন, পুৰণিগুদাম ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৃপেন চন্দ্ৰ দাস, পুৰণিগুদাম জিলা পৰিষদৰ সদস্য মিণ্টু শৰ্মা, নগাঁও জিলা সাহিত্য সভাৰ প্ৰকাশনৰ আহ্বায়ক মহেশ নাথ, ৰহা শাখা সাহিত্য সভাৰ সম্পাদক লক্ষীপ্ৰসাদ ডেকা, প্ৰহ্লাদ কুমাৰ মচৰং, সঞ্জয় কুমাৰ কাকতি, লুইত চন্দ্ৰ বৰাকে ধৰি বহুকেইজন গণ্যমান্য লোক উপস্থিত থাকে। পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ ব্যৱস্থাপনাত অনুষ্ঠিত হোৱা ৰাভা দিৱসৰ মুকলি সভাখনত "চিৰ চেনেহী মোৰ ভাষা জননী" গীতটো পৰিবেশন কৰে পদুমণি শিলপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰীসকলে। ৰাভা দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত হোৱা প্ৰতিযোগিতা সমূহ পৰিচালনা কৰে সমাজসেৱক মাণিক চন্দ্ৰ গায়ন, ডিম্পী ফুকন, সৰস্বতী পাঠক আৰু মানসী শৰ্মাই। শিক্ষয়িত্ৰী অশ্বক্লান্তা শইকীয়াৰ নেতৃত্বত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে গীত পৰিবেশন কৰাৰ লগতে শিক্ষয়িত্ৰী দ্বিপশিখা বৰাৰ নেতৃত্বত ছাত্ৰীসকলে ৰাভা সংগীতত নৃত্য প্ৰদৰ্শন কৰে। বিদ্যালয়ৰখনৰ সহঃশিক্ষয়িত্ৰী অশ্বকান্তা শইকীয়াই গীত পৰিবেশন কৰি অনুষ্ঠানটো সজীৱ কৰি তোলে। উক্ত অনুষ্ঠানত পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৰবীন্দ্ৰ নাথ কলিতা, দ্বীপেন বৈৰাগী, প্ৰফুল্ল কলিতা, ইণ্টু শৰ্মা, প্ৰতাপ চন্দ্ৰ দাস, বিৰিঞ্চি বৰাকে ধৰি পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ বিষয়ববীয়া আৰু সদস্যসকলৰ লগতে উক্ত বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগতে ছাত্ৰ-ছাত্ৰীসকল আৰু স্থানীয় ৰাইজ আৰু মহিলাসকল উপস্থিত থাকে বুলি জানিব পৰা গৈছে।

**তৎকালীন ব্যৱস্থাৰ দাবী চাউলধোৱা বগীনদী আঞ্চলিক ছাত্ৰ সন্থাৰ**

# দুদিন ধৰি বিদ্যুৎহীন বগীনদী অঞ্চল

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ২০ জুন ঃ** ৰাইজৰ ধৈৰ্যৰো এটা সীমা আছে। যোৱা দুদিন ধৰি লখিমপুৰ জিলাৰ বগীনদী বৃহত্তৰ অঞ্চলটো বিদ্যুৎ সেৱা প্ৰায় সম্পূৰ্ণৰূপে বিকল হৈ আছে। অসহনীয় গৰমত সাধাৰণ জনতা অতিষ্ঠ হৈ পৰিছে যদিও সংশ্লিষ্ট বিভাগৰ দায়িত্বশীল বিষয়াসকলৰ কোনো সদুত্তৰ বা তৎপৰতা পৰিলক্ষিত হোৱা নাই। অভিযোগ জনালে সঁহাৰি নাই, ফোন কৰিলে সংযোগ বন্ধ- এনে অৱস্থাই ৰাইজক গভীৰভাৱে হতাশ কৰিছে। জনসাধাৰণে নিয়মীয়াভাৱে বিদ্যুৎ বিল পৰিশোধ কৰি আহিছে। সেয়েহে বিদ্যুৎ সেৱা কোনো দয়া বা অনুগ্ৰহ নহয়, ই ৰাইজৰ ন্যায্য অধিকাৰ। কিন্তু সমস্যা উদ্ভৱ হোৱাৰ পিছতো যদি দায়িত্বত থকা কৰ্তৃপক্ষৰ কোনো খবৰ নাথাকে, তেন্তে এই ব্যৱস্থাক জনমুখী সেৱা বুলি কোৱাৰ কোনো অৱকাশ নাথাকে। আটাইতকৈ পৰিতাপৰ বিষয় হ'ল, প্ৰতি বছৰে গ্ৰীষ্মকাল আহিলেই একেই সমস্যাই পুনৰাবৃত্তি ঘটে। স্থায়ী সমাধানৰ পৰিৱৰ্তে অজুহাত, দায়িত্ব পালনৰ পৰিৱৰ্তে নীৰৱতাই যেন নিয়মত পৰিণত হৈছে। বগীনদী অঞ্চলৰ ৰাইজে কেৱল এটা প্ৰশ্নৰ উত্তৰ বিচাৰে- বিদ্যুৎ সেৱা কেতিয়া স্বাভাৱিক হ'ব ? সাধাৰণ জনসাধাৰণৰ এনে গুৰুত্বপূৰ্ণ সমস্যাৰ অৱহেলা কৰাটো কোনো দায়িত্বশীল বিভাগৰ বাবে কাম্য হ'ব নোৱাৰে। সেয়েহে সংশ্লিষ্ট কৰ্তৃপক্ষক অতি শীঘ্ৰে বিষয়টোত হস্তক্ষেপ কৰি বিদ্যুৎ যোগান স্বাভাৱিক কৰাৰ লগতে দায়িত্বহীনতাৰ বিৰুদ্ধে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ চাউলধোৱা বগীনদী আঞ্চলিক ছাত্ৰ সন্থাই দাবী জনাইছে।

# মাজুলীত অসম কলেজ শিক্ষক সংস্থাৰ মাজুলী মাণ্ডলিকৰ সভা সম্পন্ন

**অসম বাৰ্তা, মাজুলী, ২০ জুন ঃ** অসম কলেজ শিক্ষক সংস্থাৰ মাজুলী মাণ্ডলিক সমিতিৰ এখন কাৰ্যনিৰ্বাহক সভা আজি পূব মাজুলী মহাবিদ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। মাজুলী মণ্ডলৰ সভাপতি ড° অৰুণ বৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখন আঁত ধৰে আৰু উদ্দেশ্য ব্যাখ্যা কৰে মাণ্ডলিক সমিতিৰ সাধাৰণ সম্পাদক দেৱজ্যোতি ভট্টাচাৰ্যই। সভাত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য অনুপ কুমাৰ বৰাই অসম কলেজ শিক্ষক সংস্থাৰ কেন্দ্ৰীয় সমিতিৰ সভাত হৈ যোৱা আলোচনাৰ বিতং বিৱৰণ দাঙি ধৰে। আজিৰ সভাতে ২০২৬ বৰ্ষত অনুষ্ঠিত কৰিবলগা বিভিন্ন অনুষ্ঠান সমূহৰ সম্পৰ্কে সিদ্ধান্ত কৰা হয়। আগন্তুক অক্টোবৰ মাহৰ ভিতৰত মাজুলী মণ্ডলৰ মহাবিদ্যালয় সমূহৰ শিক্ষক সকলৰ মাজত এখন ভলীবল প্ৰতিযোগিতা অনুষ্ঠিত কৰা, ছাত্ৰ ছাত্ৰী সকলৰ উপকাৰৰ অৰ্থে চাৰিবছৰীয়া স্নাতক পাঠ্যক্ৰমৰ ওপৰত (FYUGP)দুখন অনলাইন আলোচনা চক্ৰ অনুষ্ঠিত কৰা, ছাত্ৰ-ছাত্ৰী সকলৰ মাজত ৰচনা, প্ৰবন্ধ প্ৰতিযোগিতা অনুষ্ঠিত কৰা আৰু সমিতিৰ বাৰ্ষিক মুখপত্ৰ প্ৰকাশ কৰা। ইয়াৰ বাবে সুবিধা হোৱাকৈ পৃথক পৃথক কৈ উদযাপন সমিতি গঠন কৰা হয়। সভাত উপস্থিত সমিতিৰ উপ সভাপতি বিনোদ দাস, অৰূপ বৰা, ড° ব্ৰজেন নেওঁগ, অমূল্য ভূঞা, ড° জয়সিং দলে, নীলোৎপল দত্ত ই বিভিন্ন বিষয়ত নিজৰ নিজৰ মতামত সমূহ দাঙি ধৰে। শলাগৰ শৰাই আগবঢ়ায় ড° নবণিশা শইকীয়াই।

**৩০ গ্ৰাম সন্দেহজনক ব্ৰাউন ছুগাৰ জব্দ, তদন্ত অব্যাহত**

# গোলকগঞ্জ আৰক্ষীৰ জালত কুখ্যাত মহিলা ড্ৰাগছ সৰবৰাহকাৰী

**অসম বাৰ্তা, গোলকগঞ্জ, ২০ জুন ঃ** গোলকগঞ্জ আৰক্ষীয়ে এক সফল অভিযান চলাই কুখ্যাত মহিলা ড্ৰাগছ সৰবৰাহকাৰী নুৰিমা খাতুন ওৰফে 'পাগলী'ক গ্ৰেপ্তাৰ কৰে। অভিযানকালত আৰক্ষীয়ে মহিলা গৰাকীৰ অধিকাৰৰ পৰা প্ৰায় ৩০ গ্ৰাম সন্দেহজনক ব্ৰাউন ছুগাৰ জব্দ কৰিবলৈ সক্ষম হয়। আৰক্ষী সূত্ৰে জানিব পৰা মতে, নুৰিমা খাতুনৰ ঘৰ গোলকগঞ্জ পৌৰসভাৰ ১ নং ৱাৰ্ডত। দীৰ্ঘদিন ধৰি মহিলা গৰাকী ড্ৰাগছ সৰবৰাহৰ সৈতে জড়িত থকাৰ অভিযোগ উত্থাপিত হৈ আহিছিল। গোপন খবৰৰ ভিত্তিত গোলকগঞ্জ থানাৰ চক্ৰ আৰক্ষী বিষয়া নৱজ্যোতি ৰায়ৰ নিৰ্দেশত আৰক্ষীৰ এটা দলে অভিযান চলাই মহিলা গৰাকীক আটক কৰে। অভিযানত জব্দ কৰা সন্দেহজনক ব্ৰাউন ছুগাৰখিনি আৰক্ষীয়ে পৰীক্ষা কৰে। ঘটনাটোৰ সৈতে জড়িত আন কোনো ব্যক্তি বা চক্ৰ আছে নেকি, সেই দিশতো আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। এই ঘটনাই গোলকগঞ্জ অঞ্চলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ড্ৰাগছ বিৰোধী অভিযান অধিক তীব্ৰতৰ কৰাৰ ক্ষেত্ৰত আৰক্ষীৰ এই পদক্ষেপক সচেতন মহলে আদৰণি জনাইছে।

# নাজিৰাৰ বিধায়ক ময়ূৰ বৰগোহাঁইৰ উপস্থিতিত আমগুৰিত জন কল্যাণ শিবিৰ অনুষ্ঠিত



**অসম বাৰ্তা, নাজিৰা, ২১ জুন ঃ** দেশৰ প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ নেতৃত্বত ১২ বছৰীয়া সফল, দূৰদৰ্শী আৰু ৰূপান্তৰমূলক শাসনকাল সম্পূৰ্ণ হোৱাৰ উপলক্ষে আজি আমগুৰি উন্নয়ন খণ্ডৰ উদ্যোগত নামতি দ'ল গাঁও পঞ্চায়তৰ প্ৰেক্ষাগৃহত "জন কল্যাণ শিবিৰ" অনুষ্ঠিত হয় নাজিৰা বিধান সভা সমষ্টিৰ বিধায়ক ময়ূৰ বৰগোহাঁই উক্ত কাৰ্যসূচীত মুখ্য অতিথি ৰূপে উপস্থিত থাকে আৰু তেখেতে বন্তি প্ৰজ্বলনেৰে শিবিৰৰ শুভাৰম্ভ কৰে। উদ্বোধনী ভাষণত বিধায়ক গৰাকীয়ে চৰকাৰৰ জনকল্যাণ মূলক আঁচনিৰ বিষয়ে সজাগতা বৃদ্ধি কৰাৰ লগতে যোগ্য হিতাধিকাৰী সকলৰ অধিক ওচৰলৈ উন্নয়ন মূলক আঁচনিসমূহ লৈ যোৱাৰ ক্ষেত্ৰত এনে ধৰণৰ শিবিৰৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰে। আজিৰ এই শিবিৰত অৰুণোদয় ৩.০, পি.এম.-কিষাণ, ৰাষ্ট্ৰীয় সামাজিক সহায়তা, মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা, নিজুত মইনা, প্ৰধানমন্ত্ৰী আৱাস যোজনা, আয়ুষ্মান ভাৰত-প্ৰধানমন্ত্ৰীজন আৰোগ্য যোজনা, প্ৰধানমন্ত্ৰীজন ধন যোজনা, কিষাণ ক্ৰেডিট কাৰ্ড আৰু প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা আদি গুৰুত্বপূৰ্ণ আঁচনিৰ বিষয়ে বিস্তৃত তথ্য প্ৰদান কৰা হয়। শিবিৰত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, কৃষি বিভাগ, উদ্যোগ আৰু বাণিজ্য বিভাগ, পশুপালন আৰু পশু চিকিৎসা বিভাগ, ৰেচম বিভাগ, কৃষি বিজ্ঞান কেন্দ্ৰ আৰু হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। অংশগ্ৰহণকাৰী বিভাগসমূহে ৰাইজৰ সৈতে প্ৰত্যক্ষভাৱে মত বিনিময় কৰাৰ লগতে বিভিন্ন আঁচনিৰ অধীনত নাম পঞ্জীয়ন, আবেদন প্ৰক্ৰিয়া আৰু সুবিধা লাভৰ ক্ষেত্ৰত প্ৰয়োজনীয় দিহা-পৰামৰ্শ আগবঢ়ায়। এইজন কল্যাণ শিবিৰে অন্তৰ্ভুক্তিমূলক উন্নয়ন আৰু স্বচ্ছ শাসন ব্যৱস্থা নিশ্চিত কৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। উল্লেখ্য যে, আজিৰ অনুষ্ঠানত নাজিৰা সমজিলাৰ সহকাৰী আয়ুক্ত পৰ্চিয়া খনিকৰ, আমগুৰি উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া ৰাতুল গগৈ, আঠখেল আৰু আমগুৰি জিলা পৰিষদৰ সদস্যা ক্ৰমে মৌচুমী গগৈ আৰু জিনিতা চাহু, আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী আৰু উপ সভাপতি ক্ৰমে আশাবন্তী বদ্ৰা তিৰ্কী আৰু বিনোদ গগৈ, বিশিষ্ট সমাজ কৰ্মী ৰুবুল চেতিয়া, ৰূপ জ্যোতি লাহন, পংকজ গায়ন আৰু জিতেন হাতীমূৰীয়াৰ লগতে বিভিন্ন বিভাগৰ মুৰব্বী বিষয়া সকল আৰু গৰিষ্ঠ সংখ্যক স্থানীয় ৰাইজ উপস্থিত থাকে।

**বিদ্যাৰ্থী-সতীৰ্থ শিক্ষক-নেতৃস্থানীয়ে নাগৰিকে জনালে উষ্ম বিদায় সম্বৰ্ধনা**

# দক্ষিণ বৰছলা হাইস্কুলৰ অৱসৰী প্ৰধান শিক্ষক মুনীন্দ্ৰ শৰ্মাৰ অৱসৰগ্ৰহণ

**অসম বাৰ্তা, ঢেকীয়াজুলি, ২১ জুন ঃ** ১৯৮৯ চনৰ ১ ফেব্ৰুৱাৰীত ঢেকীয়াজুলি ৰাজহ চক্ৰ এলেকাৰ দক্ষিণ বৰছলা উচ্চ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান বিষয়ৰ সহকাৰী শিক্ষক হিচাপে শিক্ষকতা বৃত্তিত যোগদানৰ পাছত সুদীৰ্ঘ ৩৭ বছৰৰ কৰ্মময় জীৱনৰ ২৪ বছৰেই ভেন্সাৰ ৰূপে বিনাবেতনে আৰু মাত্ৰ ৯ বছৰ চৰকাৰী হিচাবে সহকাৰী শিক্ষক আৰু ইয়াৰে ৪ বছৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষকৰ দায়িত্ব নিষ্ঠা আৰু সততাৰে পালন কৰাৰ পাছত চলিত বৰ্ষৰ ৩১ মে' তাৰিখে শিক্ষকতা জীৱনৰ পৰা অৱসৰগ্ৰহণ কৰা বৰছলাৰ সমাজপ্ৰিয়-সৰবৰহী শিক্ষাগুৰু মুনীন্দ্ৰ শৰ্মাক কালি দক্ষিণ বৰছলা উচ্চ মাধ্যমিক বিদ্যালয়ত আয়োজিত এক শৈক্ষিক সভাত বিদ্যালয়খনৰ ছাত্ৰ -ছাত্ৰী, প্ৰাক্তন বিদ্যাৰ্থী, শিক্ষক-কৰ্মচাৰী, বিদ্যালয় পৰিচালনা সমিতি, সমাজৰ নেতৃস্থানীয় ব্যক্তি প্ৰভৃতিয়ে বিদায় সম্বৰ্ধনা জ্ঞাপন কৰে। শিক্ষানুষ্ঠানখনৰ প্ৰাক্তন প্ৰধান শিক্ষক ললিত চন্দ্ৰ বৰাই সভাপতিত্ব কৰা আৰু সহকাৰী শিক্ষক নীলোৎপল ঠাকুৰীয়াই উদ্দেশ্য-ব্যাখ্যা কৰা গাম্ভীৰ্যপূৰ্ণ সভাখনত সদ্য অৱসৰী শিক্ষক মুনীন্দ্ৰ শৰ্মাক শিক্ষক কৰ্মচাৰী গোটৰ তৰফৰ পৰা ফুলাম গামোছা, শৰাই, চেলেং, সম্বৰ্ধনা পত্ৰ, গ্ৰন্থ, ছাতি আৰু কলম; ছাত্ৰ একতা সভাৰ তৰফৰ পৰা শৰাই, সম্বৰ্ধনা পত্ৰ, গ্ৰন্থ আৰু কলম; ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ প্ৰতিটো শ্ৰেণীকোঠাৰ পৰা একোখনকৈ ফুলাম গামোছা; সপ্তম শ্ৰেণীৰ ছাত্ৰ শিৱম নাথে নিজহাতে সাজি অনা ভগৱান শিৱৰ মূৰ্তি; নৱম শ্ৰেণীৰ বিশেষভাৱে সক্ষম ছাত্ৰ কৌশিক দাসে এটি কলম; অষ্টম শ্ৰেণীৰ ছাত্ৰ নিপম বড়োৱে আৰণাই ; প্ৰাক্তন শিক্ষাৰ্থী শেৱালি বিশ্বাস, পূজা দাস, পৰিস্মিতা লাহিৰী, সংগীনা বাগলাৰী আৰু নীলাক্ষী দাসে গামোচা; বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি পূজা দাস, অৱসৰপ্ৰাপ্ত শিক্ষক খৰ্গেশ্বৰ নাথ, সৰ্বানন্দ নাথ, পূৰ্ণ চন্দ্ৰ ঢুংগেল, প্ৰসন্ন কুমাৰ নাথ, পৰমা শইকীয়া, বিজয় দাস আৰু হীৰেন শৰ্মাই গামোছা আৰু গ্ৰন্থৰ লগতে ঢেকীয়াজুলিৰ গ্ৰন্থ বিপনীৰ স্বত্বাধিকাৰী দিলীপ বৰ্মনেও গ্ৰন্থ প্ৰদান কৰি সম্বৰ্ধনা জনায়। বৰছলা মধ্য ইৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰাম বাহাদুৰ সূতাৰ, দক্ষিণ বৰছলা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক সাগৰ চন্দ্ৰ সৰকাৰ, ৰোহিণী উপাধ্যায়, শুকৰাম দাস, নিজ বৰছলা পঞ্চায়তৰ সভাপতি অৰূপ তালুকদাৰ, সমাজকৰ্মী ডিম্বেশ্বৰ দাস, ফটিক চন্দ্ৰ নাথ, তপন দাস, যতীন কোচ আদিৰ লগতে দক্ষিণ বৰছলা উচ্চ মাধ্যমিক বিদ্যালয়ৰ বৰ্তমানৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক মনোজ কুমাৰ ছেত্ৰী, দানেশ্বৰী নাথ, ডালিমী নাথ, অঞ্জু মহন্ত, পদ্ম উপাধ্যায়, বিমল দাস, শ্যামন্ত হাজৰিকা, নীলোৎপল ঠাকুৰীয়া, সুজাতা ছেত্ৰী, জুমি বৰা জয়ন্ত গায়ন, ঋতু পৰ্ণ ৰয়, কৃষ্ণ কলিতা, ৰবিশংকৰ দাস আৰু নীলাক্ষী কাশ্যপ অনুষ্ঠানটিত থাকি সৌষ্ঠৱ বৃদ্ধি কৰে। মনকৰিবলগীয়া যে অৱসৰী শিক্ষক মুনীন্দ্ৰ শৰ্মাই বিজ্ঞান শিক্ষক হিচাপে দক্ষিণ বৰছলা উচ্চ মাধ্যমিক বিদ্যালয়ত ১৯৮৯ চনৰ ১ ফেব্ৰুৱাৰীত যোগদান কৰি বিনা বেতনে ২০১৩ চন পৰ্য্যন্ত কৰ্তব্য পালন কৰিছিল আৰু ২০১৩ চনৰ ১ জানুৱাৰীত বিদ্যালয় প্ৰাদেশিকীকৰণ হোৱাৰ ২০২২ চনৰ ১ ফেব্ৰুৱাৰীত শৰ্মাই ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষকৰ দায়িত্ব গ্ৰহণ যোৱা ৩১ মে' তাৰিখে অৱসৰগ্ৰহণ কৰে। শিক্ষকগৰাকীয়ে প্ৰধান শিক্ষকৰ পদ আৰু বহুবছৰ দৰমহাৰ পৰা বঞ্চিত হ'বলগীয়া হৈছিল। বিদায় সভাখনত কেইবাগৰাকী বক্তাই তেখেতৰ কৰ্মজীৱনৰ ওপৰত আলোকপাত কৰে। তেখেতৰ নিয়মানুবৰ্তিতা আৰু কঠোৰ জীৱন সংগ্ৰামৰ কথাও সকলোৱে চৰ্চা কৰে। দীৰ্ঘদিনে শৰ্মাই দৰমহা নোপোৱাৰ বিষয়টোত ৰাইজে দুখ প্ৰকাশ কৰে। সিফালে অনুষ্ঠানটিত বিদায়ী শিক্ষক মুনীন্দ্ৰ শৰ্মাই বক্তব্য দাঙি ধৰি সম্বৰ্ধনা জ্ঞাপনৰ বাবে সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰে। সকলোৰে সামূহিক প্ৰচেষ্টাই বিদ্যালয়খনক আগুৱাই লৈ যাব বুলিও তেওঁ মন্তব্য কৰে। উল্লেখ্য যে ব্যস্ততাপূৰ্ণ শিক্ষকতা জীৱনৰ মাজতে সামাজিক ক্ষেত্ৰতো পাৰ্যমানে আত্মনিয়োগ কৰি অহা বিদায়ী শিক্ষক মুনীন্দ্ৰ শৰ্মা বিজ্ঞান শিক্ষক হিচাপে সমগ্ৰ বৰছলা, বৰঝাৰ, শিয়ালমাৰী, ডুমডুমা, ভংগমন্দিৰ অঞ্চলত জনপ্ৰিয় আছিল। শিক্ষকতাৰ উপৰি বৰছলা শাখা সাহিত্য সভা, বৰছলা শাখা নাট্য সন্মিলন, অসম বিজ্ঞান সমিতিৰ বৰছলা শাখা, মহামুনি মন্দিৰ আদি অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে বিভিন্ন দায়িত্বত কাৰ্যনিৰ্বাহ কৰিছিল। অসম হাইস্কুল শিক্ষক সন্থাৰ শোণিতপুৰ জিলাৰ সাংগঠনিক সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰা শৰ্মাই বৰভগীয়া-বৰছলাৰ ইতিহাস প্ৰসিদ্ধ "মহামুনি থান" পৰিচালনা সমিতিৰ সম্পাদকৰ দায়িত্ব সুদীৰ্ঘ ২৫ বছৰ ধৰি বৰ্তমানলৈকে পালন কৰি আহিছে। একালত ভাওনা- ঐতিহাসিক নাটক আদিতো অভিনয় কৰা শৰ্মাই স্কাউট মাষ্টৰৰো দায়িত্ব পালন কৰিছিল। কলেজত পঢ়ি থকা সময়ত যোগাসন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি পুৰস্কৃত হোৱা সদ্য অৱসৰী শিক্ষক মুনীন্দ্ৰ শৰ্মাই সৰুৰে পৰা শৰীৰ চৰ্চাত গুৰুত্ব প্ৰদান কৰি আহিছিল।

**জিলা ভিত্তিত আয়োজিত ৰচনা প্ৰতিযোগিতাৰ বঁটা বিতৰণ**

# উত্তৰ যোৰহাট জাতীয় বিদ্যালয়ত ৰাভা দিৱস পালন

**অসম বাৰ্তা, নিমাতীঘাট, ২০ জুন ঃ** যোৰহাট জিলাৰ অগ্ৰনী বেচৰকাৰী শিক্ষানুষ্ঠান উত্তৰ যোৰহাট জাতীয় বিদ্যালয়ত দিনযোৰা কাযসূচীৰে বিষ্ণুপ্ৰসাদ ৰাভা দিৱস উদ্‌যাপন কৰা হয়। পুৱা বিষ্ণুৰাভাৰ প্ৰতিছবিৰ সন্মুখত বন্তিপ্ৰজ্বলন কৰে বিদ্যালয়ৰ জেষ্ঠ কৰ্মচাৰী কাঞ্চন শইকীয়াই। ইয়াৰ পাছতে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত বহুকেইটা প্ৰতিযোগিতা অনুষ্ঠিত হয়। পুৱা ১২-০০ বজাৰ পৰা অনুষ্ঠিত মুকলি সভা সঞ্চালনা কৰে বিদ্যালয়ৰ শৈক্ষিক সঞ্চালক শ্ৰীমন্ত মাধৱ বৰুৱাই। বিদ্যালয়ৰ জেষ্ঠ শিক্ষয়িত্ৰী লেখিকা গগৈয়ে আঁতধৰা সভাত নিদিষ্ট বক্তা হিচাপে উপস্থিত থাকে বাহনা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা মধুস্মিতা বৰুৱা চাংকাকতি। সভাত বিদ্যালয়ৰ অধ্যক্ষ সৰ্বেশ্বৰ বৰাৰ লগতে শিক্ষা বিভাগৰ পৰা উজ্জ্বল দত্ত উপস্থিত থাকে। মুকলি সভাতে যোৰহাট জিলা ভিত্তিত অনুষ্ঠিত হৈ যোৱা ৰচনা প্ৰতিযোগিতাৰ পুৰস্কাৰ প্ৰদান কৰা হয়। প্ৰথম পুৰস্কাৰ লাভ কৰে চাৰিগাঁও মজলীয়া বিদ্যালয়ৰ সপ্তম শ্ৰেণীৰ ছাত্ৰী অংকিতা কটকী, দ্বিতীয় পুৰস্কাৰ লাভ কৰে দিল্লী পাব্লিক স্কুলৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ সমন্বয় দত্ত আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে উত্তৰ যোৰহাট জাতীয় বিদ্যালয়ৰ সপ্তম শ্ৰেণীৰ ছাত্ৰী পংখী হাজৰিকাই।

# চেঙাৰ মধ্য কামৰূপ মহাবিদ্যালয়ত বিষ্ণুৰাভা দিৱস পালন

**বিষ্ণুৰাভা সংগীত প্ৰচাৰেৰে জনসচেতনতা যাত্ৰা সম্পন্ন**

**অসম বাৰ্তা, দৌলাশাল, ২০ জুন ঃ** বৰপেটা জিলাৰ পূব প্ৰান্তৰ উচ্চ শিক্ষাৰ অনুষ্ঠান চেঙাস্থিত মধ্য কামৰূপ মহাবিদ্যালয়ত আজি পালন কৰা হয় বিষ্ণুৰাভা দিৱস। মহাবিদ্যালয়ৰ উদ্যোগত আৰু অসমীয়া বিভাগৰ সহযোগত দিনজোৰা কাৰ্যসূচীৰে মহাবিদ্যালয়ত বিষ্ণুৰাভা দিৱস পালন কৰা হয়। আৰম্ভণিতে মধ্য কামৰূপ মহাবিদ্যালয়ৰ প্ৰাংগণৰ পৰা বিষ্ণু ৰাভাৰ আদৰ্শৰে জনসাধাৰণক উদ্বুদ্ধ কৰাৰ উদ্দেশ্যেৰে 'জন সচেতনতা যাত্ৰা' কৰা হয়। দ্বিতীয় কাৰ্যসূচী অনুসৰি মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° গোপেশ কুমাৰ শৰ্মাই বন্তি প্ৰজ্বলন কৰে। অনুষ্ঠানটোত বিষ্ণুৰাভাৰ প্ৰতিচ্ছবিত মাল্যৰ্পণ কৰা হয়। মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ দ্বাৰা বিষ্ণুৰাভা সংগীত পৰিৱেশন কৰা হয়। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° গোপেশ কুমাৰ শৰ্মাই আদৰণি ভাষণ প্ৰদান কৰে। আদৰণি ভাষণ প্ৰদান কৰি ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্য কৰি অধ্যক্ষ ড° গোপেশ কুমাৰ শৰ্মাই কয় যে- "একতা, সমতা আৰু সমন্বয়ৰ মাজেৰে কেনেদৰে বৰ অসমৰ ভেটি গঢ়িব পাৰি সেই শিক্ষা যদি আমি ল'ব পাৰোঁ তেতিয়াহে বিষ্ণুৰাভা দিৱস উদ্‌যাপন কৰাৰ সাৰ্থকতা থাকিব।" তদুপৰি মহাবিদ্যালয়ৰ দাঁতিকাষৰীয়া অঞ্চলত বিষ্ণুৰাভা সংগীত প্ৰচাৰৰ জৰিয়তে "জনসচেতনতা যাত্ৰা" কৰাৰ উদ্দেশ্য বুলিও উনুকিয়াই দিয়ে অধ্যক্ষগৰাকীয়ে। ইয়াৰ পাছতেই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কবিতা আবৃত্তিপ্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। কবিতা আবৃত্তিপ্ৰতিযোগিতাত ক্ৰমে দীপশিখা তালুকদাৰ, জেৰিফা বেগম আৰু অনামিকা দাসে প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশ কৰা ৰাভা নৃত্যৰে অনুষ্ঠান সামৰা হয়।

**NAME CORRECTION**

Swarn before Notary Public at Bilasipara on 18-06-2026, that in my Bank passbook of Assam Gramin Vikash Bank vide A/C no.- 7150010007463, Lakhiganj Branch my name has been wrongly recorded as ANJUMA BIBI, and my husband's name has been wrongly recorded as ROHINUR KHAN. But my actual name is ANJUMA BEGUM, which is recorded in my all relevant papers and documents including in Aadhaar card vide no. 3321 8375 1055. And my husband's actual and correct name is RAHINUR KHAN. Both ANJUMA BIBI and ANJUMA BEGUM is the same name and i.e. myself. And both ROHINUR KHAN and RAHINUR KHAN is the same name and i.e. my hushband.

ANJUMA BEGUM
W.O.- RAHINUR KHAN
R.O.- Udmari pt 3
P.O.- Lakhiganj
P.S.- Bilasipara
Dist- Dhubri, Assam

AB-89/2026

# ৰহা সমষ্টিৰ অন্তৰ্গত দক্ষিণপাট-কামপুৰ সংযোগী পথৰ মেৰামতিৰ দাবীত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ দক্ষিণপাট আঞ্চলিক সমিতিৰ জিলা আয়ুক্তলৈ স্মাৰক পত্ৰ প্ৰদান

**অসম বাৰ্তা, ৰহা, ২১ জুন ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ দক্ষিণপাট আঞ্চলিক সমিতিৰ অন্তৰ্গত দক্ষিণপাট-কামপুৰ সংযোগী পথৰ বালিগাঁও জামে মছজিদৰ সন্মুখৰ পথচোৰাই সেই পথেৰে অহা যোৱা কৰা ৰাইজক জীয়াতো ভোগাইছিল। তাৰ পৰা পৰিত্ৰাণ পাবলৈ পৰিষদৰ দক্ষিণপাট আঞ্চলিক সমিতিয়ে যোৱা ১০ জুন, ২০২৬ তাৰিখে নগাঁও জিলা আয়ুক্ত মহোদয়ক সাক্ষাৎ কৰি এখনি স্মাৰক পত্ৰ প্ৰদান কৰে। জিলা আয়ুক্ত মহোদয়ে বিষয়তো গুৰুত্ব সহকাৰে লৈ বিভাগীয় কৰ্তৃপক্ষৰ লগত আলোচনা কৰি সেই পথচোৰা মেৰামতিৰ বাবে বিষয়া সকলক সেই স্থানলৈ প্ৰেৰণ কৰে। বিগত প্ৰায় এটা বছৰে সেই পথচোৰাই অহা যোৱা কৰা বিভিন্ন বিভাগত কৰ্মৰত কৰ্মচাৰী, বিদ্যালয়লৈ অহা ছাত্ৰ-ছাত্ৰী, সাধাৰণ জনসাধাৰণক দৈনন্দিন জীৱন স্থবিৰ কৰি পেলাইছিল। যুৱ-ছাত্ৰ পৰিষদে লোৱা পদক্ষেপৰ পাছতে আজি পথচোৰাৰ কাম হাতত লৈছে। প্ৰাৰম্ভিক পৰ্যায়ত শিল বালিৰে খাল সমূহ পূৰাই দিয়ে। পৰৱৰ্তী সময়ত পথ চোৰা দুয়োকাষে নলাৰ ব্যৱস্থা কৰি এই সমস্যাতো স্থায়ী সমাধান কৰি দিয়াৰ আশ্বাস প্ৰদান কৰিছে বুলি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ দক্ষিণপাট আঞ্চলিক সমিতিৰ সভাপতি ইজমত মৰিয়া আৰু সাধাৰণ সম্পাদক প্ৰণৱ শইকীয়াই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। এই পদক্ষেপ বাবে অঞ্চলৰ ৰাইজৰ ফালৰ পৰা নগাঁও জিলাৰ উপায়ুক্ত দেৱাশিস শৰ্মা লগতে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক দেৱাশিস দাসকো অশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিছে।

## বকোতো আন্তঃৰ্জাতিক যোগ দিৱস পালন

**অসম বাৰ্তা, বকো, ২১ জুন ঃ** আজি আন্তঃজাৰ্তিক যোগ দিৱস। দেশৰ ভিন্ন প্ৰান্তৰ লগতে কামৰূপ জিলাৰ বকোতো পালন কৰা হয় যোগ দিৱস। বকোস্থিত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত পতঞ্জলী যোগ সমিতিৰ ভাৰত স্বভিমান ট্ৰাষ্টৰ কামৰূপ জিলা সমিতিৰ তৎপৰতাত বকো মণ্ডল বিজেপি অভিনন্দন এচোছিয়েশ্যন আৰু ঢেকীয়াবড়ী দক্ষিণপাৰ মহিলা সমিতিৰ সহযোগত পালন কৰা হয় যোগ দিৱসৰ কাৰ্য্যসুচী। যোগ উদ্যোক্তা মণ্ডলীৰ পঞ্চানন মেধি আৰু বশিষ্ঠ কলিতাই জনোৱা মতে; যোগ দিৱসৰ কাৰ্য্যসূচী অনুসৰি পতাকা উত্তোলন কৰে অৱসৰপ্ৰাপ্ত অধ্যাপক লক্ষ্মীকান্ত শৰ্মাই। যোগাভ্যাষ কাৰ্য্যসুচীত বকো সমষ্টিৰ বিধায়ক ৰাজু মেছ, বকো-ছয়গাঁও সম জিলাৰ জিলা আয়ুক্ত প্ৰীয়াংশু ভৰদ্বাজ, বকো ৰাজহ চক্ৰৰ চক্ৰ কৃষ্ণ অৰ্জুন বৰ্মন, ৰাভা হাছং পৰিষদৰ কাৰ্য্যবাহী সদস্য সুমিত ৰাভা, বিশিষ্ট সমাজকৰ্মী যতীন পাঠক, অভিনন্দন এচোছিয়েশ্যনৰ সঞ্চালক জনাৰ্দ্দন ডেকা সহ বহু সংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত কেৱাজনো জ্যেষ্ঠ লোকৰ জৰিয়তে বন্তি প্ৰজ্বলন কৰাৰ পিছতে যোগ প্ৰনায়াম প্ৰদৰ্শন।

### কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন অনুষ্ঠান সম্পন্ন

# চেলেংহাটত বিষ্ণুজ্যোতি সামাজিক সাংস্কৃতিক গোষ্ঠীৰ বিষ্ণুপ্ৰসাদ ৰাভা দিৱস পালন

**অসম বাৰ্তা, চেলেংহাট, ২১ জুন ঃ** চেলেংহাটৰ অগ্ৰণী অনুষ্ঠান বিষ্ণুজ্যোতি সামাজিক সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত তথা শ্যেলী ফাউণ্ডেশ্যন আৰু চেলেংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত আজি দিনযোৰা কাৰ্যসূচীৰে বিষ্ণুৰাভা দিৱস পালন কৰা হয়। পুৱা বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে চেলেংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা প্ৰীতি ৰাণী গগৈয়ে। তাৰ পাছতেই বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা সমবেত সংগীত পৰিবেশন কৰে। ইয়াৰ পিছতেই সাংস্কৃতিক গোষ্ঠীৰ যুটীয়া সম্পাদক দেৱবিকাশ দত্তই আঁতধৰা মুল সভাৰ সভাপতিত্ব কৰে বিষ্ণুজ্যোতি সামাজিক সাংস্কৃতিক গোষ্ঠীৰ সভাপতি ৰমেন গগৈয়ে। সমীৰণ দত্তই উদ্দেশ্যে ব্যাখ্যা আৰু আদৰণি ভাষণ প্ৰদান কৰা সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে নকচাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ উত্তম কুমাৰ বৰুৱা, বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে মৰিয়ণি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী চেলেংহাট উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী মনিকা বৰা, শ্যেলী ফাউণ্ডেশ্যনৰ সঞ্চালিকা জ্যোতিশ্ৰী মহন্ত, অনাতাঁৰ শিল্পী নিপেন শইকীয়া, পূব লাহিং গাঁও পঞ্চায়তৰ সভাপতি অভিজিত গগৈ। উক্ত সভাতেই চেলেংহাট কেন্দ্ৰৰ অন্তৰ্গত উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা মুঠ ৫৬জন ছাত্ৰ ছাত্ৰীক অভিনন্দন জনোৱাৰ লগতে ষষ্ঠ বাৰৰ বাবে নিৰ্বাচিত হৈ বিধায়কৰ আসন অলংকৃত কৰা মৰিয়ণি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীক বিশেষ সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানৰ শেষত সকলোকে ধন্যবাদ জনাই শলাগৰ শৰাই আগবঢ়াই অন্যতম যুটীয়া সম্পাদক তপন পাত্ৰয়ে। অভিনন্দন অনুষ্ঠানত শিক্ষক বিদ্যুত গগৈ, প্ৰবিত্ৰ গগৈ, টাই আহোম ছাত্ৰ সন্থা যোৰহাট জিলা সমিতিৰ সম্পাদক মণ্টু ফুকন, আপকু কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক জ্যোতিপ্ৰসাদ গগৈ, যোৰহাট জিলা ছাত্ৰ সন্থাৰ বিত্তীয় সম্পাদক সুবিৰাজ নেওগ, টীয়ক আঞ্চলিক ছাত্ৰ সন্থাৰ সাংস্কৃতিক সম্পাদিকা প্ৰিন্সী বৰবৰা, সাংবাদিক স্মৃতি প্ৰিয়া লাহন, চেলেংহাট প্ৰেছ ক্লাৱৰ সম্পাদক অনুৰাগ শইকীয়া, লেখিকা পূৰ্ণিমা ফুকন, অঞ্জলি মহন্তকে ধৰি বিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰী ছাত্ৰ-ছাত্ৰী আৰু বহুসংখ্যক অভিভাৱক উপস্থিত থাকে।

## বিশ্বনাথত ইউৰিয়া সাৰ নাটনিকলৈ তীব্ৰ প্ৰতিক্ৰিয়া বিশ্বনাথ জিলা অনুসূচিত জাতি যুৱ ছাত্ৰ সন্থাৰ সভাপতি সিংহজিৎ হাজৰিকাৰ

**অসম বাৰ্তা, জিনজিয়া, ২০ জুন ঃ** অসম এখন কৃষি প্ৰধান ৰাজ্য। বৰ্তমান খেতিৰ সময়। এই খেতিৰ সময়ত খেতিয়কসকলে বিভিন্ন ধৰণৰ সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে। বৰ্তমান বিহালী, বিশ্বনাথত ইউৰিয়া সাৰৰ নাটনিয়ে কৃষক ৰাইজক চিন্তিত কৰি তুলিছে। বৰ্তমান বিহালী, বিশ্বনাথত প্ৰকৃত কৃষক কৃষি বিভাগৰ সুবিধা লাভৰ পৰাও বঞ্চিতৰ অভিযোগ উত্থাপন কৰাৰ লগতে ইউৰিয়া সাৰৰ বৃহৎ ছিণ্ডিকেটৰ অভিযোগ তুলিছে বিশ্বনাথ জিলা অনুসূচিত জাতি যুৱ ছাত্ৰ সন্থাৰ সভাপতি, তথা কৃষক সিংহজিৎ হাজৰিকায়ে। এই ক্ষেত্ৰত কৃষি মন্ত্ৰী পীযুষ হাজৰিকাৰ হস্তক্ষেপ দাবী জনাইছে নেতাগৰাকীয়ে।

## নাজিৰাত পথ দুৰ্ঘটনা; এজনৰ অৱস্থা সংকটজনক

**অসম বাৰ্তা, নামতি, ২১ জুন ঃ** আজি পুৱা প্ৰায় ৭ বজাত নাজিৰা নগৰৰ মাজমজিয়াৰ টকৌ আলি পথত সংঘটিত এক পথ দুৰ্ঘটনাত এজন ব্যক্তি সংকটজনক অৱস্থাত ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। ঘটনা মৰ্মে, পুৱা ওপৰ নাজিৰাৰ নাৰায়ণ ডেকা নামৰ প্ৰায় ৪৯ বছৰীয়া ব্যক্তি জনে দেওবৰীয়া বজাৰলৈ বুলি ক্ষুদ্ৰ ব্যৱসায়ৰ বাবে ওলাই আহি থাকোঁতে জনৈক চেতিয়া উপাধিৰ ব্যক্তি জনে চলাই অহা নিজা এ এছ ০ ৩ ৱাই ৯২৩৫ নম্বৰৰ আই ভি টি ই ই (i-VTEE)বিলাসী গাড়ী খনে খুন্দা মৰাত ক্ষুদ্ৰ ব্যৱসায়ীজন ৰাজপথৰ মাজতে ওফৰি কিছু দূৰত পৰিব মূৰত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। গাড়ীৰ গৰাকী তথা চালকজনে স্থানীয় ৰাইজৰ সহযোগত লগে লগে লিগিৰী পুখুৰীস্থ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া অসামৰিক চিকিৎসালয়লৈ নিয়ে যদিও অৱস্থা সংকটজনক হোৱাত ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসালয়লৈ প্ৰেৰণ কৰে। বৰ্তমান ডিব্ৰুগড় চিকিৎসালয়ত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত নাৰায়ণ ডেকা অধিক সংকটজনক বুলি পৰিয়ালৰ সূত্ৰে জানিব পৰা গৈছে। ইফালে ঘটনাৰ খবৰ পাই নাজিৰা আদৰ্শ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ নেতৃত্বত আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ তদন্ত অব্যাহত ৰখাৰ লগতে চেতিয়াৰ গাড়ীখন জব্দ কৰিছে।

## শঙ্কৰদেৱ মহাবিদ্যালয়ত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস আৰু বক্তৃতা অনুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, বান্দৰদেৱা, ২১ জুন ঃ** আজি আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস। সমগ্ৰ দেশৰ লগতে আজি লখিমপুৰ জিলা খনৰ বিভিন্ন প্ৰান্তত, অনুষ্ঠান প্ৰতিষ্ঠানত, যোগ দিৱস পালন কৰিছে। আজি আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ লগত সংগতি ৰাখি বিহপুৰীয়া বিধানসভা সমষ্টি ভিত্তিত শঙ্কৰদেৱ মহাবিদ্যালয়ত সমষ্টিটোৰ বিভিন্ন চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান, বিভিন্ন ক্ৰিয়া সংগঠক, শিক্ষক-শিক্ষয়িত্ৰী, বিশিষ্ট ব্যক্তি, ছাত্ৰ-ছাত্ৰীকে ধৰি বৃহত্তৰ অঞ্চলটোৰ গণ্য-মান্য ব্যক্তি সকলে যোগ দিৱসত সহযোগিতা কৰি যোগাভ্যাস আৰু সজাগতা শিবিৰত অংশ গ্ৰহণ কৰে। উল্লেখ্য যে উক্ত অনুষ্ঠানত স্থানীয় বিধায়ক ভূপেন কুমাৰ বৰাকে ধৰি যোগসম্ৰাট বেদকান্ত মহন্ত, বিহপুৰীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমূল্য কুমাৰ হাজৰিকা, খেৰাজখাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মৃদুল বুঢ়াগোঁহাই আৰু শংকৰদেৱ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সোণাৰাম কলিতাই অনুষ্ঠানত অংশ গ্ৰহণ কৰে। তদুপৰি আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ লগত সংহতি ৰাখি শংকৰদেৱ মহাবিদ্যালয়ৰ Yoga and Meditation Centre বিভাগে ভাৰতীয় দাৰ্শনিক গৱেষণা পৰিষদৰ অৰ্থেৰে অনুষ্ঠিত কৰা "যোগ আৰু বিজ্ঞান" A Comprehensive Study শীৰ্ষক এক গাম্ভীৰ্যপূৰ্ণ বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰে মহাবিদ্যালয়খনৰ ডিজিটেল হলত। উক্ত অনুষ্ঠানত ড° তুলিকা বৰুৱা, ড° লক্ষ্মীৰাম ভূঞা, বেদসম্ৰাট বেদকান্ত মহন্ত আৰু সঞ্জীৱ বৰাই সমল ব্যক্তি হিচাপে উপস্থিত থাকি যোগৰ দ্বাৰা কেনেকৈ এজন ব্যক্তিৰ মন আৰু শৰীৰটো সদায় নিৰোগী আৰু স্বাস্থ্যবান কৰি ৰাখিব পাৰি এই সন্দৰ্ভত বিস্তৃত ব্যাখ্যাৰে কেওগৰাকীয়ে সুন্দৰ ভাষণ প্ৰদান কৰা পৰিলক্ষিত হয়।

### 'আতমা' আৰু কৃষি বিভাগৰ উদ্যোগত গড়মূৰত বিশেষ সামগ্ৰী তথা প্ৰযুক্তি বিতৰণ

# বহিঃৰাজ্যত ছিকিউৰিটি গাৰ্ডৰ চাকৰি কৰিব নালাগে, বৈজ্ঞানিক পদ্ধতিৰে খেতি কৰক ঃ বিধায়ক ভুৱন গাম



## মাজুলীৰ কৃষকৰ সৰলীকৰণৰ বাবে জিলা কৃষি বিভাগৰ বৃহৎ পদক্ষেপ

**অসম বাৰ্তা, উজনী মাজুলী, ২১ জুন ঃ** বিশ্বৰ বৃহত্তম নদীদ্বীপ মাজুলীৰ কৃষি খণ্ডৰ সৰ্বাংগীণ উন্নয়ন আৰু থলুৱা কৃষকসকলক আৰ্থিকভাৱে স্বাৱলম্বী কৰি তোলাৰ লক্ষ্যৰে জিলা কৃষি বিভাগে গ্ৰহণ কৰিছে এক বৃহৎ পদক্ষেপ। মাজুলী জিলা কৃষি বিভাগ আৰু কৃষি প্ৰযুক্তি ব্যৱস্থাপনা সংস্থা, চমুকৈ 'আতমা'ৰ যৌথ উদ্যোগত গড়মূৰত এক বিশেষ সামগ্ৰী বিতৰণ অনুষ্ঠান সফলতাৰে সম্পন্ন হয়। ২০২৬-২৭ বৰ্ষৰ প্ৰদৰ্শনীমূলক খেতিৰ বাবে মাজুলীৰ ৩০ গৰাকী প্ৰগতিশীল কৃষকক আনুষ্ঠানিকভাৱে উন্নতমানৰ শালি ধানৰ বীজ আৰু বিভিন্ন অত্যাধুনিক কৃষি সামগ্ৰী প্ৰদান কৰা হয়। ইয়াৰ উপৰি, মিশ্ৰিত কৃষিৰ জৰিয়তে কৃষকসকলৰ আয় দুগুণ কৰাৰ উদ্দেশ্যৰে হিতাধিকাৰীসকলৰ মাজত উন্নত জাতৰ হাঁহৰ পোৱালিও বিতৰণ কৰা হয়। মাজুলী আৰু উজনি মাজুলী কৃষি চক্ৰৰ অধীনৰ বাছনি কৰা কৃষকসকলক এই অভিলাষী আঁচনিৰ অন্তভুক্ত কৰা হৈছে। অকল বীজ বা হাঁহৰ পোৱালি বিতৰণতে সীমাবদ্ধ নাথাকি, আজিৰ এই বিশেষ অনুষ্ঠানতে মাজুলীৰ কৃষিখণ্ডলৈ এক বৈপ্-ৱিক পৰিৱৰ্তন আনিব পৰা আধুনিক প্ৰযুক্তিৰো সংযোজন ঘটোৱা হয়। উদ্যান শস্য বিভাগৰ আঁচনিৰ অধীনত 'মাজুলী ৰিভাৰ বেংক কৃষক উৎপাদক কোম্পানীক এটা অত্যাধুনিক 'ড্ৰায়াৰ মেচিন' প্ৰদান কৰা হয়। কৃষি বিভাগৰ বিষয়ববীয়াসকলে জানিবলৈ দিয়া মতে, এই আধুনিক ড্ৰায়াৰ মেচিনটোৰ সহায়ত মাজুলীৰ কৃষকসকলে এতিয়াৰে পৰা নিজৰ উৎপাদিত কৃষিজাত সামগ্ৰীসমূহ নষ্ট নোহোৱাকৈ দীৰ্ঘদিন ধৰি সংৰক্ষণ কৰি ৰাখিব পাৰিব। প্ৰাকৃতিক দুৰ্যোগ বা বানপানীৰ সময়ত শস্য সংৰক্ষণৰ যি ডাঙৰ সমস্যা আছিল, এই মেচিনে তাক বহু পৰিমাণে দূৰ কৰিব। উৎপাদিত সামগ্ৰীৰ গুণগত মানদণ্ড উন্নত কৰাৰ লগতে বজাৰত যাতে কৃষকসকলে উচিত মূল্য লাভ কৰিব পাৰে, তাৰ বাবে এই সঁজুলিয়ে বিশেষভাৱে সহায় কৰিব বুলি কৃষি বিভাগ আশাবাদী। উল্লেখ্য যে, শেহতীয়াকৈ পিয়ুষ হাজৰিকাই ৰাজ্যৰ কৃষি মন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছৰে পৰা সমগ্ৰ অসমৰ লগতে মাজুলীৰো কৃষি বিভাগ পূৰ্বতকৈ অধিক সক্ৰিয় আৰু ততপৰ হৈ পৰা পৰিলক্ষিত হৈছে। গড়মূৰৰ এই গুৰুত্বপূৰ্ণ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি কৃষক সমাজক উৎসাহিত কৰে স্থানীয় বিধায়ক ভুৱন গামে। তেওঁ হিতাধিকাৰীসকলৰ হাতত চৰকাৰী সাহায্যসমূহ তুলি দি এক প্ৰেৰণাদায়ক বক্তব্য প্ৰদান কৰে। বিধায়কগৰাকীয়ে বিশেষকৈ নতুন প্ৰজন্মক কৃষিকাৰ্যৰ প্ৰতি আকৰ্ষিত হ'বলৈ আহ্বান জনাই কয় "আমাৰ যুৱক-যুৱতীসকল কৃষি খণ্ডৰ লগত জড়িত হ'ব লাগে। বৈজ্ঞানিক পদ্ধতিৰে আধুনিক কৃষি কাৰ্য কৰি স্বাৱলম্বী হ'লে আমাৰ ডেকা-গাভৰুৱে সংস্থাপনৰ সন্ধানত বহিঃৰাজ্যলৈ গৈ 'ছিকিউৰিটি গাৰ্ড'ৰ চাকৰি কৰিবলগীয়া পৰিস্থিতি নাহে। নিজৰ মাটিতেই সোণ বুটলি দেশৰ অৰ্থনীতিলৈ বৰঙণি যোগাব পৰা যায়।" তেওঁ লগতে আশ্বাস প্ৰদান কৰে যে চৰকাৰে কৃষকসকলক সহায় কৰিবলৈ সদায় সাজু আৰু তেওঁ নিজেও ব্যক্তিগতভাৱে মাজুলীৰ কৃষক সমাজৰ উন্নয়নৰ বাবে সকলো ধৰণৰ সহযোগিতা আগবঢ়াই যাব। আজিৰ এই বিশেষ অনুষ্ঠানটো অতি সুচাৰুৰূপে আঁত ধৰে উজনি মাজুলী জেংৰাই কৃষি চক্ৰৰ বিষয়া ৰাজা ফুকনে। অনুষ্ঠানৰ আৰম্ভণিতে সমবেত ৰাইজ তথা কৃষকসকলক আদৰণি জনাই আদৰণি ভাষণ প্ৰদান কৰে মাজুলী জিলা কৃষি বিষয়া নাচিৰ ইকবালে। তেওঁ জিলাখনত কৃষি বিভাগৰ আগন্তুক পৰিকল্পনাসমূহৰ বিষয়েও আলোকপাত কৰে। উক্ত অনুষ্ঠানত 'আতমা'ৰ সমূহ বিষয়ববীয়া, কৃষি বিভাগৰ কৰ্মচাৰী আৰু অঞ্চলটোৰ অৰ্ধশতাধিক প্ৰগতিশীল কৃষক উপস্থিত থাকি অনুষ্ঠানটো সফল কৰি তোলে। চৰকাৰ আৰু কৃষি বিভাগৰ এই যোগাত্মক পদক্ষেপে আগন্তুক দিনত মাজুলীৰ গ্ৰাম্য অৰ্থনীতিলৈ এক আশাৰ বতৰা কঢ়িয়াই আনিছে।

# ডিব্ৰুগড়ত অসম সাহিত্য সভাৰ অন্তৰ্গত ৰামধেনু শতদল শাখা সাহিত্য সভাৰ ৰাভা দিৱস পালন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২১ জুন ঃ** ডিব্ৰুগড়ত অসম সাহিত্য সভাৰ অন্তৰ্গত ৰামধেনু শতদল শাখা সাহিত্য সভাই ডিব্ৰুগড়ৰ বঙাল গাঁও প্ৰাথমিক বিদ্যালয় প্ৰাংগনত তথা লাহোৱাল শিক্ষা খণ্ডৰ বিদ্যালয়ত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা মৃত্যু দিৱস ৰাভা দিৱস হিচাপে পালন কৰা হয়। এই উদ্দেশ্যে অনুষ্ঠিত হোৱা সভাৰ আৰম্ভণিতে ৰাভাৰ প্ৰতিচ্ছবিত বন্তি বিভিন্ন জনে বন্তি প্ৰজ্বলন কৰাৰ লগতে তেখেতৰ ৰচিত গীত পৰিৱেশন কৰা হয়। সভাত অসম সাহিত্য সভাৰ আজীৱন সভ্য স্বীকৃতি লাভ কৰা তথা শ্বহীদ কুশল কোঁৱৰৰ স্মৃতি ৰক্ষা সমিতিৰ কোষাধ্যক্ষ পৱন গাৰোডিয়াই বিষ্ণু প্ৰাসাদ ৰাভাৰ জীৱনৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰে। ৰামধেনু শতদল শাখা সাহিত্য সভাৰ উপ-সভাপতি ৰত্নেশ্বৰ ফুকন, সহকাৰী সম্পাদক বিমল চন্দ্ৰ দত্ত, শাখা সাহিত্য সভাৰ সম্পাদক অনিল প্ৰসাদ সিংহ, সদস্য ৰঞ্জিত মেছ, ৰামধেনু শতদল শাখা সাহিত্য সভাৰ আজীৱন সভ্য মীন বিভাগৰ যুটীয়া সঞ্চালক মনিৰুদ্দিন আহমেদ, ৰামধেনু শতদল শাখা সাহিত্য সভাৰ আজীৱন সভ্য স্বীকৃতি লাভ কৰা মহেশ্বৰ তেলি, নোমল মেচ, দিজুল শইকীয়া, সহ: শিক্ষয়িত্ৰী বিভা চেতিয়া, প্ৰধান শিক্ষয়িত্ৰী মূনালি বুঢ়াগোহাঁই, কল্পনা শইকীয়া, আজীৱন সভ্য, গাঁও প্ৰধান বিশ্বজিৎ মেছ, আজীৱন সভ্য ভূপেন ফুকন, শতদল শাখা সাহিত্য সভাৰ প্ৰচাৰ সম্পাদক এম হাছিম আলী, আদিয়ে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাক শ্ৰদ্ধাৰে সোঁৱৰে।

## ২৪ নং বাহিনী, সশস্ত্ৰ সীমা বল (SSB), ৰঙিয়াৰ উদ্যোগত বিনামূলীয়া মানৱ চিকিৎসা শিবিৰৰ আয়োজন

**অসম বাৰ্তা, মঙলদৈ, ২১ জুন ঃ** শ্ৰী এইচ. কে. গুপ্তা, কমাণ্ডেণ্ট, ২৪ নং বাহিনী, সশস্ত্ৰ সীমা বল (SSB), ৰঙিয়াৰ দক্ষ নিৰ্দেশনাত নাগৰিক কল্যাণ কাৰ্যসূচীৰ অন্তৰ্গত কাৰ্যসূচীৰ অধীনত ২০.০৬.২০২৬ তাৰিখে এক বিনামূলীয়া মানৱ চিকিৎসা শিবিৰ Medical Civic Action (MCA) সফলতাৰে আয়োজন কৰা হয়। এই শিবিৰ SSB ৰ যি সমৱায়ৰ সীমা চকী গাইডেন চকৰ অন্তৰ্গত খৈৰাবাৰী গাঁৱত আয়োজন কৰা হয়। এই চিকিৎসা শিবিৰৰ নেতৃত্ব দিয়ে ২৪নং বাহিনীৰ ডাঃ বন্দনা দেৱী খৰিবাম, উপ কমাণ্ডেণ্ট (চিকিৎসা) এ যত ২৪ নং বাহিনী, SSB, ৰঙিয়াৰ চিকিৎসা দলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। এই কাৰ্যসূচীৰ মূল উদ্দেশ্য আছিল সীমান্তৱৰ্তী অঞ্চলত বাস কৰা লোকসকলক বিনামূলীয়া স্বাস্থ্যসেৱা আগবঢ়োৱা আৰু স্বাস্থ্য তথা পৰিচ্ছন্নতাৰ প্ৰতি সজাগতা বৃদ্ধি কৰা। কাৰ্যসূচীৰ জৰিয়তে চিকিৎসক আৰু স্বাস্থ্যকৰ্মীসকলে ভাৰত-ভূটান সীমান্তৰ নিকটৱৰ্তী গাঁওসমূহৰ লোকসকলৰ স্বাস্থ্য পৰীক্ষা আৰু চিকিৎসা সম্পন্ন কৰে। এই শিবিৰৰ জৰিয়তে মুঠ ১২১জন হিতাধিকাৰী লাভান্বিত হয়, যাৰ ভিতৰত ৪৩জন পুৰুষ, ৭১জন মহিলা আৰু ৭জন শিশু অন্তৰ্ভুক্ত আছিল। ইয়াৰ উপৰিও সীমান্তৱৰ্তী অঞ্চলৰ বাসিন্দাসকলক ৰোগ প্ৰতিৰোধ, টীকাকৰণ আৰু পৰিচ্ছন্নতাৰ বিষয়ে প্ৰয়োজনীয় তথ্য প্ৰদান কৰা হয় আৰু হিতাধিকাৰীসকলৰ মাজত বিনামূলীয়াকৈ ঔষধ বিতৰণ কৰা হয়। গাঁওবাসীসকলে এই পদক্ষেপক আন্তৰিকভাৱে শলাগ লয় আৰু ভৱিষ্যততো এনে জনকল্যাণমূলক কাৰ্যসূচী আয়োজন হোৱাৰ আশা ব্যক্ত কৰে। ২৪ নং বাহিনী, SSB, ৰঙিয়াই নিজৰ দায়িত্বৰ অঞ্চলত কেৱল মানৱ চিকিৎসা শিবিৰেই আয়োজন নকৰে, বৰং সীমান্তৱৰ্তী অঞ্চলসমূহত বিনামূলীয়া এম্বুলেন্স সেৱা আগবঢ়োৱাৰ লগতে পশু চিকিৎসা শিবিৰো আয়োজন কৰি আহিছে। ইয়াৰ জৰিয়তে সীমান্তৱৰ্তী অঞ্চলৰ যিকোনো নাগৰিকে স্বাস্থ্যজনিত সমস্যাৰ ক্ষেত্ৰত এম্বুলেন্স সহায়তা আৰু চিকিৎসা পৰামৰ্শ লাভ কৰিব পাৰে। ভাৰত-ভূটান সীমান্তৰ সুৰক্ষা নিশ্চিত কৰাৰ লগতে ২৪ নং বাহিনী, সশস্ত্ৰ সীমা বল, ৰঙিয়া সমাজ আৰু নাগৰিকসকলৰ সেৱাৰ বাবে সদায় প্ৰতিশ্ৰুতিবদ্ধ আৰু প্ৰয়োজন অনুসৰি সকলো ধৰণৰ সহায় আগবঢ়াবলৈ সদায় সজাগ আৰু তৎপৰ।

# গোলাঘাট জামুগুৰি প্ৰেছ ক্লাবৰ উদ্যোগত ১১০ গৰাকী কৃতীমানক বিশেষ অভিনন্দন

### কেইবাজনো শিক্ষক আৰু ছাত্ৰলৈ বহুকেইটা সন্মান বঁটা প্ৰদান লগতে সন্মান প্ৰদান অনুষ্ঠান

**অসম বাৰ্তা, মেৰাপানী, ২১ জুন ঃ** গোলাঘাট জিলাৰ জামুগুৰি প্ৰেছ ক্লাবৰ উদ্যোগত ১৮ জুনত কৃতী ছাত্ৰ-ছাত্ৰীৰ বিশেষ অভিনন্দন আৰু শৈক্ষিক বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হয়। সেই উপলক্ষে উক্ত দিনা পুৱা পতাকা উত্তোলন কৰে জামুগুৰি প্ৰেছ ক্লাবৰ সভাপতি প্ৰেসনজিৎ শইকীয়া আৰু উপ-সভাপতি নোমল শইকীয়াই, স্মৃতি তৰ্পণ কৰে প্ৰেছ ক্লাবৰ কাৰ্যকৰী সভাপতি মৃদুল বৰা আৰু উপদেষ্টা গৌৰি শংকৰ ফুকনে, গণশিল্পী জুবিন গাৰ্গ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে প্ৰেছ ক্লাবৰ উপ-সভাপতি খগেন বৰাই, ইয়াৰ পাছত ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত সাহিত্য প্ৰতিযোগিতাত প্ৰায় ডেৰ শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। দিনৰ এক বজাত জ্যেষ্ঠ সাংবাদিক ৰোহিত গগৈ সঞ্চালনত অনুষ্ঠিত হোৱা কৃতী ছাত্ৰ-ছাত্ৰীৰ বিশেষ অভিনন্দন আৰু শৈক্ষিক বঁটা প্ৰদান অনুষ্ঠান উদ্বোধন কৰে বোকাখাত চন্দ্ৰ নাথ বেজবৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুৰিজৎ দত্তই। জামুগুৰি প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক পাৰ্থ প্ৰতিম শইকীয়াই আঁত ধৰা সভাত আদৰণি ভাষণ কৰে ক্লাবৰ যুটীয়া সম্পাদক ৰিতুপণ দত্তই, সভাত বিশিষ্ট ঔপন্যাসিক, প্ৰবন্ধকাৰ জুৰী বৰা বৰগোহাঞিয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি ভাষণ। প্ৰসংগত কয় যে ২০৩৫ চনত আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ ধৈৰ্য সীমা হ'বগৈ মাথোঁ আঢ়ৈ মিনিট। বৰ্তমান সময়ত আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ ধৈৰ্যৰ সীমা মাথোঁ দহ মিনিট। যিকোনো এটা কাম কৰিবল যাওঁতে মাথোঁ দহ মিনিট সময় একেৰাহে ধৈৰ্য থাকে। ইয়াৰ মূলতে হ'ল "ফৰ জি', ফাইভ জি'ৰ দৰে মোবাইল ফোন ব্যৱহাৰ। ইফালে উক্ত সভাত আপকুৰ কেন্দ্ৰীয় সম্পাদক সম্পাদক প্ৰণৱ চক্ৰৱৰ্ত্তী, সাংবাদিক বিবেকানন্দ দত্ত, প্ৰাক্তন ছাত্ৰ নেতা মনচুম বৰা, অসম জাতীয়তাবাদী যুৱ পৰিষদৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক ৰাজীৱ লস্কৰ, অসম জাতীয়তাবাদী যুৱ পৰিষদৰ গোলাঘাট জিলা সমিতিৰ গোলাঘাট জিলা সমিতিৰ সাধাৰণ সম্পাদক পাৰ্থ প্ৰতিম গগৈ, লক্ষ্মীপুৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বিশ্বপ্ৰাণ শইকীয়া, জামুগুৰি আদৰ্শ জাতীয় বিদ্যাপীঠৰ অধ্যক্ষা চিত্ৰলেখা কলিতা, মিলনজ্যোতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অজিত দত্ত, নোগোৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক জীৱনজ্যোতি ফুকন, উমানন্দ ফুকনকে প্ৰমোখ্য কৰি কেইবাজনো বিশিষ্ট শিক্ষাবিদে অংশগ্ৰহণ কৰা অনুষ্ঠানত বিশিষ্ট শিক্ষবিদ যোগেশ্বৰ শইকীয়াক "শিক্ষাৰত্ন", জীতেন বৰাক "শিক্ষাজ্যোতি" আৰু ডম্বৰু শইকীয়াক "সমাজৰত্ন" সন্মান প্ৰদান কৰা হয়। ইফালে অনুষ্ঠানতে জামুগুৰি জাতীয় বিদ্যালয়ৰ ছাত্ৰ তথা ১ নং জামুগুৰিৰ দেৱাশিষ হাজৰিকা আৰু পপী সন্দিকৈ হাজৰিকাৰ সুযোগ্য সন্তান দীক্ষান্ত হাজৰিকাক জামুগুৰি পৰীক্ষা কেন্দ্ৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত সৰ্ব্বোচ নম্বৰ লাভ কৰাৰ বাবে "বীৰ বিৰোচন চুতীয়া", একেখন বিদ্যালয়ৰ ছাত্ৰ তথা ধনশিৰি মহকুমাৰ ১ নং তামোলী গাঁৱৰ বিনয় বৰা আৰু সুৰ্বণ বৰাৰ সুযোগ্য সন্তান মৌচুম বৰাক ৰাজ্যিক পৰ্যায়ত জাতীয় বিদ্যালয়ৰ ভিতৰত উচ্চতৰ মাধ্যমক চূড়ান্ত পৰীক্ষাত কলা শাখাত সৰ্ব্বোচ নম্বৰ লাভ কৰাৰ বাবৰ "সুৰেন শইকীয়া" সোঁৱৰণী, ৰামানুজন চিনিয়ৰ ছেকেণ্ডাৰী স্কুল, নগাঁৱৰ ছাত্ৰ তথা জামুগুৰি নাহৰজানৰ নিবাসী শিক্ষক পদ্মেশ্বৰ নাগ আৰু পুষ্পাঞ্জলি নাগৰ সুযোগ্য সন্তান শিৱজ্যোতি নাগক "খগেশ্বৰ শইকীয়া" সোঁৱৰণী শৈক্ষিক বঁটা প্ৰদান কৰা হয়। উক্ত বঁটাত আছিল এখন ফুলাম গামোচা, বস্ত্ৰ, গ্ৰন্থৰ টোপোল, কলম, জাপি, গছপুলি, স্মাৰক, নগদ ধন আৰু অভিনন্দন পত্ৰ। আনহাতে উক্ত অনুষ্ঠানতে জামুগুৰি থানা এলেকা আৰু দাঁতি কাষৰীয়া এলেকাৰ উচ্চ আৰু, উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ষ্টাৰ আৰু ডিষ্টিংচন প্ৰাপ্ত ১১০ গৰাকী কৃতীমানক বস্ত্ৰ, গ্ৰন্থৰ টোপোলা, কলম, গছপুলি আৰু অভিনন্দন পত্ৰৰে অভিনন্দন জনোৱা হয়। ইফালে সন্ধিয়া অনুষ্ঠিত সৃষ্টিশীল নৃত্য প্ৰতিযোগিতাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট সমাজকৰ্মী বিতোপন শইকীয়য, সমন্বয় সাংস্কৃতিক সুৰক্ষা সমিতিৰ, জামুগুৰি সভাপতি লীলা সোণোৱাল, জামুগুৰি গাঁও পঞ্চায়তৰ সভাপতি প্ৰানদীপ দত্ত, জামুগুৰি থানা সমিতিৰ ভাৰপ্ৰাপ্ত বিষয়া পুষ্প কমল বৰুৱা আদিকে প্ৰমোখ্য কৰি কেইবাজনো বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠান সমূহ আঁত ধৰে জামুগুৰি প্ৰেছ ক্লাবৰ হৈ ছবিন দত্ত, অনুপম দত্ত আৰু প্ৰভাত বিশ্বকৰ্মাই।

## সম্পাদকীয়

# শক্তিপীঠৰ মহা-সমাৰোহত নীলাচল

অসমীয়া সংস্কৃতি আৰু আস্থাৰ প্ৰাণকেন্দ্ৰ কামাখ্যা মন্দিৰত আজিৰে পৰা বাৰ্ষিক অম্বুবাচী মহাযোগৰ অমৃতময়ী পৰ্ব। নিশা প্ৰবৃত্তি হ'বলগীয়া এই মহাযোগক লৈ নীলাচল পাহাৰ আজি নতুন উদ্যম আৰু আধ্যাত্মিক চেতনাত উদ্বেলিত। বিশ্ববাসীৰ কৌতূহলৰ কেন্দ্ৰবিন্দু এই শক্তিপীঠত এতিয়া দেশ-বিদেশৰ অগণন সাধু-সন্ন্যাসী আৰু ভক্ত-দৰ্শনাৰ্থীৰ সমাগমে এক অপূৰ্ব পৰিৱেশৰ সৃষ্টি কৰিছে। সনাতন ধৰ্মৰ এই অন্যতম পবিত্ৰ তীৰ্থস্থানত অম্বুবাচীৰ কেইদিন মন্দিৰ বন্ধ থকাৰ নিয়ম অনুসৰি ২৬ জুনত দেৱীস্নান আদি সম্পন্ন কৰি ভক্তৰ বাবে দুৱাৰ মুকলি কৰা হ'ব। এইবাৰ কৰ্তৃপক্ষৰ অনুমান অনুসৰি আঠ লাখৰো অধিক ভক্ত-শ্ৰদ্ধালুৰ আগমন ঘটিব, যি এই শক্তিপীঠৰ প্ৰতি থকা অটল বিশ্বাস আৰু ভক্তিৰ পৰিচায়ক।

অম্বুবাচী মহাযোগ কেৱল এখন ধৰ্মীয় উৎসৱ নহয়; ই হৈছে মাতৃশক্তিক আৰাধনা কৰাৰ এক আধ্যাত্মিক অৱসৰ। এই সময়ছোৱাত শক্তিস্বৰূপা মা কামাখ্যাৰ জপ-তপ আৰু সাধনাই নীলাচল পাহাৰত এক ভিন্ন মাত্ৰা যোগায়। সাধু-সন্ন্যাসী আৰু তান্ত্ৰিকসকলৰ উপস্থিতিয়ে পাহাৰখনক তান্ত্ৰিক সাধনাৰ এক অক্ষুণ্ণ কেন্দ্ৰলৈ পৰিণত কৰে। মন্দিৰ চৌহদৰ প্ৰতিটো কোণত যেন বাজি উঠে শক্তিৰ জয়গান। ভক্তসকলৰ বাবে এই পৰ্বটোৱে হৈছে নিজ পাপৰ পৰা মুক্তি পাবলৈ আৰু মাতৃৰ আশীৰ্বাদ লাভ কৰাৰ এক অতুলনীয় সুযোগ।

কামাখ্যা শক্তিপীঠৰ ইতিহাস আৰু ৰহস্য আজিও মন আৰু মনৰ সীমা অতিক্ৰম কৰা এক অমোঘ বাস্তৱ। পৌৰাণিক মতে, সতী দেৱীৰ যোনিস্থান যি ঠাইত পৰিছিল, সেই পৱিত্ৰ ভূমি নীলাচল পাহাৰ। এই সত্যকেই ভিত্তি কৰি গঢ় লৈ উঠা কামাখ্যা মন্দিৰ তান্ত্ৰিক সাধনাৰ এক অনন্য পীঠস্থান। পাহাৰৰ মাটিৰ ২০ ফুট তলত থকা গুহাত অৱস্থিত এই শক্তিপীঠত প্ৰৱেশ কৰাৰ আগতে ভক্তই সৌভাগ্য কুণ্ডত স্নান কৰি গণেশ দেৱতাক পূজা কৰে। মূল মন্দিৰৰ স্থাপত্যশৈলীও এক অপূৰ্ব। তিনিটা খণ্ডত বিভক্ত এই মন্দিৰৰ এটা পাথৰৰ পৰা অহৰহ পানী নিৰ্গত হৈ থকাটোৱে ইয়াৰ ৰহস্য আৰু অলৌকিকতাকে বহুগুণে বৃদ্ধি কৰিছে। মূল পীঠৰ লগতে দশ মহাবিদ্যাৰ মূৰ্তি, তাৰা, কালী, ভুৱনেশ্বৰীকে ধৰি ১৩টা মন্দিৰে নীলাচলৰ আধ্যাত্মিক সম্পদক সমৃদ্ধ কৰি তুলিছে।

আধ্যাত্মিকতাৰে পৰিপূৰ্ণ এই পৰিৱেশে নীলাচল পাহাৰখনক এখন জীৱন্ত তীৰ্থলৈ ৰূপান্তৰিত কৰে। যিকোনো সময়তে ইয়ালৈ অহা ভক্তসকলে এক অনন্য মানসিক প্ৰশান্তি আৰু সন্তুষ্টি লাভ কৰে বুলি অভিজ্ঞসকলে কয়। এই প্ৰশান্তি আৰু আস্থাই মন্দিৰটোক কেৱল ধৰ্মীয় স্থলী হিচাপেই নহয়, মানৱ মনৰ উৎকণ্ঠা দূৰ কৰা এক আধ্যাত্মিক আশ্ৰম হিচাপেও প্ৰতিষ্ঠা দিছে। অম্বুবাচীৰ সময়ত এই শান্ত পৰিৱেশ যেন উৎসৱমুখৰ হৈ উঠে; সাধু-সন্ন্যাসীৰ লৌকিক-অলৌকিক কাৰ্যকলাপ, ভক্তৰ পদধ্বনি আৰু মন্ত্ৰোচ্চাৰণে সমগ্ৰ পাহাৰখনকে এক মহাসমাৰোহত পৰিণত কৰে।

এই পৰ্বে কেৱল নীলাচলকে উজ্জ্বল কৰাই নহয়, গুৱাহাটী মহানগৰীও ইয়াৰ প্ৰভাৱত সিক্ত হৈ উঠে। ব্যৱস্থাপনা, নিৰাপত্তা আৰু পৰিচালনাৰ দায়িত্বত থকা কৰ্তৃপক্ষই আগন্তুক ভক্তৰ সুবিধাৰ্থে সকলো প্ৰস্তুতি সম্পন্ন কৰিছে। দেৱালয় কৰ্তৃপক্ষই জানিব দিয়া মতে, অম্বুবাচীৰ প্ৰবৃত্তিৰ সময় আৰু মন্দিৰ মুকলিৰ সময়সূচী নিৰ্দিষ্ট কৰি দিয়াৰ লগতে ভক্তসকলক নিয়ম-নীতি মানি চলিবলৈ অনুৰোধ জনাইছে।

সহস্ৰাব্দ পাৰ হৈও কামাখ্যা মন্দিৰৰ আধ্যাত্মিকতা আৰু আস্থা আজিও অক্ষয়। যুগ যুগ ধৰি চলি অহা পৰম্পৰাই মন্দিৰখনক পৰিচালিত কৰি আহিছে। ইয়াত থকা ৰহস্য, বিশ্বাস আৰু প্ৰাণৰ স্পন্দনে সকলোকে আকৰ্ষণ কৰে। অম্বুবাচী মহাযোগ হৈছে এই শক্তিপীঠৰ আধ্যাত্মিক শক্তিৰ উজ্জ্বলতম বহিৰ্প্ৰকাশ। ভক্তসকলৰ বাবে এই সময় হৈছে মাতৃৰ চৰণত নিজকে সমৰ্পণ কৰি পুণ্য আৰ্জনৰ এক সুবৰ্ণ সুযোগ। নীলাচলৰ প্ৰতি থকা এই অটল বিশ্বাস আৰু মা কামাখ্যাৰ কৃপাই যেন ভক্তসকলক সদায় শক্তি আৰু প্ৰেৰণা দিয়ে। অম্বুবাচী মহাযোগৰ এই পৱিত্ৰ পৰ্বই সকলোৰে মনত শান্তি, সমৃদ্ধি আৰু মঙ্গল কামনা কৰোঁ। জয় মা কামাখ্যা।



# শিশুৰ চৰিত্ৰ গঠনত নৈতিক শিক্ষা আৰু দেশপ্ৰেমৰ ভূমিকা

*ৰাজনৈতিক নেতৃত্বৰ ক্ষেত্ৰতো একে কথাই প্ৰযোজ্য। দেশপ্ৰেমৰ প্ৰকৃত অৰ্থ নিজৰ কামৰ প্ৰতি নিষ্ঠা আৰু সমাজৰ প্ৰতি দায়বদ্ধতা। যেতিয়া এগৰাকী ৰাজনৈতিক নেতা আদৰ্শৰ পৰা আঁতৰি কেৱল স্বাৰ্থৰ পিছত দৌৰে, তেতিয়া নতুন প্ৰজন্মৰ চকুতো দেশপ্ৰেমৰ ধাৰণাটো অস্পষ্ট হৈ পৰে। নেতৃত্ব স্থানীয় লোকসকলে নিজৰ ব্যক্তিগত জীৱনৰ শুদ্ধাচাৰৰ জৰিয়তে শিশুসকলক অনুপ্ৰাণিত কৰা উচিত। ৰাজনৈতিক মঞ্চৰ পৰা প্ৰদৰ্শিত ভাষা আৰু আচৰণ আজিৰ শিশুৰ বাবে এক প্ৰত্যক্ষ শিক্ষণৰ উৎস। সেয়েহে, তেওঁলোকৰ কথাত যদি বিনয়, সততা আৰু দেশৰ প্ৰতি থকা দায়বদ্ধতা প্ৰতিফলিত হয়, তেন্তে শিশুসকলৰ মাজত দেশপ্ৰেমৰ ভাৱনা সুদৃঢ় হ'ব। আমি এনে এখন সমাজ আশা কৰোঁ য'ত শিশুসকলৰ বাবে পথ প্ৰদৰ্শক হ'ব তেওঁলোকৰ আদৰ্শৰ ব্যক্তি। শৈক্ষিক নেতৃত্বৰ ক্ষেত্ৰত অৱশ্যে অধিক সাৱধানতা অৱলম্বন কৰা উচিত। কেৱল পৰীক্ষাৰ ফলাফলত ভাল কৰাটোৱেই সফলতা নহয়, মানৱীয় মূল্যবোধৰ ক্ষেত্ৰত শ্ৰেষ্ঠতা অৰ্জন কৰাটোহে মূল কথা।*

মানৱ জীৱনৰ নৈতিকতাৰ প্ৰথম পাঠ ঘৰৰ চোতালতে অংকুৰিত হয়, যাৰ পৰিপক্কতাৰ যাত্ৰা আৰম্ভ হয় বিদ্যালয়ৰ চৌহদত। এজন শিশুৰ মন এখন স্বচ্ছ দাপোণৰ দৰে। আমি যি প্ৰতিফলিত কৰিম, সেই শিশুটিৰ মাজত তেনে প্ৰতিচ্ছবিয়েই গঢ় লৈ উঠিব। বৰ্তমান সমাজত নৈতিক অৱক্ষয়ৰ যি নগ্ন ছবি ফুটি উঠিছে, সেয়া আমাৰ বাবে এক গভীৰ চিন্তনীয় বিষয়। শিশুসকলৰ মাজত নৈতিকতা জগাই তোলাৰ প্ৰাথমিক পদক্ষেপ স্বৰূপে তেওঁলোকক সত্যৰ পথত চলাবলৈ শিকোৱা অতি প্ৰয়োজনীয়। সত্য কেৱল এটা শব্দ নহয়, সত্য এক সুকীয়া জীৱন দৰ্শন। শিশুৱে যেনেকৈ জ্যেষ্ঠসকলৰ পৰা শুনিব, ঠিক তেনেকৈ তেওঁলোকৰ আচৰণত সেই কথা ফুটি উঠিব। আমি যদি তেওঁলোকক সৎ হ'বলৈ উপদেশ দিওঁ, তেন্তে নিজে প্ৰথমে সেই আদৰ্শৰ প্ৰতিচ্ছবি হৈ পৰিব লাগিব। নৈতিকতা কেৱল পুথিগত বিদ্যাত আৱদ্ধ নৰাখিব, ইয়াক প্ৰতিদিনৰ কাৰ্যত অনুশীলন কৰিব লাগিব। প্ৰতিদিনে শিশোৱে কৰা কামবোৰে তেওঁলোকৰ বিবেকক কিদৰে পৰিষ্কাৰ ৰাখিব পাৰে, সেই শিক্ষা প্ৰদান কৰা শিক্ষক আৰু অভিভাৱকৰ মুখ্য দায়িত্ব।

শিশুৰ মনত দেশপ্ৰেমৰ ভাৱ জগাই তুলিবলৈ প্ৰথমে তেওঁলোকক নিজৰ দেশৰ ইতিহাস আৰু সংস্কৃতিৰ সৈতে পৰিচয় কৰি দিয়াটো অপৰিহাৰ্য। দেশপ্ৰেম মানে কেৱল কোনো নিৰ্দিষ্ট দিনত পতাকা উত্তোলনৰ ধৰ্ম পালন কৰাটো নহয়। দেশপ্ৰেম হ'ল নিজৰ দেশৰ মাটি, মানুহ, ভাষা আৰু পৰম্পৰাৰ প্ৰতি থকা অকৃত্ৰিম মৰম। যেতিয়া এজন শিশোৱে নিজৰ দেশৰ গৌৰৱময় ইতিহাস পঢ়িব, তেতিয়া তেওঁৰ মনত স্বাভাৱিকতেই এক গৌৰৱবোধৰ সৃষ্টি হ'ব। আমাৰ দেশখন কিমান ত্যাগ আৰু সংগ্ৰামৰ বিনিময়ত গঢ়ি উঠিছে, সেয়া শিশুসকলক শিকাব লাগিব। আমাৰ বীৰ শ্বহীদসকলৰ বীৰত্বগাঁথা আৰু সমাজ সংস্কাৰকসকলৰ জীৱন যাত্ৰাই শিশুৰ মনত দেশপ্ৰেমৰ অংকুৰণ ঘটাব পাৰে। কিন্তু এই ক্ষেত্ৰত কেৱল কেতাবী জ্ঞানৰ ওপৰত নিৰ্ভৰ কৰিলে সুফল পোৱা নাযাব। তেওঁলোকক ব্যৱহাৰিকভাৱে দেশৰ প্ৰতি থকা দায়িত্বসমূহৰ বিষয়ে অৱগত কৰিব লাগিব। নিজৰ পৰিৱেশ পৰিষ্কাৰ কৰি ৰখা, ৰাজহুৱা সম্পত্তিৰ সুৰক্ষা দিয়া আৰু লগৰীয়াৰ সৈতে মিলিজুলি থকা - এই সকলোবোৰ কাৰ্য দেশপ্ৰেমৰ একোটা অংশ।

শিশুৰ নৈতিকতাৰ ভেটি হ'ল সহানুভূতি। অন্যৰ দুখত দুখী হোৱা আৰু প্ৰয়োজনত সহায় কৰাৰ মানসিকতাই শিশুক এগৰাকী সু-মানুহ হিচাপে গঢ়ি তোলে। বৰ্তমান সময়ত শিশুসকলে কেৱল নিজৰ স্বাৰ্থৰ কথা ভাবিছে। তেওঁলোকৰ মাজত গোটেই পৃথিৱীখনৰ প্ৰতি এক উদাসীনতা গঢ় লৈ উঠা যেন লাগে। এই মনোভাৱ সলনি কৰিবলৈ তেওঁলোকক অনাথ আশ্ৰম বা দৰিদ্ৰ পৰিয়ালক সহায় কৰাৰ দৰে কামত উৎসাহিত কৰিব লাগিব। যেতিয়া



প্ৰেম বৈষ্ণৱ

তেওঁলোকে নিজৰ হাতৰ পৰা উপহাৰ দি আনক আনন্দিত কৰিব, তেতিয়াই তেওঁলোকৰ মনত নৈতিকতাৰ গভীৰ অৰ্থ প্ৰতিষ্ঠিত হ'ব। পঢ়া-শুনাৰ সমান্তৰালকৈ প্ৰত্যেক শিশুৰ মাজত মানৱীয় গুণৰ বিকাশ হোৱাটো খুবেই জৰুৰী। দয়ালুতা, ক্ষমা, ধৈৰ্য, ত্যাগ আৰু সততা যেন তেওঁলোকৰ সহজাত প্ৰবৃত্তি হৈ পৰে, তাৰ বাবে আমি অহোপুৰুষাৰ্থ কৰিব লাগিব।

আজিৰ পৰিৱেশত নৈতিকতা শিক্ষা দিয়াটো এক বৃহৎ প্ৰত্যাহ্বান হৈ পৰিছে, কাৰণ শিশুসকলে ইণ্টাৰনেটৰ জৰিয়তে দেখা বহুতো কথাই তেওঁলোকৰ মানসিক বিকাশত বাধাৰ সৃষ্টি কৰিছে। সেইবাবে তেওঁলোকৰ সৈতে অধিক সময় অতিবাহিত কৰিব লাগিব। তেওঁলোকৰ সৈতে মন খুলি কথা পতা, তেওঁলোকৰ ভয় বা সংশয়বোৰ শুনা আৰু সঠিক পৰামৰ্শ দিয়াটো শিক্ষক বা অভিভাৱকৰ প্ৰধান দায়িত্ব। নৈতিকতা কেৱল ভাল কাম কৰাটোত সীমাবদ্ধ নাৰাখি, ভুল কামৰ পৰা নিজক আঁতৰাই ৰখাটোতো গুৰুত্ব দিব লাগিব। ভুল কৰাটো মানুহৰ স্বভাৱজাত, কিন্তু সেই ভুলটো স্বীকাৰ কৰি পুনৰ নকৰাৰ সাহস সঞ্চয় কৰাটোহে আচল শিক্ষা। সাহস অবিহনে নৈতিকতা অসম্পূৰ্ণ। তেওঁলোকৰ মাজত এনে মানসিক দৃঢ়তা গঢ়ি তুলিব লাগিব যাতে অন্যায়ৰ বিৰুদ্ধে মাত মাতিব পাৰে। দেশপ্ৰেম আৰু নৈতিকতা একেটা মুদ্ৰাৰ দুটা পিঠি। যিজন ব্যক্তি নৈতিকভাৱে সবল, তেওঁ কেতিয়াও নিজৰ দেশৰ অনিষ্ট কৰিব নোৱাৰে। এই দুই গুণৰ সমন্বয়তহে এক সুস্থ সমাজৰ পুনৰ নিৰ্মাণ সম্ভৱপৰ হ'ব।

সমাজৰ সুস্থ পৰিৱেশ নিৰ্মাণত সাংস্কৃতিক আৰু বৌদ্ধিক নেতৃত্বৰ ভূমিকা অতিকৈ গুৰুত্বপূৰ্ণ। কোনো এখন সমাজক যদি এটা জীৱন্ত শৰীৰ বুলি ধৰা হয়, তেন্তে বৌদ্ধিক আৰু সাংস্কৃতিক নেতৃত্ব হ'ল তাৰ মগজু। যি সময়ত সমাজৰ আৰ্হি স্বৰূপ ব্যক্তি তথা নেতৃত্বস্থানীয় লোকসকল নৈতিক আদৰ্শৰ পৰা বিচ্ছুৰিত হয়, তেতিয়া সেই সমাজত এক প্ৰকাৰৰ নৈৰাজ্য বা উচ্ছৃঙ্খলতাৰ সূত্ৰপাত ঘটে। শিশুসকলৰ মাজত নৈতিকতা আৰু দেশপ্ৰেমৰ শিক্ষা কেৱল পাঠ্যপুথিত সীমাবদ্ধ ৰাখিলে নহ'ব, তেওঁলোকে নিজৰ চাৰিওফালে দেখা ব্যক্তিবিশেষৰ আচৰণৰ দ্বাৰাও প্ৰভাৱিত হয়। আমাৰ সমাজৰ সাংস্কৃতিক অনুষ্ঠান, সাহিত্য-চৰ্চা আৰু শৈক্ষিক ক্ষেত্ৰত যিসকলে নেতৃত্ব বহন কৰে, তেওঁলোকৰ ব্যক্তিত্বত যদি নৈতিক স্খলন দেখা দিয়ে, তেন্তে তাৰ নেতিবাচক প্ৰভাৱ পোনপটীয়াভাৱে কোমলমতি শিশুসকলৰ ওপৰত পৰে।

সাংস্কৃতিক জগতৰ লগত জড়িত ব্যক্তিসকলৰ আচৰণে শিশুৰ অন্তৰত গভীৰ প্ৰভাৱ পেলায়। সংগীত, নাটক, সাহিত্য আৰু গণ-মাধ্যমৰ জৰিয়তে প্ৰচাৰিত হোৱা আদৰ্শই শিশুৰ মনৰ গতিপথ নিৰ্ধাৰণ কৰে। আজিৰ যুগৰ সমাজত যিধৰণৰ উচ্ছৃঙ্খলতা বা নৈতিক বিস্খলন দেখা গৈছে, তাৰ প্ৰতিৰোধৰ বাবে আমাৰ সাংস্কৃতিক কৰ্মীসকলে নিজৰ সৃষ্টিৰ মাজেৰে ইতিবাচক বাৰ্তা প্ৰেৰণ কৰা অতি প্ৰয়োজনীয়। শিল্পকলাক কেৱল বিনোদনৰ আহিলা হিচাপে ব্যৱহাৰ নকৰি, তাক এক সুস্থ সমাজ গঢ়াৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিব লাগিব। যেতিয়া শিশোৱে দেখে যে তেওঁৰ আদৰ্শ ব্যক্তিজনৰ জীৱনত সততা আৰু দেশপ্ৰেমৰ অটল বিশ্বাস আছে, তেতিয়া তেওঁৰ মনতো সেই গুণবোৰ স্বাভাৱিকভাৱে গঢ় লৈ উঠে। বৌদ্ধিক নেতৃত্বৰ দায়িত্ব সমাজক আন্ধাৰৰ পৰা পোহৰৰ দিশলৈ লৈ যোৱা, কিন্তু তাৰ বাবে প্ৰথমে সেই নেতাসকলে নিজৰ মনক নিয়ন্ত্ৰণ কৰিবলৈ শিকিব লাগিব।

ৰাজনৈতিক নেতৃত্বৰ ক্ষেত্ৰতো একে কথাই প্ৰযোজ্য। দেশপ্ৰেমৰ প্ৰকৃত অৰ্থ নিজৰ কামৰ প্ৰতি নিষ্ঠা আৰু সমাজৰ প্ৰতি দায়বদ্ধতা। যেতিয়া এগৰাকী ৰাজনৈতিক নেতা আদৰ্শৰ পৰা আঁতৰি কেৱল স্বাৰ্থৰ পিছত দৌৰে, তেতিয়া নতুন প্ৰজন্মৰ চকুতো দেশপ্ৰেমৰ ধাৰণাটো অস্পষ্ট হৈ পৰে। নেতৃত্বস্থানীয় লোকসকলে নিজৰ ব্যক্তিগত জীৱনৰ শুদ্ধাচাৰৰ জৰিয়তে শিশুসকলক অনুপ্ৰাণিত কৰা উচিত। ৰাজনৈতিক মঞ্চৰ পৰা প্ৰদৰ্শিত ভাষা আৰু আচৰণ আজিৰ শিশুৰ বাবে এক প্ৰত্যক্ষ শিক্ষণৰ উৎস। সেয়েহে, তেওঁলোকৰ কথাত যদি বিনয়, সততা আৰু দেশৰ প্ৰতি থকা দায়বদ্ধতা প্ৰতিফলিত হয়, তেন্তে শিশুসকলৰ মাজত দেশপ্ৰেমৰ ভাৱনা সুদৃঢ় হ'ব। আমি এনে এখন সমাজ আশা কৰোঁ য'ত শিশুসকলৰ বাবে পথ প্ৰদৰ্শক হ'ব তেওঁলোকৰ আদৰ্শৰ ব্যক্তি।

শৈক্ষিক নেতৃত্বৰ ক্ষেত্ৰত অৱশ্যে অধিক সাৱধানতা অৱলম্বন কৰা উচিত। কেৱল পৰীক্ষাৰ ফলাফলত ভাল কৰাটোৱেই সফলতা নহয়, মানৱীয় মূল্যবোধৰ ক্ষেত্ৰত শ্ৰেষ্ঠতা অৰ্জন কৰাটোহে মূল কথা। আমাৰ শৈক্ষিক পৰিকাঠামোত যদি নৈতিক শিক্ষাৰ লগতে দেশপ্ৰেমৰ চৰ্চা নাথাকে, তেন্তে ভৱিষ্যতৰ প্ৰজন্মক কেনেকৈ উন্নত নাগৰিক কৰি তুলিব পাৰিম? বৌদ্ধিক নেতৃত্বই সদায় সমাজৰ চিন্তাশীল দিশটোক প্ৰতিনিধিত্ব কৰে। তেওঁলোকে শিশুৰ মনত কৌতূহলৰ লগতে সুস্থ চিন্তা-ধাৰাৰ বীজ সিঁচিব লাগে। কোনো এক উগ্ৰবাদ বা বিভেদকামী চিন্তাই যাতে শিশুৰ কোমল মনক কলুষিত কৰিব নোৱাৰে, তাৰ প্ৰতি সদা সচেতন থাকিব লাগে।

অৱশেষত ক'ব পাৰি যে, সমাজৰ নেতৃত্বত থকা ব্যক্তিসকল যদি একনিষ্ঠ আৰু নৈতিকভাৱে দৃঢ় হয়, তেন্তে কোনো শক্তিয়ে শিশুৰ মনৰ পৰা মূল্যবোধক আঁতৰাব নোৱাৰে। আমি প্ৰতিগৰাকী শিশুৰ কাষত এনে এক বাতাবৰণ গঢ়ি তুলিব লাগিব য'ত তেওঁলোকে নিজৰ চৰিত্ৰ গঠনৰ সঠিক দিশ লাভ কৰিব। ইয়াৰ বাবে আমাৰ সাংস্কৃতিক, শৈক্ষিক আৰু ৰাজনৈতিক নেতাসকলে নিজৰ দায়বদ্ধতা পুনৰ বিবেচনা কৰিব লাগিব। নেতৃত্ব মানে কেৱল আদেশ দিয়া নহয়, নেতৃত্ব মানে পথ প্ৰদৰ্শন কৰা।

আমি আমাৰ অনাগত দিনৰ উত্তৰসূৰীসকলক এনে এটা ভেটি দি থৈ যাব লাগে, য'ত তেওঁলোকে গৰ্বেৰে ক'ব পাৰে যে আমাৰ সমাজত নৈতিকতা আৰু দেশপ্ৰেম কেৱল শব্দ নহয়, সেয়া জীৱনৰ অংগ। আমাৰ সংস্কৃতিৰ মূল ভেটিটো মানৱতা আৰু প্ৰেম। এই ভেটিটো শক্তিশালী কৰিলেহে আমাৰ দেশৰ অনাগত ভৱিষ্যত সুৰক্ষিত হ'ব। এই ক্ষেত্ৰত প্ৰত্যেক সচেতন নাগৰিকৰ অৱিহণা অপৰিসীম।

আমি বৰ্তমান এনে এক জটিল সন্ধিক্ষণত থিয় হৈ আছোঁ, য'ত প্ৰযুক্তিৰ দ্ৰুত গতিয়ে সমাজৰ নৈতিক গাঁথনিটোক প্ৰত্যাহ্বান জনাইছে। একবিংশ শতিকাৰ শিশুসকলৰ সৈতে আমি যিধৰণৰ মূল্যবোধৰ যুঁজত অৱতীৰ্ণ হৈছোঁ, তাত জয়লাভ কৰিবলৈ কেৱল পুৰণি পদ্ধতি যথেষ্ট নহ'ব। আধুনিক প্ৰযুক্তি আৰু ইণ্টাৰনেটৰ দ্ৰুত প্ৰসাৰৰ ফলত শিশুসকলে পৃথিৱীৰ যিকোনো প্ৰান্তৰ তথ্য পলকতে লাভ কৰিবলৈ সক্ষম হৈছে। এই তথ্যৰ ধলৰ মাজত কি শুদ্ধ আৰু কি ভুল, সেই বিষয়ে সিদ্ধান্ত লোৱাৰ ক্ষমতা আমি তেওঁলোকৰ হাতত তুলি দিব লাগিব। আমি তেওঁলোকক এনে এক মানসিক প্ৰতিৰক্ষা প্ৰদান কৰিব লাগিব যাতে যিকোনো ধৰণৰ নৈতিক বিচ্যুতিয়ে তেওঁলোকৰ কোমল মনক প্ৰভাৱিত কৰিব নোৱাৰে। বিবেক একমাত্ৰ অমোঘ প্ৰতিৰক্ষা, যিটো তেওঁলোকৰ জীৱনৰ আটাইতকৈ শক্তিশালী অস্ত্ৰ হ'ব।

ভৱিষ্যতৰ দিশে আগবাঢ়িবলৈ এক ব্যাপক সামাজিক আন্দোলনৰ প্ৰয়োজন। কেৱল বিদ্যালয় বা ঘৰৰ চাৰি বেৰৰ ভিতৰত নৈতিকতাৰ কথা সীমিত ৰাখিলে নহ'ব। সমাজৰ প্ৰতিটো স্তৰতে শিশুৰ বাবে এক সুৰক্ষিত আৰু আদৰ্শ পৰিৱেশ গঢ়িব লাগিব। আজিৰ শিশুৱে কালিলৈ দেশৰ দায়িত্ব ল'ব। যদি আমি তেওঁলোকৰ মাজত দেশপ্ৰেমৰ প্ৰকৃত অৰ্থ প্ৰতিষ্ঠা কৰিব নোৱাৰোঁ, তেন্তে তেওঁলোকৰ ভৱিষ্যতৰ হাতত দেশখন কিমান সুৰক্ষিত হ'ব, সেয়া এক ডাঙৰ প্ৰশ্ন। দেশপ্ৰেম মানে কেৱল সীমান্তৰ সুৰক্ষাই নহয়, তাৰ সমান্তৰালকৈ সমাজৰ ভেটি কঁপোৱা অশুভ শক্তিৰ বিৰুদ্ধে থিয় দিয়াৰ আপোচবিহীন সাহস। আজিৰ শিশুক শিকাব লাগিব যে অসততাৰ বিৰুদ্ধে মাত মতাটোৱেই আটাইতকৈ ডাঙৰ দেশপ্ৰেম। এই সাহসৰ বীজ শিশুকালৰ পৰাই সিঁচিব লাগিব।

আমাৰ শিক্ষানুষ্ঠানসমূহত নৈতিক শিক্ষাৰ বাবে বিশেষ পাঠ্যক্ৰমৰ প্ৰয়োজনীয়তা আছে, য'ত কোনো পৰীক্ষাৰ চাপ নাথাকিব, কেৱল থাকিব চৰ্চা আৰু গভীৰ আলোচনা। বিভিন্ন মহাপুৰুষৰ জীৱনী, সফল ব্যক্তিৰ সংগ্ৰামৰ কাহিনী আৰু সমাজৰ বাবে অৱিহণা আগবঢ়োৱা ব্যক্তিৰ আদৰ্শই শিশুক অনুপ্ৰাণিত কৰিব। লগতে, আমি শিশুৰ মাজত সৃজনশীল প্ৰতিভাৰ বিকাশ ঘটিব পৰা সুযোগ প্ৰদান কৰিব লাগিব। যি শিশোৱে চিত্ৰকলা, সংগীত বা ক্ৰীড়াৰ মাজেৰে নিজৰ আৱেগ প্ৰকাশ কৰিবলৈ শিকিব, তেওঁৰ মনত উচ্ছৃঙ্খলতাৰ সুযোগ অতি কম থাকে। সৃজনশীল কামে মনক সততে সতেজ আৰু পবিত্ৰ কৰি ৰাখে। ভৱিষ্যতৰ বাবে আমি এনে এক প্ৰজন্ম সৃষ্টি কৰিব লাগিব, যি প্ৰযুক্তিৰ জ্ঞানত পাৰ্গত হোৱাৰ লগতে মানৱীয় গুণবোৰতো শ্ৰেষ্ঠ।

আজিৰ পৰাই এনে এক দায়বদ্ধতা গ্ৰহণ কৰিব লাগিব, য'ত প্ৰত্যেক অভিভাৱক আৰু শিক্ষকে নিজৰ নিজৰ কৰ্মত দায়বদ্ধ হৈ ৰ'ব। যদি আমি আমাৰ শিশুসকলক এক সুস্থ ভৱিষ্যত দিব বিচাৰোঁ, তেন্তে আমাৰ নিজৰ জীৱনশৈলীৰ পৰিৱৰ্তন ঘটাব লাগিব। আমাৰ কথা আৰু কামৰ মাজত যাতে কোনো পাৰ্থক্য নাথাকে সেইটো লক্ষ্য ৰাখিব লাগিব। আমি যি আদৰ্শৰ কথা কওঁ, তাৰ প্ৰত্যক্ষ উদাহৰণ আমি নিজে হ'ব লাগিব। যদি বিচাৰোঁ যে আমাৰ শিশুসকলে পৰকীয়া প্ৰেম বা আন নৈতিক স্খলনৰ পৰা আঁতৰি থাকক, তেন্তে পৰিয়ালৰ মৰ্যাদা আৰু স্বামী-স্ত্ৰীৰ মাজৰ বিশ্বাসক প্ৰাধান্য দিব লাগিব। শিশোৱে ঘৰত কি দেখিছে, সেয়া ভৱিষ্যতৰ একমাত্ৰ মডেল। আমি আমাৰ ঘৰখনক প্ৰেম আৰু সততাৰ উৎস হিচাপে গঢ়ি তুলিব লাগিব।

এই যাত্ৰা দুৰ্গম হ'লেও আমি অকলশৰীয়া নহয়। আমাৰ পাথেয় হৈছে পৰম্পৰাৰ অমূল্য শিক্ষা, বিবেকৰ শুদ্ধ শক্তি আৰু অনাগত প্ৰজন্মৰ ভৱিষ্যতৰ প্ৰতি থকা আমাৰ পৱিত্ৰ দায়বদ্ধতা। আমি যদি আজি এই সৰু কামখিনি কৰিবলৈ আৰম্ভ কৰোঁ, তেন্তে অনাগত সময়ত আমাৰ দেশৰ শিশুসকলে বিশ্বৰ মঞ্চত গৌৰৱেৰে থিয় দিব পাৰিব। তেওঁলোকে তেতিয়া জ্ঞানৰ অধিকাৰী হোৱাৰ লগতে, তেওঁলোকে হ'ব প্ৰকৃত মানৱ সম্পদ। আজিৰ প্ৰতিটো শিশুক এনেদৰে গঢ়ি তোলোঁ যাতে তেওঁলোকে অনাগত দিনত সমাজৰ বাবে একোটা প্ৰদীপ হৈ জ্বলি উঠিব পাৰে। আমাৰ এই প্ৰয়াস সৰু হ'ব পাৰে, কিন্তু ইয়াৰ পৰিণতি অসীম। আহক, আমি সকলোৱে মিলি এক নতুন ভৱিষ্যতৰ সপোন দেখোঁ আৰু সেই সপোনক বাস্তৱ কৰিবলৈ আজিৰ শিশুসকলৰ হাতত নৈতিকতা আৰু দেশপ্ৰেমৰ মশাল তুলি দিওঁ। এয়া আমাৰ জীৱনৰ সৰ্বশ্ৰেষ্ঠ অৱদান।

# বিশ্বকাপ ফুটবললৈ ভাৰতবৰ্ষ কেতিয়া ?




**হেমন্ত কলিতা**

আৰম্ভ হৈছে ফুটবলৰ FIFA World Cup। বিশ্বৰ আটাইতকৈ জনপ্ৰিয় ক্ৰীড়াসমূহৰ অন্যতম এই ফুটবল প্ৰতিযোগিতা। প্ৰতি চাৰি বছৰৰ মূৰে মূৰে অনুষ্ঠিত হৈ অহা এই প্ৰতিযোগিতাই বিশ্বজুৰি কোটি কোটি ফুটবলপ্ৰেমীৰ মন আকৰ্ষণ কৰি আহিছে। ব্যতিক্ৰম ভাৰতবৰ্ষও নহয়। ব্ৰাজিল, আৰ্জেণ্টিনা, জাৰ্মানী, ফ্ৰান্স আদি দেশসমূহে এই খেলত বিশ্বজয় কৰি ক্ৰীড়াক্ষেত্ৰত নিজৰ শক্তি প্ৰমাণ কৰিছে। কিন্তু জনসংখ্যা আৰু ক্ৰীড়া-সামৰ্থ্যৰ দিশৰ পৰা বিশাল দেশ হোৱাৰ পিছতো ভাৰতবৰ্ষই এতিয়াও বিশ্বকাপ ফুটবলত অংশগ্ৰহণৰ ক্ষেত্ৰত উল্লেখযোগ্য সাফল্য লাভ কৰিব পৰা নাই। এই কথাটোৱেই ভাৰতৰ ফুটবল তথা ক্ৰীড়াপ্ৰেমীৰ মনত কষ্ট দি আহিছে।

ভাৰতীয় ফুটবলৰ ইতিহাস বহু পুৰণি। ১৯৫০ চনত ভাৰত বিশ্বকাপত খেলাৰ সুযোগ পাইছিল যদিও বিভিন্ন কাৰণত তাত অংশগ্ৰহণ কৰা নহ'ল। তাৰ পিছৰ সময়ছোৱাত ক্ৰিকেটৰ অতিপ্ৰভাৱ, উন্নত পৰিকাঠামোৰ অভাৱ আৰু পৰ্যাপ্ত প্ৰশিক্ষণ ব্যৱস্থাৰ অভাৱৰ বাবে ফুটবল পিছ পৰি আছে। ভাৰতত বহুতো স্বনামধন্য ফুটবল ক্লাব থকা স্বত্বেও বিশ্বকাপ ফুটবলত ভাৰতৰ অভাৱ অতি স্পষ্ট। তথাপিও সাম্প্ৰতিক সময়ত ভাৰতীয় ফুটবলত কিছু ইতিবাচক পৰিৱৰ্তন দেখা পোৱা গৈছে। All India Football Federation আৰু Indian Super Leagueৰ উদ্যোগত দেশত ফুটবলৰ জনপ্ৰিয়তা বৃদ্ধি পাইছে। বিদেশী খেলুৱৈ আৰু প্ৰশিক্ষকৰ আগমনে ভাৰতীয় খেলুৱৈসকলক নতুন অভিজ্ঞতা লাভ কৰাত সহায় কৰিছে। একে সময়তে বিভিন্ন ৰাজ্য, বিশেষকৈ পশ্চিমবংগ, গোৱা, কেৰালা, মণিপুৰ আৰু অসমত বিগত সময়ত ফুটবলৰ প্ৰতি যথেষ্ট উৎসাহ দেখা গৈছে। ভাৰতীয় ফুটবল দলৰ ভিতৰত বাইচুং ভূটীয়া, চুনীল চেত্ৰীৰ দৰে খেলুৱৈয়ে দেশৰ সন্মান বৃদ্ধি কৰিছে। তৰুণ খেলুৱৈসকলৰ মাজতো ফুটবলৰ প্ৰতি আগ্ৰহ বাঢ়ি আহিছে। যদি বিদ্যালয় পৰ্যায়ৰ পৰা উন্নত প্ৰশিক্ষণ, আধুনিক ষ্টেডিয়াম, বৈজ্ঞানিক ফিটনেছ ব্যৱস্থা আৰু দক্ষ প্ৰশিক্ষকৰ সুবিধা বৃদ্ধি কৰা যায়, তেন্তে ভৱিষ্যতে ভাৰতে বিশ্বকাপৰ বাবে যোগ্যতা অৰ্জন কৰাৰ সম্ভাৱনা উজ্জ্বল হ'ব।

বিশ্বকাপ ফুটবলত সফলতা লাভ কৰিবলৈ কেৱল প্ৰতিভাই যথেষ্ট নহয়। ধৈৰ্য, সুশৃংখল পৰিকল্পনা আৰু চৰকাৰীভাৱে দীৰ্ঘম্যাদী উন্নয়ন নীতিৰো প্ৰয়োজন। ভাৰত বৰ্তমান যুৱ প্ৰজন্মৰ দেশ। প্ৰায় ৬৫ শতাংশ জনসংখ্যা হৈছে যুৱ প্ৰজন্মৰ। যাৰ মাজৰ পৰা বহু প্ৰতিভাৱান ফুটবলাৰ ওলাই আহিব পাৰে। সেয়ে চৰকাৰ, ক্ৰীড়া সংগঠন আৰু সমাজে একেলগে প্ৰচেষ্টা চলালে অতি শীঘ্ৰেই ভাৰতেও বিশ্বকাপ ফুটবলৰ মঞ্চত গৌৰৱোজ্জ্বল উপস্থিতি জনাব পাৰিব বুলি আমি বিশ্বাস কৰিব পাৰোঁ।

# ধৰিত্ৰীৰ দাহ আৰু গোলকীয় উষ্ণতা

প্ৰকৃতি আৰু মানুহৰ সম্পৰ্ক অতি আদিম আৰু নিবিড়। কিন্তু আধুনিকতাৰ অন্ধ দৌৰ আৰু চৰম যান্ত্ৰিকতাই আজি সেই চিৰন্তন সম্পৰ্কৰ ওপৰত এক গভীৰ আঘাত হানিছে। সাম্প্ৰতিক সময়ত আমি সকলোৱে অনুভৱ কৰা আটাইতকৈ স্পৰ্শকাতৰ আৰু ভয়াৱহ সমস্যালৈ ৰূপান্তৰিত হৈছে গোলকীয় উষ্ণতা বৃদ্ধি আৰু ইয়াৰ ফলত সৃষ্টি হোৱা অভূতপূৰ্ব প্ৰচণ্ড দাবদাহ। বতৰৰ এই অস্বাভাৱিক ৰুদ্ৰৰূপে কেৱল এটা ঋতুৰ সাময়িক পৰিৱৰ্তনক নুবুজায়, বৰঞ্চ ই বিপন্ন ধৰিত্ৰীৰ এক কৰুণ আৰ্তনাদহে প্ৰকাশ কৰিছে। মানুহে নিজৰ সুখ স্বাচ্ছন্দ্যৰ বাবে প্ৰকৃতিক ইমানেই শোষণ কৰিছে যে আজি সমগ্ৰ পৰিৱেশ তন্ত্ৰই নিজৰ স্বাভাৱিক ভাৰসাম্য হেৰুৱাই পেলাইছে।

পৃথিৱীৰ বুকুলৈ নামি অহা এই উত্তপ্ত সংকট কোনো আকস্মিক ঘটনা নহয়, ইয়াৰ আঁৰত আছে মানুহৰ অনিয়ন্ত্ৰিত আৰু অপৰিকল্পিত কাৰ্যকলাপ। উন্নয়নৰ দোহাই দি দিনে দিনে অৰণ্য ধ্বংস কৰি গঢ়ি তোলা হৈছে কংক্ৰিটৰ অট্টালিকা আৰু কল কাৰখানা। গছ-গছনি কাটি তহিলং কৰাৰ ফলত বতাহত কাৰ্বন-ডাই-অ'ক্সাইডৰ দৰে ক্ষতিকাৰক গেছৰ পৰিমাণ আশংকাজনকভাৱে বৃদ্ধি পাইছে। উদ্যোগীকৰণ, যানবাহনৰ পৰা নিৰ্গত ধোঁৱা আৰু আধুনিক বিলাসী সামগ্ৰী, যেনে শীতাতপ নিয়ন্ত্ৰিত যন্ত্ৰৰ অত্যধিক ব্যৱহাৰে বায়ুমণ্ডলত সেউজগৃহ গেছৰ আৱৰণখন ক্ৰমান্বয়ে ঘন কৰি তুলিছে। ইয়াৰ ফলত সূৰ্যৰ তাপ ধৰাপৃষ্ঠৰ পৰা প্ৰতিফলিত হৈ মহাকাশলৈ উভতি যাব নোৱাৰি সমগ্ৰ পৃথিৱীখনক এখন উত্তপ্ত মৰুভূমিলৈ ৰূপান্তৰিত কৰিছে।

এসময়ৰ সুজলা সুফলা, চিৰসেউজ অসমৰ বতৰো এতিয়া পূৰ্বৰ দৰে শীতল হৈ থকা নাই। পাহাৰ ভৈয়ামৰ বনাঞ্চল ধ্বংস, নদীৰ স্বাভাৱিক গতিপথৰ পৰিৱৰ্তন আৰু জলবায়ুৰ বিলোপসাধনৰ বাবে আমাৰ ইয়াতেও এতিয়া গৰমৰ প্ৰকোপ অসহনীয় হৈ পৰিছে। সময়মতে বৰষুণ নোহোৱা হৈছে, যাৰ পোনপটীয়া প্ৰভাৱ পৰিছে কৃষি খণ্ডৰ ওপৰত। বাৰিষাৰ অনিয়মিত চৰিত্ৰ, খৰাং সদৃশ পৰিস্থিতি আৰু নদীসমূহৰ ক্ৰমশঃ শুকাই যোৱা ৰূপে সামগ্ৰিক জনজীৱন বিপৰ্যস্ত কৰি তুলিছে। প্ৰকৃতিৰ এই অনাকাংক্ষিত ভাৰসাম্যহীনতাই কেৱল মানুহৰে নহয়, বৰঞ্চ আমাৰ চহকী জৈৱ-বৈচিত্ৰ্যকো এক তীব্ৰ সংকটৰ মুখলৈ ঠেলি দিছে।

এই গোলকীয় মহাবিপদৰ পৰা পৰিত্ৰাণ পাবলৈ হ'লে কেৱল চিন্তা প্ৰকাশ কৰিয়েই ক্ষান্ত থাকিলে নহ'ব, বৰঞ্চ যুদ্ধকালীন তৎপৰতাৰে বাস্তৱসন্মত পদক্ষেপ ল'ব লাগিব। "এজোপাই প্ৰাণ, এজোপাই জীৱন" এই আপ্তবাক্যশাৰীক সাৰোগত কৰি ব্যক্তিগত আৰু সামাজিক পৰ্যায়ত ব্যাপক হাৰত গছ ৰোৱা আৰু তাক সযতনে প্ৰতিপালন কৰাৰ এক সৰ্বাত্মক আন্দোলন গঢ়ি তুলিব লাগিব। ইয়াৰ সমান্তৰালভাৱে, জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰ যিমান পাৰি কমাই সৌৰশক্তি আৰু বায়ুশক্তিৰ দৰে নৱীকৰণযোগ্য শক্তিৰ চৰ্চা বৃদ্ধি কৰা উচিত। প্লাষ্টিকৰ ব্যৱহাৰ সম্পূৰ্ণ বৰ্জন কৰা, প্ৰাকৃতিক জলাশয়সমূহ সংৰক্ষণ কৰা আৰু যান্ত্ৰিক নিৰ্ভৰশীলতা কিছু পৰিমাণে হ্ৰাস কৰি প্ৰকৃতি অনুকূল জীৱনশৈলী গ্ৰহণ কৰাটো এতিয়া সময়ৰ আটাইতকৈ ডাঙৰ দাবী।

পৃথিৱীখন কেৱল বৰ্তমানৰ মানুহখিনিৰে নহয়, ই অনাগত প্ৰজন্মৰো একমাত্ৰ বাসস্থান। স্বাৰ্থপৰতা আৰু ক্ৰমবৰ্ধমান যান্ত্ৰিকতাৰ মোহ ত্যাগ কৰি আমি যদি এতিয়াও সাৰ নাপাওঁ, তেন্তে ভৱিষ্যতৰ ইতিহাসে আমাক কেতিয়াও ক্ষমা নকৰিব। ধৰিত্ৰীৰ এই দাহ প্ৰশমন কৰাৰ দায়িত্ব কেৱল চৰকাৰ বা কোনো নিৰ্দিষ্ট সংস্থাৰ নহয়, ই আমাৰ প্ৰত্যেকৰে এক নৈতিক আৰু অপৰিহাৰ্য কৰ্তব্য। সামূহিক আৰু সংকল্পবদ্ধ প্ৰচেষ্টাৰেহে আমি আকৌ এবাৰ এই ধৰাক সেউজীয়া, সুশৃংখল আৰু শীতল কৰি তুলিবলৈ সক্ষম হ'ম।

*কুণ্ডিল হাজৰিকা*
*যোৰহাট, টীয়ক*

# জাঁজীত বিষ্ণুৰাভা দিৱস আৰু ড° নিৰ্মলপ্ৰভা বৰদলৈ, ৰাম গগৈ আৰু চিত্ৰলতা ফুকনৰ জন্মদিন উপলক্ষে 'গীত, মাত, কবিতাৰ আবেলি' উদ্‌যাপন

**অসম বাৰ্তা, জাঁজী, ২১ জুন ঃ** কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা স্মৃতি দিৱস আৰু কবি সাহিত্যিক ড° নিৰ্মলপ্ৰভা বৰদলৈ, পথাৰৰ কবি ৰাম গগৈ আৰু সাহিত্যিক চিত্ৰলতা ফুকনৰ জন্মদিন উপলক্ষে আজি জাঁজী শাখা সাহিত্য সভা আৰু জাঁজী লেখিকা সংস্থাৰ উদ্যোগত আৰু জাঁজী শাখা কবি সন্মিলনৰ সহযোগত জামুগৰি সামাজিক সংহতি আধ্যাত্মিক চৰ্চা কেন্দ্ৰত 'গীত, মাত আৰু কবিতাৰ আবেলি' শীৰ্ষক এক বৰ্ণাঢ্য অনুষ্ঠান সম্পন্ন হৈ যায়। প্ৰথমে জাঁজী শাখা সাহিত্য সভাৰ সম্পাদক প্ৰসেনজিৎ গগৈয়ে আঁত ধৰা এক শ্ৰদ্ধাঞ্জলি কাৰ্যসূচীত বিষ্ণুৰাভা, ড° নিৰ্মলপ্ৰভা বৰদলৈ, ৰাম গগৈ আৰু চিত্ৰলতা ফুকনৰ প্ৰতিচ্ছবিৰ আগত বন্তি প্ৰজ্বলন কৰে ক্ৰমে জাঁজী শাখা লেখিকা সংস্থাৰ উপ সভাপতি, নকচাৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ৰুণু বৰুৱা, আমগুৰি জ্ঞান বিকাশ বিদ্যাপীঠৰ অধ্যক্ষ হিমাদ্ৰী জ্যোতি দত্ত, জাঁজী শাখা কবি সন্মিলনৰ সভাপতি, তামোলীছিগা ঘনকান্ত বৰা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰৱক্তা বন্তি বৰকটকী আৰু জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা অসম কলেজ শিক্ষক সংস্থাৰ প্ৰাক্তন সভাপতি জ্যোতিপ্ৰসাদ গগৈয়ে। ইয়াৰ পাছত শিক্ষাবিদ তথা জাঁজী শাখা সাহিত্য সভাৰ সভাপতি প্ৰতাপ কুমাৰ বৰুৱাই পৌৰোহিত্য কৰা সভাত ৰুণু বৰুৱাই বিষ্ণুৰাভাৰ সংগ্ৰামী জীৱনৰ সমান্তৰালভাৱে অসমৰ কলা সংস্কৃতি উত্তৰণৰ বাবে কৰা ত্যাগৰ কথা বহলাই কয়। হিমাদ্ৰীজ্যোতি দত্তই ড° নিৰ্মলপ্ৰভা বৰদলৈৰ সাহিত্য সৃষ্টি আৰু কালজয়ী কবিতা গীতসমূহৰ ওপৰত বক্তব্য প্ৰদান কৰে। বন্তি কটকীয়ে কবি ৰাম গগৈৰ কবিতাৰ গভীৰতা আৰু ইয়াৰ মাজেৰে বাস্তৱ এখন সমাজৰ ছবি কেনেকৈ ফুটি উঠে তাৰ ব্যাখ্যা দিয়ে। জ্যোতিপ্ৰসাদ গগৈ আৰু জাঁজী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা বীণা বৰুৱাই সাহিত্যিক চিত্ৰলতা ফুকনৰ জীৱন আৰু কৃতিৰ ওপৰত বক্তব্য প্ৰদান কৰে। সমাজকৰ্মী পুষ্পধৰ নেওগে চাৰিগৰাকী মহান অসমীয়াক জাঁজীবাসীয়ে সোঁৱৰণ কৰাৰ কাৰণে শলাগ লয়। আজিৰ অনুষ্ঠানত শিশু শিল্পী আদ্ৰিতী কাশ্যপ, দিক্ষীতা দত্ত, সুস্মিতা শইকীয়াই ৰাভা সংগীত পৰিৱেশন কৰাৰ লগতে শিশুশিল্পী জ্যোতিস্না বৰপূজাৰী, উজ্জ্বল ফুকনে কবিতা পাঠ কৰে। ইয়াৰোপৰি বিশিষ্ট কবি অদিতি খাউণ্ড, জুৰি সন্দিকৈ গগৈ, অপৰূপা শইকীয়া, বিজু বৰঠাকুৰ, অৰ্চনা শইকীয়াই কবিতা পাঠ কৰাৰ লগতে সংগীত শিল্পী ৰূপালী কটকীৰ গীতে সকলোকে আপ্লুত কৰে।

# গোলাঘাটৰ ফণীধৰ বৰদলৈ উচ্চ মাধ্যমিক বিদ্যালয়ত সৈনিক শিল্পী বিষ্ণু প্ৰসাদ ৰাভা দিৱস আৰু গণকবি অশোক দাসৰ পঞ্চম মৃত্যু বাৰ্ষিকী উদ্‌যাপন

## লোকবাদ্যৰ খনিকৰ অনিল বৰাক সম্বৰ্ধনা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২১ জুন ঃ** গোলাঘাটৰ ফণীধৰ বৰদলৈ উচ্চ মাধ্যমিক বিদ্যালয়ত সৈনিক শিল্পী বিষ্ণু প্ৰসাদ ৰাভা দিৱস আৰু গণকবি অশোক দাসৰ পঞ্চম মৃত্যু বাৰ্ষিকী আজি পালন কৰা হয়। পুৱা ছাত্ৰ ছাত্ৰীৰ মাজত ৰচনা প্ৰতিযোগিতা, বিষ্ণুপ্ৰসাদ ৰাভাৰ গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ইয়াৰ পিছতে পুৱা ১১-৩০ বজাত মুকলি সভা অনুষ্ঠিত হয়। ৰূপজ্যোতি ফুকনে আঁত ধৰা সভাত প্ৰদীপ সোণাৰে সভাপতিত্ব কৰে আৰু বিষ্ণু প্ৰসাদ ৰাভাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে অনিল বৰাই আৰু গণকবি অশোক দাসৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে প্ৰদীপ সোণাৰে। মুকলি সভাত লোকবাদ্যৰ খনিকৰ অনিল বৰাক সম্বৰ্ধনা পত্ৰ, গামোচা, চেলেঙ আদিৰে বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰে। সম্বৰ্ধনা গ্ৰহণ কৰি অনিল বৰাই নিজস্ব শৈলীৰে জীৱনৰ অভিজ্ঞতা বৰ্ণনা কৰে। তেখেতৰ নিপুণ হাতত গঢ় লোৱা দোতাৰা, টোকাৰী, ঢোল, পেঁপা, গগণা, খোল, বীণ আদি দেশৰ সীমাৰ পৰিধি ভাঙি আমেৰিকা, জাপান, আৰৱ, চীন, থাইলেণ্ড আদি দেশত সমাদৰ বুটলিবলৈ সক্ষম হোৱা বুলি কৈ অসমৰ শিল্পী সমাজতো তেখেতৰ নিৰ্মিত দোতাৰা লোক শিল্পী ৰামেশ্বৰ পাঠক, ৰুমী শইকীয়া, খগেন মহন্ত, প্ৰভাত শৰ্মা আদিয়ে ব্যৱহাৰ কৰাৰ কথাও দোহাৰে। মুকলি সভাতে পদুমী ফুকন স্মৃতি ন্যাসৰ সচিব ৰূপজ্যোতি ফুকনৰ সম্পাদনাত প্ৰকাশিত বিষ্ণুপ্ৰসাদ ৰাভা, গণকবি অশোক দাস আৰু অসমীয়া জাতিৰ হিয়াৰ আমঠু জুবিন গাৰ্গ ফটো সম্বলিত আৰু বিষ্ণু প্ৰসাদ ৰাভাৰ "বুদ্ধ হ'ল অৱৰুদ্ধ" শীৰ্ষক কবিতাটোৰ একাংশ, গণ কবি অশোক দাসৰ "সূৰ্যমুখী জনপদ" শীৰ্ষক কবিতাটোৰ একাংশৰে শ্ৰদ্ধাৰ্ঘ নামকৰণৰে এখনি ৰঙীন একঁকালীন পুস্তিকা উন্মোচন কৰে শিক্ষক ঔপন্যাসিক গল্পকাৰ লোপামুদ্ৰা ভট্টাচাৰ্যই। মুকলি সভাত ছাত্ৰী পৰিণীতা তাঁতিয়ে বিষ্ণুপ্ৰসাদ ৰাভাৰ "পৰ জনমৰ শুভ লগণ"ত শীৰ্ষক কালজয়ী গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে। সভাত বিভিন্ন গৰাকীয়ে ব্যক্তিগত মন্তব্য আগবঢ়ায় আৰু নৱম শ্ৰেণীৰ ছাত্ৰী বন্দনা বৰাই অশোক দাসৰ "পদাতিক" কবিতাটো আবৃত্তি কৰে। এই সভাত অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰদীপ শৰ্মা তামোলী আৰু দিপেন বৰতামোলী, শিক্ষক কৰ্মচাৰী সমন্বিতে ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। সভাত প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি পুৰস্কাৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীৰ মাজত পুৰস্কাৰ প্ৰদান কৰে। সভাত সকলোৰে প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে প্ৰধান শিক্ষক উজ্জ্বল বৰুৱাই।

# সৰুপথাৰ সমজিলা প্ৰশাসনৰ উদ্যোগত দ্বাদশ সংখ্যক আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ২১ জুন ঃ** শাৰীৰিক আৰু মানসিক সুস্থতাৰ বাবে প্ৰাচীন ভাৰতীয় যোগাভ্যাসৰ গুৰুত্ব আৰু উপকাৰিতাৰ বিষয়ে সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যে আজি বিশ্বজুৰি উদযাপিত হয় দ্বাদশ সংখ্যক আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস। সমগ্ৰ বিশ্বৰ লগতে সৰুপথাৰ সমজিলাতো সমজিলা প্ৰশাসনৰ উদ্যোগত উৎসাহ-উদ্দীপনাৰে পালন কৰা হয় এই বিশেষ দিনটো। সৰুপথাৰ নগৰৰ ৰামধেনু মুকলি প্ৰেক্ষাগৃহত আয়োজিত যোগ দিৱসৰ অনুষ্ঠানত সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকন, সমজিলা আয়ুক্ত মিতালী লহকৰ, সৰুপথাৰ পৌৰসভাৰ পৌৰপতি উষা আগৰৱালা, বড়ো কছাৰী উন্নয়ন পৰিষদৰ কাৰ্যবাহী সদস্য প্ৰদীপ স্বৰ্গীয়াৰীকে ধৰি সমজিলা প্ৰশাসনৰ বহুকেইজন প্ৰশাসনিক বিষয়া, বিভিন্ন বিভাগৰ কৰ্মচাৰী তথা বহু সংখ্যক সচেতন ৰাইজ উপস্থিত থাকে। অনুষ্ঠানত যোগ প্ৰশিক্ষক ৰঞ্জন ঠেঙ্গালে উপস্থিত সকলোৰে মাজত যোগাভ্যাসৰ বিভিন্ন আসন আৰু ইয়াৰ উপকাৰিতাৰ বিষয়ে ব্যাখ্যা আগবঢ়োৱাৰ লগতে সমূহীয়া যোগাভ্যাস কৰোৱায়। অংশগ্ৰহণকাৰীসকলেও উৎসাহেৰে যোগাভ্যাসত অংশগ্ৰহণ কৰি সুস্থ জীৱন-যাপনৰ প্ৰতি নিজৰ দায়বদ্ধতাৰ প্ৰকাশ কৰে। ইফালে, অনুষ্ঠানৰ অন্তিম পৰ্বত এটি কণ-কণ শিশুৰ চাৰিজনীয়া দলে সুন্দৰভাৱে যোগাভ্যাস প্ৰদৰ্শন কৰি উপস্থিত সকলোকে আপ্লুত কৰি তোলে। শিশুসকলৰ মনোমোহা প্ৰদৰ্শনে অনুষ্ঠানটোক অধিক আকৰ্ষণীয় কৰি তোলাৰ লগতে সকলোৰে পৰা প্ৰশংসা লাভ কৰে। উল্লেখযোগ্য যে, যোগাভ্যাসৰ জৰিয়তে শাৰীৰিক সক্ষমতা বৃদ্ধিৰ লগতে মানসিক প্ৰশান্তি, একাগ্ৰতা আৰু সুস্থ জীৱনশৈলী গঢ়ি তোলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা হয়। সেই উদ্দেশ্যকে আগত ৰাখি সৰুপথাৰ সমজিলা প্ৰশাসনে আয়োজিত এই যোগ দিৱসৰ কাৰ্যসূচীয়ে জনসাধাৰণৰ মাজত সুস্থ জীৱনধাৰণৰ বাৰ্তা কঢ়িয়াই নিয়ে।

## কলাগুৰুক কেৱল নিৰ্দিষ্ট দিনটোতেই স্মৰণ কৰিলে নহ'ব, প্ৰতিদিন অসমীয়াই হৃদয়ত কঢ়িয়াই লৈ ফুৰিলেহে জাতিটো ধন্য হৈ পৰিব ঃ ৰূপক বৈশ্য

# নলবাৰীৰ বনগাঁৱৰ জেকেকে শিক্ষা প্ৰতিষ্ঠানত বিষ্ণুৰাভা দিৱস পালন

**অসম বাৰ্তা, চামতা, ২১ জুন ঃ** কালি ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিষ্ণুৰাভা দিৱস পালন কৰা হয়। নলবাৰী জিলাৰ ৪০ নং টিহু বিধানসভা সমষ্টিৰ অন্তৰ্গত ২২ নং বনগাঁও গাঁও পঞ্চায়তৰ ওপৰ মহলাত থকা জেকেকে শিক্ষা প্ৰতিষ্ঠানতো দুদিনীয়াকৈ আয়োজন কৰা বিষ্ণুৰাভা দিৱসৰ কালি সন্ধিয়াৰ ভাগত সামৰণি পৰে। সেই উপলক্ষে ১৯ জুনত বিয়লি ৪ বজাৰ পৰা আঞ্চলিক ভিত্তিত চিত্ৰাংকন আৰু লিখিত কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। চিত্ৰাংকন প্ৰতিযোগিতাখন শুভ উদ্বোধন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক, পৰিবেশ-প্ৰকৃতি কৰ্মী ভূপেন কুমাৰ দাসে আৰু লিখিত কুইজ প্ৰতিযোগিতাখন শুভ উদ্বোধন কৰে শিক্ষা প্ৰতিষ্ঠানখনৰ পৰিচালন সঞ্চালক চিত্তৰঞ্জন শৰ্মাই। উদ্বোধনী অনুষ্ঠানত দুয়োগৰাকী উদ্বোধকে প্ৰাসংগিক ভাষণ আগবঢ়ায়। কালি বিয়লি ৫.৩০ বজাত শিক্ষা প্ৰতিষ্ঠানখনৰ মুখ্য পৰিচালন সঞ্চালক মীৰাৰাণী ডেকাৰ সভাপতিত্বত বিষ্ণু প্ৰসাদ ৰাভাৰ ওপৰত বিশদ আলোচনামূলক এখন সভা অনুষ্ঠিত কৰা হয়। প্ৰথমতে কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি জ্বলোৱাৰ লগতে পুষ্পাঞ্জলি নিবেদন কৰি শ্ৰদ্ধা জনোৱা হয়। জিলাখনৰ দক্ষিণ-পশ্চিম প্ৰান্তৰ কুমাৰীকাটাস্থিত ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ তথা শিক্ষা প্ৰতিষ্ঠানখনৰ কাৰ্যবাহী পৰিচালন সঞ্চালক ৰূপক বৈশ্যই আঁত ধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা উক্ত সভাত বিষ্ণু প্ৰসাদ ৰাভাৰ বিষয়ে গভীৰ আলোচনামূলক ভাষণ প্ৰদান কৰে শিক্ষা প্ৰতিষ্ঠানখনৰ পৰিচালন সঞ্চালক চিত্তৰঞ্জন শৰ্মা আৰু ভ্ৰাম্যমাণ থিয়েটাৰৰ অভিনেতা নিৰ্মল দত্তই। ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ তথা শিক্ষা প্ৰতিষ্ঠানখনৰ কাৰ্যবাহী পৰিচালন সঞ্চালক ৰূপক বৈশ্যই কলাগুৰুক কেৱল নিৰ্দিষ্ট দিনটোতেই স্মৰণ কৰিলে নহ'ব, প্ৰতিদিন অসমীয়াই হৃদয়ত কঢ়িয়াই লৈ ফুৰিলেহে জাতিটো ধন্য হৈ পৰিব বুলি উল্লেখ কৰি প্ৰতিগৰাকী আবেগিক অসমীয়ালৈ বিশেষভাৱে অনুৰোধ জনায়। সভাৰ আৰম্ভণিতে বিষ্ণু প্ৰসাদ ৰাভা ৰচিত ভাং-ভাং-ভাং শীৰ্ষক কবিতাটি আবৃত্তি কৰি বনগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰী হৃদি বৈশ্য ৰিমে উপস্থিত সকলোকে মোহাচ্ছন্ন কৰে। তাৰপিচত দুয়োটি প্ৰতিযোগিতাৰ বিজয়ী স্থানপ্ৰাপ্তসকলক পুৰস্কাৰ হিচাপে একোখনিকৈ গ্ৰন্থ,ট্ৰফী আৰু প্ৰমাণ পত্ৰ প্ৰদান কৰাৰ বিপৰীতে সকলো অংশগ্ৰহণকাৰী প্ৰতিযোগীকে অংশগ্ৰহণ প্ৰশংসা পত্ৰ প্ৰদান কৰা হয়। চিত্ৰাংকন প্ৰতিযোগিতাৰ ফলাফল অনুসৰি, 'ক' শাখা'ত প্ৰথম পুৰস্কাৰ ধৰ্মিষ্ঠা দেৱী, দ্বিতীয় পুৰস্কাৰ ধ্যানম নিৰ্মল দত্ত আৰু তৃতীয় পুৰস্কাৰ ৰিয়ান কাশ্যপৰ লগতে নিচুকনি পুৰস্কাৰ লাভ কৰে প্ৰত্যুষা কাশ্যপ আৰু দেবাংশী কাশ্যপে। 'খ' শাখাত প্ৰথম পুৰস্কাৰ বৰ্ণিল কাশ্যপ, দ্বিতীয় পুৰস্কাৰ বিৰিণা দত্ত আৰু তৃতীয় পুৰস্কাৰ কৃষ হাজৰিকাৰ লগতে নিচুকনি পুৰস্কাৰ লাভ কৰে হীৰকজ্যোতি বৰ্মনে। 'গ' শাখাত প্ৰথম পুৰস্কাৰ চলন্ত ফাৰ্চী আৰু দ্বিতীয় পুৰস্কাৰ লাভ কৰে ৰাজপ্ৰতীম পাটোৱাৰীৰে। আনহাতে, কুইজ প্ৰতিযোগিতাত বিশেষ শাখাত প্ৰথম পুৰস্কাৰ জচপ্ৰীত কুমাৰ তালুকদাৰ, দ্বিতীয় পুৰস্কাৰ প্ৰত্যুষা কাশ্যপ আৰু তৃতীয় পুৰস্কাৰ দেবাংশী কাশ্যপৰ লগতে নিচুকনি পুৰস্কাৰ লাভ কৰে ধীমান শৰ্মাই। নিম্ন শাখাত প্ৰথম পুৰস্কাৰ হৃদয়কুঞ্জ ৰাভা, দ্বিতীয় পুৰস্কাৰ দিয়া ৰাজবংশী আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে হৃদয়জ্যোতি তালুকদাৰে। মধ্য শাখাত প্ৰথম পুৰস্কাৰ হৃদি বৈশ্য, দ্বিতীয় পুৰস্কাৰ জ্যোতিস্মিতা হালৈ আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে বিৰিণা দত্ত আৰু হীৰকজ্যোতি বৰ্মনে। উচ্চ শাখাত প্ৰথম পুৰস্কাৰ হিমমানৱ মেধি আৰু দ্বিতীয় পুৰস্কাৰ লাভ কৰে ৰাজ প্ৰতীম পাটোৱাৰীয়ে। শিক্ষা প্ৰতিষ্ঠানখনৰ মুখ্য পৰিচালন সঞ্চালক মীৰাৰাণী ডেকাই সভাপতিৰ বক্তব্য আৰু মন্তব্যত বিশদ বিশ্লেষণ তথা পৰ্যালোচনাৰে বিষ্ণু প্ৰসাদ ৰাভাৰ আদৰ্শৰ ওপৰত আলোকপাত কৰে। প্ৰায় শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা দুয়োদিনৰ সমূহ কাৰ্যসূচীত শিক্ষক কমল কুমাৰ তালুকদাৰ, পল্লৱ বৰ্মন, অমৰেন্দ্ৰ হালৈ, ৰিংকু ৰাজবংশী প্ৰমুখ্যে তুলিকা হালৈৰ লগতে বহুকেইগৰাকী অভিভাৱক-অভিভাৱিকা উপস্থিত থাকি সম্পূৰ্ণ সহযোগিতা আগবঢ়ায়। ২২ নং বনগাঁও গাঁও পঞ্চায়তৰ উদ্যোগত জেকেকে শিক্ষা প্ৰতিষ্ঠানৰ সহযোগত পোন প্ৰথমবাৰৰ বাবে আয়োজন কৰা বিষ্ণু ৰাভা দিৱসৰ কাৰ্যসূচীসমূহ ৰূপায়ণৰ অন্তত সকলোৰে সমস্বৰে অসম সংগীত পৰিবেশন কৰে আৰু সামগ্ৰিকভাৱে দিৱসৰ সফল সামৰণি পৰে।

# মাধৱ জয়ন্তী উপলক্ষে, মহাপুৰুষীয়া পৰম্পৰাৰে বাৰ্ষিক পালনাম সম্পন্ন

**অসম বাৰ্তা, বেবেজীয়া, ২১ জুন ঃ** ইতিহাস প্ৰসিদ্ধ মিকিৰ ৰাজ্যৰ ৰজাঘৰীয়া পৃষ্ঠ-পোষকতাত প্ৰতিষ্ঠা হোৱা নিজ-মিকিৰ গাঁৱৰ বৰ নামঘৰত যোৱা ২০ আৰু ২১ জুন ২০২৬ তাৰিখ শনি আৰু ৰবিবাৰে দুদিনীয়া কাৰ্যসূচীৰে মহাপুৰুষীয়া পৰম্পৰাৰে বাৰ্ষিক পালনাম ভাগ অনুষ্ঠিত হৈ যায়। বিগত বছৰৰ দৰে এই বছৰো মহাপুৰুষ শ্ৰী শ্ৰী মাধৱদেৱৰ ৫৩৮ সংখ্যক আবিৰ্ভাৱ মহোৎসৱৰ লগত সঙ্গতি ৰাখি অনুষ্ঠিত হোৱা আধ্যাত্মিক অনুষ্ঠান ভাগত নগাঁও-মৰিগাঁও জিলাৰ শতাধিক ভকত বৈষ্ণৱসকলে অংশগ্ৰহণ কৰাৰ লগতে স্থানীয় ভক্তপ্ৰান ৰাইজে অতি শ্ৰদ্ধাৰে সহযোগিতা আগবঢ়ায়। দুয়োটা দিনৰ কাৰ্যসূচীত নাম-প্ৰসঙ্গ, খোল-প্ৰসঙ্গ, ভাগৱত পাঠ আদি বিভিন্ন মাঙ্গলিক অনুষ্ঠান ৰূপায়ণ হোৱাৰ লগতে মহাপুৰুষীয়া পৰম্পৰাৰ শ্ৰেষ্ঠ তাত্বিকতা আৰু গুৰুত্বপূৰ্ণ লগতে অতি কঠোৰ সাধনাৰে সমৃদ্ধ "পালনাম" ভাগ ওৰে নিশা, অবিৰতভাৱে ৰূপায়িত হৈ পুৱা সামৰণি পৰে। পৰিচালনা সমিতিৰ সভাপতি মুকুতা ডেকা আৰু সম্পাদক বেণুধৰ ডেকাই অনুষ্ঠান ভাগিৰ সফল ৰূপায়ণৰ বাবে সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰে।

# পুৰণিগুদামৰ ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ত বিষ্ণু ৰাভা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, পুৰণিগুদাম, ২১ জুন ঃ** নগাঁও জিলাৰ পুৰণিগুদামৰ ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত 'অসমীয়া সাহিত্য সন্মিলনী' আৰু ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ যুটীয়া উদ্যোগত আজি কলাগুৰু বিষ্ণুৰাভা দিৱস উদ্‌যাপন কৰা হয়। আজি পুৱা ১১ বজাত অনুষ্ঠিত হয় শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। উক্ত অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগৰ প্ৰাধ্যাপক ড° দিলীপ বৰাই কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পনেৰে শ্ৰদ্ধা জ্ঞাপন কৰে। ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° সোমনাথ বৰাই আঁত ধৰা আৰু মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৃপেন চন্দ্ৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগৰ প্ৰাধ্যাপক ড° দিলীপ বৰা আৰু ড° ধূৰ্জৰ্তি শৰ্মাই বিষ্ণুপ্ৰসাদ ৰাভাৰ বিষয়ে নতুন নতুন দিশত ন ন চিন্তাৰে আলোকপাত কৰি ভাষণ প্ৰদান কৰে। সভাত উপস্থিত থকা অসমীয়া সাহিত্য সন্মিলনীৰ ৰাজ্যিক সম্পাদক তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগৰ অধ্যাপক ড° ভাস্কৰ ভূঞাই বিষ্ণুৰাভাৰ বিৰল ব্যক্তিত্ব আৰু যুৱপ্ৰজন্মৰ কৰণীয় সন্দৰ্ভত ভাষণ প্ৰদান কৰাৰ লগতে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক শান্তনু বৰদলৈয়ে বিষ্ণু ৰাভাৰ বিষয়ে দুআষাৰ মন্তব্য আগবঢ়ায়। আজিৰ অনুষ্ঠানটিত মহাবিদ্যালয়ৰ ছাত্ৰ সূৰ্যকমল শইকীয়াই 'গীত' আৰু বিতোপন বৰাই 'বাঁহী' পৰিৱেশন কৰি এক অনন্য পৰিৱেশ দান কৰে। শেষত মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা ড° চন্দনা ডেকাই শলাগ জ্ঞাপনৰ এক সাৱলীল ভাষণ প্ৰদানেৰে অনুষ্ঠানৰ সামৰণি কৰে। আজিৰ অনুষ্ঠানত বিশিষ্ট ব্যক্তি হিচাপে অনামিকা অধিকাৰী, অসমীয়া সাহিত্য সন্মিলনীৰ বিষয়ববীয়া সকল, মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

# নাজিৰা সমজিলাত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদ্‌যাপন



**অসম বাৰ্তা, নাজিৰা, ২১ জুন ঃ** সমগ্ৰ দেশৰ লগতে নাজিৰা সমজিলাতো উৎসাহ-উদ্দীপনাৰে ১২ সংখ্যক আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদ্‌যাপন কৰা হয়। ৰাষ্ট্ৰীয় আয়ুষ মিছন অসম তথা নাজিৰা সমজিলা প্ৰশাসনৰ উদ্যোগত বৰবৰুৱা পুখুৰী পাৰত "সুস্থ বাৰ্ধক্যৰ বাবে যোগ" শীৰ্ষক বিষয়ত সমজিলা পৰ্যায়ত দুশৰো অধিক লোকৰ উপস্থিতিত বিশেষ যোগাভ্যাস কাৰ্যসূচীৰে অনুষ্ঠানটি অনুষ্ঠিত কৰা হয়। পুৱা ৬ বজাৰ পৰা অংশগ্ৰহণকাৰী সকলৰ পঞ্জীয়নৰে আৰম্ভ হোৱা এই অনুষ্ঠানৰ বন্তি প্ৰজ্বলন কৰে নাজিৰা সমজিলাৰ সহকাৰী আয়ুক্ত পৰ্চিয়া খনিকৰ আৰু অৰুণাভ সোণোৱালে। তদুপৰি যোগাভ্যাস কৰোৱাই যোগ প্ৰশিক্ষক অসীম দত্ত আৰু সহ-প্ৰশিক্ষক চিন্তামনি দত্তই। তেওঁলোকে অংশগ্ৰহণকাৰী সকলক বিভিন্ন যোগাসন, প্ৰাণায়াম আৰু ধ্যানৰ কৌশল প্ৰদৰ্শন কৰাৰ লগতে ইয়াৰ স্বাস্থ্যগত উপকাৰিতাৰ বিষয়ে বিশদভাৱে অৱগত কৰে। অনুষ্ঠানৰ অন্তত অংশগ্ৰহণকাৰী সকলে নিয়মীয়াকৈ যোগাভ্যাস কৰি সুস্থ সমাজ গঢ়ি তোলাত সহযোগিতা আগবঢ়োৱাৰ সংকল্প গ্ৰহণ কৰে। আজিৰ এই অনুষ্ঠানত বিভিন্ন বিভাগৰ মুৰব্বী বিষয়া সকলৰ লগতে নাজিৰা সমজিলা অন্তৰ্গত বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকল, জ্যেষ্ঠ নাগৰিক সকল, ছপা আৰু বৈদ্যুতিন মাধ্যমৰ সংবাদ কৰ্মী সকল, আশা কৰ্মী সকল আৰু গৰিষ্ঠ সংখ্যক স্থানীয় ৰাইজ উপস্থিত থাকে।

## শ্ৰম, সংস্কৃতি আৰু সমাজসেৱাৰ ক্ষেত্ৰত অৱদানকাৰীক সম্বৰ্ধনা

# শিমলাগুৰিত কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, কুমুল্লী পৰা, ২১ জুন ঃ** বৰপেটা জিলাৰ শিমলাগুৰিস্থিত দিলীপ বিবাহ ভৱনত অসম কবি সন্মিলনৰ অন্তৰ্গত বৰপেটা জিলা কবি সন্মিলন আৰু সমূহ শাখা কবি সন্মিলনৰ সহযোগত আজি গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দিৱস উদ্‌যাপন কৰা হয়। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত এই অনুষ্ঠানত সাহিত্য, সংস্কৃতি, সংগীত আৰু সমাজ জীৱনৰ বিভিন্ন দিশক সামৰি কলাগুৰুৰ বহুমুখী অৱদান স্মৰণ কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অসম কবি সন্মিলনৰ সভাপতি দীনেশ চন্দ্ৰ দাসে কলাগুৰুৰ আদৰ্শ, ত্যাগ আৰু সাংস্কৃতিক চেতনাৰ প্ৰতি গভীৰ সন্মান জ্ঞাপন কৰে। ইয়াৰ পিছতে বৰপেটা ৰোড শাখাৰ সদস্যসকলৰ পৰিচালনাত সমবেত সংগীত পৰিবেশন কৰা হয়। প্ৰভা দেৱীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত বিশিষ্ট অতিথি হিচাপে উদ্ধৱ দাস, দিলীপ ভৰালী আৰু ৰঞ্জিত কুমাৰ কলিতাই বক্তব্য প্ৰদান কৰে। বক্তাসকলে নিজৰ ভাষণত উল্লেখ কৰে যে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা কেৱল এজন শিল্পী বা সাহিত্যিক নাছিল, তেওঁ আছিল এক যুগদ্ৰষ্টা চিন্তাবিদ, সমাজ সংস্কাৰক আৰু জনসাধাৰণৰ অধিকাৰৰ বাবে সংগ্ৰাম কৰা এজন অসাধাৰণ ব্যক্তিত্ব। অসমৰ সাংস্কৃতিক পুনৰ্জাগৰণত তেওঁৰ অৱদান আজিও সমানভাৱে প্ৰাসংগিক আৰু প্ৰেৰণাদায়ক। সভাত বক্তাসকলে লগতে মত প্ৰকাশ কৰে যে বৰ্তমান সময়ত সমাজত মানৱতা, সাম্য, সামাজিক ন্যায় আৰু সাংস্কৃতিক মূল্যবোধৰ চৰ্চা অধিক জৰুৰী হৈ পৰিছে। কলাগুৰুৰ জীৱন আৰু কৰ্মই এই মূল্যবোধসমূহক শক্তিশালী কৰাৰ পথ দেখুৱায়। নতুন প্ৰজন্মই তেওঁৰ আদৰ্শৰ পৰা শিক্ষাগ্ৰহণ কৰি সমাজ আৰু জাতিৰ কল্যাণৰ বাবে নিজকে নিয়োজিত কৰাটো সময়ৰ দাবী বুলিও বক্তাসকলে মন্তব্য কৰে। অনুষ্ঠানৰ অন্যতম আকৰ্ষণ আছিল ৰাভা সংগীত আৰু ৰাভা নৃত্যৰ মনোমোহা পৰিবেশন। শিল্পীসকলৰ পৰিবেশনাই উপস্থিত দৰ্শকক মুগ্ধ কৰি তোলে আৰু কলাগুৰুৰ সৃষ্টিশীল জগতখনৰ সৈতে পুনৰ সংযোগ স্থাপন কৰিবলৈ সক্ষম হয়। অনুষ্ঠানৰ অন্তত জাতীয় সংগীত পৰিবেশন কৰা হয়। এই উপলক্ষে সমাজৰ নীৰৱ কৰ্মযোদ্ধাসকলক সন্মান জনোৱাৰ এক ব্যতিক্ৰমী পদক্ষেপ গ্ৰহণ কৰা হয়। কৃষি কাৰ্যৰ সৈতে জড়িত এজন কৃষক, এজন শ্ৰমজীৱী ব্যক্তি আৰু এজন মৃৎশিল্পীক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰি তেওঁলোকৰ সমাজমুখী অৱদানৰ স্বীকৃতি প্ৰদান কৰা হয়। আয়োজকসকলে কয় যে সমাজৰ প্ৰকৃত বিকাশৰ ক্ষেত্ৰত এই সকল পৰিশ্ৰমী লোকৰ অৱদান অপৰিসীম, আৰু তেওঁলোকক সন্মান জনোৱাটো সমাজৰ নৈতিক দায়িত্ব।

# কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা দিৱস উদ্‌যাপন সমিতি আৰু অসম নাট্য সন্মিলন, বাৰপূজীয়া শাখাৰ যৌথ উদ্যোগত বিষ্ণু ৰাভা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, ৰহা, ২১ জুন ঃ** বাৰপূজীয়া সৰ্বজনীন দৌল মন্দিৰ প্ৰাংগণত কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা দিৱস উদযাপন সমিতি আৰু অসম নাট্য সন্মিলন, বাৰপূজীয়া শাখাৰ যৌথ উদ্যোগত বিষ্ণু ৰাভা দিৱসটি উদ্‌যাপন কৰা হয়। উক্ত অনুষ্ঠানৰ পুৱা পতাকা উত্তোলন কৰে উদযাপন সমিতিৰ সভাপতি টুলটুল ডেকা আৰু অসম নাট্য সন্মিলন বাৰপূজীয়া শাখাৰ পতাকা উত্তোলন কৰে শাখাৰ সভাপতি বিমল চন্দ্ৰ ডেকাই। বিষ্ণুৰাভা দেৱৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন কৰে ৰামচন্দ্ৰ ডেকা আৰু বাৰপূজীয়া সৰ্বজনীন দৌল মন্দিৰ সমিতিৰ সম্পাদক শ্ৰীমন্ত ডেকা আৰু ৰাভাদেৱৰ প্ৰতিমূৰ্তিত মাল্যাপণ কৰে বাৰপূজীয়া সৰ্বজনীন দৌল মন্দিৰ উন্নয়ন সমিতিৰ সম্পাদক শ্ৰীমন্ত ডেকাই। বিষ্ণু ৰাভা দিৱসৰ উদযাপন সমিতিৰ সম্পাদক মুকেশ শইকীয়া আঁত ধৰা অনুষ্ঠান টিত। শ্বহীদ তৰ্পণ কৰে সমাজসেৱক পৱিত্ৰ লৰ আৰু প্ৰাক্তন উপ আৰক্ষী অধীক্ষক দুলেন ডেকা। ইয়াৰ পিছতে বৃক্ষৰোপণ কৰে কপিলী আঞ্চলিক পঞ্চায়তৰ সভাপতি প্ৰাঞ্জল কুমাৰ নাথ, আদৰ্শ শিশু নিকেতনৰ অধ্যক্ষ অৰবিন্দ ডেকা আৰু বাৰপূজীয়া আঞ্চলিক ক্ৰীড়া সন্থাৰ সভাপতি হৰিদেৱ ডেকাই। দুপৰীয়া ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰি বিয়লি সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হৈ হিয়াৰ আমঠু প্ৰাণৰ শিল্পী জুবিন গাৰ্গ প্ৰতিচ্ছবিৰ সন্মুখত বন্তী প্ৰজ্বলন কৰে বিশিষ্ট সমাজসেৱক হেমন্ত কুমা শইকীয়া আৰু মাল্যৰ্পণ কৰে শিক্ষক বিতুমণি শৰ্মাই। ইয়াৰ পিছতে বঁটা বিতৰণী অনুষ্ঠান অনুষ্ঠিত কৰি বিষ্ণু প্ৰসাদ ৰাভা দেৱৰ বিভিন্ন গীত নৃত্যৰে জীপাল এক মনোৰঞ্জনপূৰ্ণ বিষ্ণু সন্ধিয়া অনুষ্ঠিত কৰে। বিষ্ণু সন্ধিয়া অনুষ্ঠানটি উদ্বোধন কৰে বিশিষ্ট শিল্পী প্ৰদীপ পাতৰে। বিষ্ণু ৰাভা দিৱস উদযাপন সমিতিৰ সভাপতি টুলটুল ডেকা আৰু যুটীয়া সম্পাদক দীপজ্যোতি দেউৰী, মুকেশ শইকীয়া লগতে বাৰপূজীয়া শাখাৰ অসম নাট্য সন্মিলনৰ সভাপতি বিমল ডেকা আৰু সম্পাদক শংকৰ ডেকা সহ সকলো বিষয়ববীয়া উপস্থিত আৰু সহায় সহযোগত বহু ৰাইজৰ সমাগমে অনুষ্ঠান টি সফল সামৰণি পৰে।

# অম্বুবাচী মহাযোগক লৈ প্ৰশাসনৰ

উদ্দেশ্যে পথ মেৰামতি আৰু সৌন্দৰ্যবৰ্ধনমূলক কাম-কাজ চলি আছে। জিলা প্ৰশাসন সূত্ৰে জানিবলৈ দিয়া মতে, অম্বুবাচী মহাযোগ উপলক্ষে কামাখ্যা ধামলৈ অহা অসংখ্য ভক্ত-তীৰ্থযাত্ৰীৰ সুৰক্ষা আৰু সুবিধা নিশ্চিত কৰিবলৈ প্ৰশাসনে বিস্তৃত প্ৰস্তুতি গ্ৰহণ কৰিছে। এই সময়ছোৱাত মহানগৰীৰ ভিতৰুৱা তথা কামাখ্যা ধামলৈ যোৱা পথসমূহত সাময়িকভাৱে যান-জট বৃদ্ধি পাব পাৰে বুলি আশংকা কৰা হৈছে। বিশেষকৈ পুৱা আৰু আবেলিৰ ব্যস্ত সময়ছোৱাত যান-বাহনৰ প্ৰবাহ বাঢ়ি যোৱাৰ সম্ভাৱনা আছে, যাৰ ফলত যাত্ৰাৰ বাবে সাধাৰণতকৈ অধিক সময় লাগিব পাৰে। এই পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি নাগৰিকসকলক নিজৰ যাত্ৰাসমূহ আগতীয়াকৈ পৰিকল্পনা কৰিবলৈ জিলা প্ৰশাসনে অনুৰোধ জনাইছে। কোনো বৈঠক, সাক্ষাৎ, অনুষ্ঠান অথবা অন্যান্য গুৰুত্বপূৰ্ণ কামত অংশগ্ৰহণ কৰাৰ ক্ষেত্ৰত কিছু অতিৰিক্ত সময় হাতত ৰাখিবলৈ আহ্বান জনোৱা হৈছে। লগতে অম্বুবাচী মহাযোগৰ সময়ছোৱাত মহানগৰীৰ ব্যস্ততা অধিক হ'ব বুলি বিবেচনা কৰি আৱশ্যক নোহোৱা যাত্ৰা নকৰিবলৈও পৰামৰ্শ দিয়া হৈছে। ইফালে, গুৱাহাটী যান-বাহন আৰক্ষীয়ে যান-বাহনৰ চলাচল সুচাৰুৰূপে পৰিচালনা কৰা আৰু সাধাৰণ জনতাৰ অসুবিধাসমূহ যথাসম্ভৱ হ্ৰাস কৰাৰ বাবে সকলোধৰণৰ প্ৰয়াস অব্যাহত ৰাখিছে। কামাখ্যা ধামৰ ওচৰৰ মূল পথসমূহত বিশেষ ট্ৰাফিক ব্যৱস্থাপনা গ্ৰহণ কৰা হৈছে। গুৰুত্বপূৰ্ণ চৌমুহত অতিৰিক্ত আৰক্ষী মোতায়েন কৰাৰ লগতে যান-জটৰ সময়ত বিকল্প পথৰ ব্যৱস্থাও ৰখা হৈছে। ইয়াৰ উপৰি জৰুৰীকালীন সেৱাসমূহ যাতে নিৰ্বিঘ্নে চলি থাকে তাৰ বাবেও বিশেষ নজৰ ৰখা হৈছে। প্ৰশাসনে এই সময়ছোৱাত সকলো নাগৰিকৰ সহযোগিতা আৰু বুজাবুজি কামনা কৰিছে। সময়ে সময়ে জাৰি কৰা যান-বাহন সম্পৰ্কীয় পৰামৰ্শ আৰু নিৰ্দেশনাসমূহ মানি চলিবলৈ জনসাধাৰণলৈ আহ্বান জনোৱা হৈছে। বিশেষকৈ কামাখ্যা ধাম অভিমুখী ভক্তসকলে যাতে নিৰ্দিষ্ট পাৰ্কিং স্থান ব্যৱহাৰ কৰে আৰু নিয়ম মানি চলে তাৰ বাবে সজাগ কৰা হৈছে। উল্লেখযোগ্য যে, অম্বুবাচী মেলাৰ সময়ত কামাখ্যা ধামত প্ৰতি বছৰে লক্ষাধিক ভক্ত-তীৰ্থযাত্ৰীৰ সমাগম হয়। এইবাৰো আগতে স্বাভাৱিক যাতায়াত প্ৰণালীত কিছু পৰিৱৰ্তন আনিবলগীয়া হোৱাৰ সম্ভাৱনা আছে। পূৰ্বৰ অভিজ্ঞতাৰ ভিত্তিত প্ৰশাসনে পৰ্যাপ্ত প্ৰস্তুতি গ্ৰহণ কৰিছে যদিও জনসাধাৰণৰ সক্ৰিয় সহযোগিতাই মহানগৰবাসীৰ লগতে অম্বুবাচী মেলালৈ অহা ভক্ত-তীৰ্থযাত্ৰীসকলৰ বাবে এক সুৰক্ষিত, সুশৃংখল আৰু আনন্দময় অভিজ্ঞতা নিশ্চিত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি প্ৰশাসনীয় সূত্ৰই জানিবলৈ দিছে। অম্বুবাচী মহাযোগৰ সময়ছোৱাত গুৱাহাটীবাসীসকলে প্ৰশাসনৰ সৈতে সহযোগিতা বজাই ৰাখি যাতে এই ধৰ্মীয় উৎসৱটো সুস্থুভাৱে সম্পন্ন হয় তাৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছে।

# প্ৰথমবাৰৰ বাবে অসমত

দেৱজিৎ শইকীয়া, অসম ক্ৰিকেট সংস্থাৰ সভাপতি তৰংগ গগৈ, সম্পাদক সনাতন দাস, অন্যান্য বিষয়ববীয়া, ফ্ৰেঞ্চাইজিৰ স্বত্বাধিকাৰী আৰু বিপুল সংখ্যক ক্ৰীড়াপ্ৰেমীৰ উপস্থিতিত লীগৰ অফিচিয়েল ল'গ', ট্ৰফী আৰু অংশগ্ৰহণকাৰী দলসমূহৰ পৰিচয় উন্মোচন কৰে। অসম প্ৰিমিয়াৰ লীগৰ অধ্যক্ষ ৰাজদীপ ওজাই আদৰণি ভাষণেৰে অনুষ্ঠানটোৰ শুভাৰম্ভ কৰে। তেওঁ লীগটোৰ আঁৰৰ দৃষ্টিভংগী আৰু ই উদীয়মান ক্ৰিকেটাৰসকলৰ বাবে কেনেকৈ এক বৃত্তিগত তথা বহনক্ষম মঞ্চ গঢ়ি তুলিব, সেই বিষয়ে আলোকপাত কৰে। তেওঁ কয় যে এপিএল মুকলি কৰাৰ মূল উদ্দেশ্য হৈছে ৰাজ্যৰ ঘৰুৱা খেলুৱৈসকলক নিজা মাটিত এক নিয়মীয়া প্ৰতিযোগিতামূলক মঞ্চ প্ৰদান কৰা আৰু অসমৰ ক্ৰিকেট প্ৰতিভাৰ উৎকৰ্ষ সাধন কৰা। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ভাষণ প্ৰদান কৰি কয়, "অসমৰ ৰাইজৰ হৃদয়ত ক্ৰিকেটৰ এক বিশেষ স্থান আছে। অসম প্ৰিমিয়াৰ লীগৰ শুভাৰম্ভই আমাৰ ৰাজ্যত ক্ৰীড়াৰ ক্ষেত্ৰত এক যুগান্তকাৰী ক্ষণক প্ৰতিনিধিত্ব কৰিছে। মই নিশ্চিত যে এই লীগ অনাগত বছৰবোৰত আটাইতকৈ প্ৰভাৱশালী ৰাজ্যিক লীগসমূহৰ ভিতৰত অন্যতম হৈ পৰিব।" তেওঁ অসম ক্ৰিকেট সংস্থা আৰু লীগ পৰিচালনাক এই উদ্যোগৰ বাবে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে আগন্তুক প্ৰতিযোগিতালৈ আটাইবোৰ দলক শুভকামনা জনায়। বিচিচিআইৰ যুটীয়া সম্পাদক দেৱজিৎ শইকীয়াই কয়, "বিচিচিআয়ে সদায় শক্তিশালী ঘৰুৱা ক্ৰিকেটৰ বিকাশক উদগনি দি আহিছে। অসম প্ৰিমিয়াৰ লীগৰ দৰে এক বৃত্তিগতভাৱে পৰিচালিত ৰাজ্যিক লীগে ক্ৰিকেট গাঁথনিটোলৈ উল্লেখনীয় গভীৰতা কঢ়িয়াই আনিব।" তেওঁ অসম ক্ৰিকেটৰ উত্থানত এই লীগে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি মত প্ৰকাশ কৰে। উদ্বোধনী সংস্কৰণত মুঠ আঠটা দলয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। দলসমূহ হ'ল-যোৰহাট ষ্টেলিয়নছ(Jorhat Stallions), তেজপুৰ টাইটানছ (Tezpur Titans), ডিব্ৰুগড় ৱাৰিয়ৰ্ছ (Dibrugarh Warriors), বৰাক লেজেণ্ডছ (Barak Legends), নগাঁও ৰেঞ্জাৰ্ছ (Nagaon Rangers), বৰপেটা ব্ৰেভছ (Barpeta Braves), গুৱাহাটী ৰয়েলছ (Guwahati Royals), চৰাইদেউ ছানৰাইজাৰ্ছ (Charaideo Sunrisers)। অসম ক্ৰিকেট সংস্থাই জনোৱা মতে, এই লীগে ৰাজ্যৰ তৰুণ ক্ৰিকেটাৰসকলক আন্তঃৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰাৰ সুযোগ প্ৰদান কৰাৰ লগতে অসমক ক্ৰিকেটৰ এখন প্ৰধান কেন্দ্ৰ হিচাপে গঢ়ি তোলাত সহায় কৰিব। খেলুৱৈৰ নিলাম (Auction), খেলৰ সূচী আৰু অন্যান্য সবিশেষ তথ্য অনাগত সপ্তাহবোৰত ঘোষণা কৰা হ'ব বুলি সংস্থাই জানিবলৈ দিয়ে। অসম প্ৰিমিয়াৰ লীগৰ উদ্বোধনক লৈ ক্ৰিকেট মহলত ব্যাপক উৎসাহ-উদ্দীপনা লক্ষ্য কৰা গৈছে। বহু ক্ৰীড়াপ্ৰেমীয়ে এই পদক্ষেপক অসম ক্ৰিকেটৰ বাবে এক মাইলৰখুঁটি বুলি অভিহিত কৰিছে। মুখ্যমন্ত্ৰীয়ে আগন্তুক প্ৰতিযোগিতাসমূহ সুস্থু আৰু ন্যায্য পদ্ধতিত সম্পন্ন কৰিবলৈ প্ৰয়োজনীয় নিৰ্দেশনা প্ৰদান কৰাৰ লগতে সকলোকে সফলতাৰ শুভকামনা জনায়।

# কৰ্কট ৰোগ চিকিৎসা সুলভ-সহজলভ্য

পৰ্যালোচনা বৈঠকত মিলিত হয়। মুখ্যমন্ত্ৰীয়ে অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ পৰিচালনা সমিতিৰ সভাত অধ্যক্ষতা কৰে। সভাত ৰাজ্যজুৰি কৰ্কট চিকিৎসা আৰু চিকিৎসালয় সেৱাৰ অগ্ৰগতিৰ বিস্তৃত পৰ্যালোচনা কৰা হয়। তদুপৰি নাৰ্ছিং শিক্ষা, দক্ষতা বিকাশ আৰু সামূহিক সজাগতা কাৰ্যসূচীৰ অগ্ৰগতি মূল্যায়ন কৰা হয়। সভাত কৰ্কট চিকিৎসাৰ আন্তঃগাঁথনি আৰু ক্লিনিকেল উৎকৰ্ষ বৃদ্ধি সন্দৰ্ভত গভীৰ আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে স্বাস্থ্যসেৱা খণ্ডৰ কৰ্মীসকলক অধিক সহায় আগবঢ়োৱা আৰু ৰোগীসেৱাৰ মান উন্নীতকৰণত বিশেষ গুৰুত্ব প্ৰদান কৰে। জিলা পৰ্যায়ত ধঁপাতজনিত কৰ্কট ৰোগ প্ৰতিৰোধ আৰু সচেতনতা বৃদ্ধিৰ দিশত জোৰ দি তেওঁ অসম আৰু উত্তৰ-পূৰ্বাঞ্চলত সুলভ, সহজলভ্য আৰু মানসম্পন্ন কৰ্কট চিকিৎসা সুনিশ্চিত কৰাৰ প্ৰতিশ্ৰুতি পুনৰ ব্যক্ত কৰে। অসম চৰকাৰৰ স্বাস্থ্যসেৱা আন্তঃগাঁথনি ইতিহাসৰ আটাইতকৈ ডাঙৰ সম্প্ৰসাৰণৰ সন্মুখীন হৈ আছে বুলি উল্লেখ কৰি ৰৰখন চলি থকা আৰু ৪খন অহা চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ কাম পৰ্যালোচনা কৰা হয়। আনহাতে, দেওবাৰে মুখ্যমন্ত্ৰীয়ে লোকসেৱা ভৱনত কেইবাখনো বৈঠকত মিলিত হয়। কৃষি, জলসিঞ্চন আৰু জলসম্পদ বিভাগৰ বাজেট প্ৰস্তুতি বিষয়ক এখন বৈঠকত অধ্যক্ষতা কৰি তেওঁ কৃষি উৎপাদনশীলতা বৃদ্ধি, অধিক কৃষকক জলসিঞ্চন সুবিধাৰ আওতালৈ অনা আৰু ৰাজ্যজুৰি জলসম্পদ ব্যৱস্থাপনা অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে বিভিন্ন প্ৰস্তাৱ পৰ্যালোচনা কৰে। ইয়াৰ উপৰি মুখ্যমন্ত্ৰীয়ে অসমৰ দীৰ্ঘম্যাদী বিকাশ আৰু উন্নয়নৰ গতি অধিক ত্বৰান্বিত কৰাৰ লক্ষ্যৰে গুৰুত্বপূৰ্ণ ৰাজহুৱা-ব্যক্তিগত অংশীদাৰিত্ব উদ্যোগ আৰু বিত্তীয় সম্ভাৱনাসমূহৰ পৰ্যালোচনা কৰে। 'বিকশিত অসম 2047'ৰ দৃষ্টিভংগীক আগবঢ়াই নিবলৈ আন্তঃগাঁথনি উন্নয়ন ত্বৰান্বিত কৰা, স্বাস্থ্যসেৱাৰ পৰিসৰ বৃদ্ধি কৰা আৰু শক্তিখণ্ডৰ আন্তঃগাঁথনি অধিক শক্তিশালী কৰাৰ দিশত বৈঠকত বিশেষ গুৰুত্ব প্ৰদান কৰা হয়। উল্লেখযোগ্য যে অসম চৰকাৰে ৰাজ্যৰ স্বাস্থ্যঞ্জযসেৱা খণ্ডত বৃহৎ পৰিমাণৰ বিনিয়োগ কৰি আছে। বৰ্তমান ৰাজ্যখনত কেইবাখনো নতুন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ কাম দ্ৰুতগতিত আগবাঢ়িছে। কৰ্কট ৰোগৰ দৰে জটিল ৰোগৰ চিকিৎসা ৰাজ্যৰ দৰিদ্ৰ ৰোগীসকলৰ বাবে সহজলভ্য কৰি তোলাৰ বাবে চৰকাৰে কেইবাটাও আঁচনি হাতত লৈছে। মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই ছচিয়েল মিডিয়াত এই বৈঠকসমূহৰ বিষয়ে শ্বেয়াৰ কৰি কয় যে অসম চৰকাৰে ৰাজ্যজুৰি স্বাস্থ্যসেৱা আন্তঃগাঁথনি সম্প্ৰসাৰণ আৰু উন্নয়নক অগ্ৰাধিকাৰ দিছে। সকলো প্ৰকল্প সময়মতে সম্পূৰ্ণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। বৈঠকসমূহত সংশ্লিষ্ট বিভাগৰ মুখ্য সচিব, প্ৰধান সচিব আৰু উচ্চ পদস্থ বিষয়াসকলে অংশগ্ৰহণ কৰে।

# কংগ্ৰেছ "নতুন মুছলিম লীগ পাৰ্ট-টু"

অহা ২২ জুনত তেওঁ আনুষ্ঠানিকভাৱে শপত গ্ৰহণ কৰিব বুলি ঘোষণা কৰে। সমষ্টিৰ ভোটাৰসকলৰ উদ্দেশ্যে বিধায়ক আজমলে কয়, "আমাক ভোট দিলে আমি দোৱা কৰোঁ, য'তেই যাওঁ ৰাইজৰ বাবে দোৱা কৰোঁ।" তেওঁ নিজকে এজন জনসেৱক হিচাপে প্ৰমাণ কৰিবলৈ সদায় সাজু বুলিও উল্লেখ কৰে। ইয়াৰ লগতে তেওঁ নিৰ্বাচনী প্ৰতিশ্ৰুতি পূৰণৰ বাবে নিজৰ প্ৰতিশ্ৰুতি পুনৰ দৃঢ় কৰে। আনহাতে, ৰাইজৰ দলৰ সভাপতি তথা বিধায়ক অখিল গগৈক লক্ষ্য কৰি আজমলে তীব্ৰ সমালোচনা কৰে। অখিল গগৈয়ে আজমলক বিধানসভাক গুৰুত্ব নিদি হিন্দু-মুছলিম ৰাজনীতি কৰাৰ অভিযোগ উত্থাপন কৰাৰ প্ৰতিক্ৰিয়াত আজমলে কটাক্ষ কৰি কয়, "পাগলে কি নকৰে, ছাগলীয়ে কি নাখায়।" ইয়াৰ লগতে তেওঁ অখিল গগৈক আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ লগত বহি থাকিবলৈ কৌতুকময় ভাষাত পৰামৰ্শ দিয়ে, যাৰ দ্বাৰা তেওঁ গগৈক তুচ্ছ-তাচ্ছিল্য কৰাৰ ইংগিত দিয়ে। সমষ্টিত পুনৰ উচ্চৈদৰ জাননীক লৈও আজমলে নিজৰ মত প্ৰকাশ কৰে। তেওঁ কয় যে উচ্চৈদ বিষয়ত তেওঁৰ দায়িত্ব তুলনামূলকভাৱে কম, কিয়নো যিসকল অঞ্চলত অধিক সংখ্যক বিধায়ক নিৰ্বাচিত হৈছে তেওঁলোকৰ দায়িত্ব বেছি। তথাপি উচ্চৈদৰ জাননী লাভ কৰা লোকসকলৰ খবৰ ল'ব আৰু যিমান সম্ভৱ সহায় কৰিব বুলি আশ্বাস দিয়ে। তেওঁ কয় যে প্ৰতিজন নাগৰিকৰ সমস্যা সমাধানতে তেওঁ সদায় আগ্ৰহী। উল্লেখযোগ্য যে, কংগ্ৰেছ দলকো সমালোচনাৰ লক্ষ্য কৰি আজমলে কয়-কংগ্ৰেছ "নতুন মুছলিম লীগ পাৰ্ট—টু" (Muslim League Part Two) হৈ পৰিছে। তেওঁ কংগ্ৰেছে সংখ্যালঘু সম্প্ৰদায়ৰ ভোটৰ ওপৰত নিৰ্ভৰ কৰি ৰাজনীতি কৰাৰ অভিযোগ উত্থাপন কৰে আৰু কয় যে এই দলটোৱে আৰু কোনো ধৰণৰ ইতিবাচক ভূমিকা পালন কৰিব নোৱাৰে। অন্যান্য বিষয়ৰ মাজত তেওঁ ৰাজ্যৰ বৰ্তমান ৰাজনৈতিক পৰিস্থিতি, উন্নয়নমূলক কাম-কাজ আৰু আগন্তুক দিনৰ কাৰ্যসূচী সম্পৰ্কেও সংক্ষিপ্ত মন্তব্য আগবঢ়ায়। আজমলৰ এই মন্তব্যৰ পিছত ৰাজ্যৰ ৰাজনৈতিক মহলত নতুন জল্পনা-কল্পনাৰ সৃষ্টি হৈছে আৰু ইয়াক লৈ বিভিন্ন দলৰ পৰা প্ৰতিক্ৰিয়া আহিবলৈ আৰম্ভ কৰিছে। অহা ২২ জুনত তেওঁ বিধানসভাত শপত গ্ৰহণ কৰিব বুলি জানিব পৰা গৈছে, যি দিনটোলৈ ৰাজ্যজুৰি ৰাজনৈতিক মহলৰ চকু ৰ'ব।

# নৌসেনাত অন্তৰ্ভুক্ত তিনিখন থলুৱা

আইএনএছ দুনাগিৰি, আইএনএছ সংশোধক আৰু আইএনএছ আগৰক-নৌসেনাৰ বহৰত যোগদান কৰে। অনুষ্ঠানত ভাষণ দি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে শক্তিশালী সামুদ্ৰিক সামৰ্থ্য এখন দেশৰ অৰ্থনৈতিক আৰু কৌশলগত প্ৰভাৱৰ ক্ষেত্ৰত এক নিৰ্ণায়ক কাৰক। ভাৰতে এই কথাটো সম্পূৰ্ণৰূপে উপলব্ধি কৰিছে আৰু সেই অনুসৰি নিজৰ প্ৰস্তুতি চলাইছে। তেওঁ সামুদ্ৰিক ক্ষেত্ৰক বিচ্ছিন্ন নহয় বুলি উল্লেখ কৰি ইয়াক 'উন্নত ভাৰতৰ নিয়োগ ইঞ্জিন' বুলি অভিহিত কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে কয়, "ভাৰতে নিৰ্মাতা হোৱাৰ আকাংক্ষা পুহি ৰাখিছে। নিৰ্মাতা হিচাপে আমি নিৰ্ণায়ক ভূমিকা ল'ম। আমি এই দিশত দ্ৰুতগতিত আগবাঢ়িছো। শেহতীয়া বছৰবোৰত ৪০ খনতকৈও অধিক দেশত নিৰ্মিত যুদ্ধজাহাজ আৰু চাবমেৰিনে নৌ-সেনাৰ শক্তি বৃদ্ধি কৰিছে।" তেওঁ লগতে কয়, "ইয়াৰ অৰ্থ হ'ল ভাৰতৰ নৌসেনাই প্ৰায় কেইসপ্তাহমানৰ মূৰে মূৰে নতুন শক্তি লাভ কৰে। বৰ্তমান ৪৫খন বৃহৎ নৌসেনাৰ মঞ্চ নিৰ্মাণৰ কাম চলি আছে। এয়া কেৱল এক সংখ্যা নহয়, এয়া ভাৰতৰ ঔদ্যোগিক ক্ষমতাৰ প্ৰমাণ-ই ভাৰতৰ ভৱিষ্যতৰ চিন।" প্ৰধানমন্ত্ৰীয়ে স্পষ্ট ভাষাত কয় যে প্ৰতিৰক্ষা সঁজুলি ক্ৰয়ৰ ক্ষেত্ৰত ভাৰতে মাথোঁ ক্ৰেতা হৈ থাকিব নিবিচাৰে। তেওঁ কয়, "দেশৰ সশস্ত্ৰ বাহিনীও কেৱল বিশ্বৰ বাবে বজাৰ হ'ব নোৱাৰে। বিশ্বৰ বাবে বজাৰ হ'ব পৰাকৈ যোগ্যতা অৰ্জন কৰাৰ সলনি আমাৰ সামজন মস একমাত্ৰ আমাৰ আত্মনিৰ্ভৰশীলতাৰ দ্বাৰা সংজ্ঞায়িত কৰা হয়। সৃষ্টিকৰ্তা হিচাপে ভাৰতে সামুদ্ৰিক খণ্ডতো বিশ্বব্যাপী সিদ্ধান্ত গ্ৰহণকাৰী হিচাপে আত্মপ্ৰকাশ কৰিব।" মোদীয়ে কয়, "সামুদ্ৰিক শক্তি অবিহনে কোনো দেশে বৃহৎ শক্তিত পৰিণত হ'ব নোৱাৰে। উন্নয়ন, নিৰাপত্তা আৰু সমৃদ্ধিকে ধৰি প্ৰতিটো বিষয় সাগৰৰ সৈতে বান্ধ খাই আছে।" তেওঁ উল্লেখ কৰে যে ভাৰতে পূৰ্বে যুদ্ধজাহাজ আইএনএছ বিক্ৰান্তক অন্তৰ্ভুক্ত কৰি নিজৰ সামুদ্ৰি প্ৰদৰ্শন কৰিছিল আৰু সাম্প্ৰতিক সময়ত ৪০ খনতকৈও অধিক যুদ্ধজাহাজ আৰু চাবমেৰিন নৌসেনাত সংযোজন কৰা হৈছে। অনুষ্ঠানত উপস্থিত থকা বিশিষ্ট ব্যক্তিসকলৰ ভিতৰত আছিল পশ্চিমবংগৰ ৰাজ্যপাল আৰ এন ৰবি, মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰী আৰু ভাৰতীয় নৌসেনাৰ মুখ্য এডমিৰেল কৃষ্ণ স্বামীনাথন। জাহাজসমূহৰ ডিজাইন ভাৰতীয় নৌসেনাৰ যুদ্ধজাহাজ ডিজাইন ব্যুৰোৱে প্ৰস্তুত কৰিছিল আৰু কলকাতাস্থিত প্ৰতিৰক্ষা পিএছইউ গাৰ্ডেন ৰিচ শ্বিপবিল্ডাৰ্ছ এণ্ড ইঞ্জিনিয়াৰ্ছ লিমিটেডে শচজিআৰএছইগ্ন নিৰ্মাণ কৰিছিল। তিনি জাহাজৰ ভিতৰত আইএনএছ দুনাগিৰি পঞ্চম প্ৰজেক্ট ১৭ᥣ ষ্টেলথ ফ্ৰিগেট, য'ত ব্ৰহ্মছ ছাৰ্ফেচ টু ছাৰ্ফেচ মিছাইল আৰু 'মিডিয়াম ৰেঞ্জ ছাৰ্ফেচ টু এয়াৰ মিছাইল' ব্যৱস্থাকে ধৰি উন্নত অস্ত্ৰ আৰু চেন্সৰেৰে সজ্জিত। আইএনএছ সংশোধক চতুৰ্থ জৰীপ জাহাজ (বৃহৎ) হিচাপে উপকূলীয় আৰু গভীৰ জলৰাশিত জৰীপ চলোৱাৰ লগতে প্ৰতিৰক্ষা আৰু অসামৰিক প্ৰয়োগৰ বাবে সাগৰীয় আৰু ভূ-ভৌতিক তথ্য সংগ্ৰহৰ বাবে অনন্য শৈলীৰে নিৰ্মাণ কৰা হৈছে। আইএনএছ আগৰক আৰ্ণালা শ্ৰেণীৰ এণ্টি-ছাবমেৰিন ৱাৰফেয়াৰ শ্বেল' ৱাটাৰ ক্ৰাফ্ট-য'ত লঘু টৰ্পিডো, থলুৱা ৰকেট লঞ্চাৰ আৰু অগভীৰ পানীৰ ছ'নাৰ ব্যৱস্থাৰে সজ্জিত, যাৰ ফলত উপকূলীয় জলৰাশিত পানীৰ তলেৰে সম্ভাব্য যিকোনো প্ৰত্যাহ্বান প্ৰতিহত কৰিব পাৰে। উল্লেখযোগ্য যে, এই প্লেটফৰ্মসমূহৰ থলুৱা বিষয়বস্তু ৭৫ শতাংশতকৈ অধিক আৰু ইয়াৰ নিৰ্মাণত ২০০ৰো অধিক এমএছএমইকে ধৰি ভাৰতীয় উদ্যোগে সক্ৰিয় অংশগ্ৰহণ কৰে। এই সাফল্যই ভাৰতৰ আত্মনিৰ্ভৰশীলতা আৰু স্থানীয় প্ৰতিৰক্ষা উৎপাদনৰ দিশত এক ঐতিহাসিক মাইলৰ খুঁটি বুলি অভিহিত কৰিছে প্ৰধানমন্ত্ৰীয়ে।

# আজিৰে পৰা আৰম্ভ হ'ব অম্বুবাচী

কৰ্তৃপক্ষই জানিবলৈ দিছে। পৰম্পৰা অনুসৰি অম্বুবাচীৰ তিনিদিন মন্দিৰ বন্ধ থাকিব। ২৬ জুনৰ পুৱা পৰম্পৰাগত ৰীতি অনুসৰি দেৱীস্নান আদি কাৰ্য সম্পন্ন কৰাৰ পাছত মন্দিৰৰ দুৱাৰ খোলা হ'ব। তাৰ পিছত ভক্তসকলে মা কামাখ্যাৰ দৰ্শন লাভ কৰিব পাৰিব। অম্বুবাচী মহাযোগৰ সময়ছোৱাত শক্তিৰূপী মা কামাখ্যাৰ জপ-তপ আৰু আৰাধনাৰ বাবে নীলাচল পাহাৰত সমৱেত হৈছে দেশ-বিদেশৰ বহু সাধু-সন্নঞ্জযাসী। ভক্তিমাৰ্গত বুৰ গৈ থকা নীলাচল পাহাৰ এতিয়া উদুলি-মুদুলি হৈ পৰিছে। সোমবাৰৰ পৰা অম্বুবাচী মহাযোগ আৰম্ভ হ'বলৈ গৈছে। সময় সাপেক্ষে কামাখ্যা মন্দিৰৰ চৌপাশৰ ৰূপ সলনি হৈছে যদিও ইয়াৰ আধ্যাত্মিকতা আৰু আস্থা আজিও অক্ষয়। যুগ যুগ ধৰি চলি অহা পৰম্পৰাতেই মা কামাখ্যা মন্দিৰ পৰিচালিত হৈ আহিছে। মা কামাখ্যা মন্দিৰৰ আধ্যাত্মিক পৰিৱেশে সকলোকে মানসিক প্ৰশান্তি দিয়ে আৰু যাৰ বাবেই দেশ-বিদেশৰ অগণন লোকৰ ইয়ালৈ সমাগম ঘটে। নীলাচলৰ বুকুত প্ৰৱেশ কৰাৰ লগে লগেই সকলোৱে এক অনন্য প্ৰশান্তি তথা সন্তুষ্টি লাভ কৰে বুলি অভিজ্ঞসকলে কয়। কেৱল অম্বুবাচী মহাযোগ বুলিয়েই নহয়, আন সকলো সময়তো নীলাচল পাহাৰ ভক্তৰে মুখৰিত হৈ থাকে। কিন্তু অম্বুবাচী মহাযোগৰ সময়ত নীলাচল পাহাৰ লোকাৰণ্য হৈ পৰে। কেৱল নীলাচল পাহাৰেই নহয়, গুৱাহাটী মহানগৰীও ইয়াৰ প্ৰভাৱত উজ্জঞ্জবলি উঠে। এইবাৰ অম্বুবাচী মহাযোগত আঠ লাখৰো অধিক ভক্ত-দৰ্শনাৰ্থী আৰু সাধু-সন্নঞ্জযাসীৰ আগমন ঘটাৰ সম্ভাৱনা ব্যক্ত কৰিছে কামাখ্যা দেৱালয় কৰ্তৃপক্ষই। উল্লেখ্য যে সনাতনী হিন্দুৰ অন্যতম পবিত্ৰ আৰু আস্থাৰ তীৰ্থস্থল নীলাচল পাহাৰৰ ৰহস্যই আজিও বহুতৰ মনত অলেখ কৌতূহলৰ সৃষ্টি কৰে। নীলাচলৰ ৰহস্যই অগণন ভক্তিপ্ৰাণ লোকক আজিও আলোঞ্জতি কৰে। তন্ত্ৰ-মন্ত্ৰৰ সাধনা সিদ্ধিৰ বাবে অগণন লোকৰ আগমন ঘটে নীলাচল পাহাৰত। অম্বুবাচী মহাযোগৰ কেইদিনত মন্দিৰ চৌহদত অৱস্থান কৰে দেশ-বিদেশৰ বহু সাধু-সন্নঞ্জযাসী তথা তান্ত্ৰিক। মেলাৰ কেইদিনত সাধকৰ সাধনাৰে নীলাচল পাহাৰ মুখৰ হৈ পৰে। সম্পূৰ্ণৰূপে আধ্যাত্মিক পৰিৱেশত বিলীন হৈ যায় মন্দিৰ চৌহদ। অম্বুবাচী মহাযোগৰ কেইদিনত সাধু-সন্নঞ্জযাসীৰ বহু লৌকিক-অলৌকিক কাৰ্যকলাপ দেখিবলৈ পোৱা যায়। নীলাচল পাহাৰত মা কামাখ্যাৰ মূল মন্দিৰৰ লগতে আছে ভুৱনেশ্বৰী, বগলামুখী, ছিন্নমস্তা, ত্ৰিপুৰা সুন্দৰী, তাৰা, কালী, ভৈৰৱী, ধূমাৱতী, মাতংগী আৰু কমলা। মূল শক্তিপীঠৰ মুখ্য দুৱাৰৰ বাহিৰতে এই দশ দেৱীৰ মূৰ্তিৰ পূজা-অৰ্চনা কৰা হয়। নীলাচল পাহাৰৰ অপৰূপ সৌন্দৰ্যৰ মাজত অৱস্থিত কামাখ্যা দেৱীৰ মন্দিৰটো তিনিটা খণ্ডত বিভক্ত। বিশেষ আশ্চৰ্যজনক বিষয়-এই তিনিটা খণ্ডৰ এটা পাথৰৰ পৰা প্ৰতি মুহূৰ্তত অহৰহ পানী নিগৰিত হৈ থাকে। মূল প্ৰৱেশদ্বাৰৰ লগতে আছে তিনিখন দুৱাৰ। পূৰ্বদুৱাৰত গণেশ, নন্দী আৰু হনুমন্ত, পশ্চিম দুৱাৰত ভৃংগী, উত্তৰ আৰু দক্ষিণত মহাকাল সদায় থাকে। তেওঁলোকে দেৱীক সুৰক্ষিত ৰখাত সদায় জাগ্ৰত প্ৰহৰী হিচাপে কাম কৰে। নীলাচল পাহাৰত কামাখ্যা দেৱালয়ৰ উপৰি ৰুটা অন্যান্য মন্দিৰ আছে। তাৰ ভিতৰত তাৰা মন্দিৰ, কালী মন্দিৰ, ভুৱনেশ্বৰী মন্দিৰ, সিদ্ধেশ্বৰ মন্দিৰ, গণেশ মন্দিৰ, পাণ্ডুনাথ মন্দিৰ আদি বিশেষভাৱে প্ৰসিদ্ধ। পাহাৰৰ মাটিৰ পৰা চম্ভ ফুট তলত থকা এটা গুহাত অৱস্থিত কামাখ্যা শক্তিপীঠ। মূল মন্দিৰত প্ৰৱেশৰ পূৰ্বে সৌভাগ্য কুণ্ডত স্নান কৰি বা পানী ছটিয়াই ভক্তই প্ৰথমতে গণেশ দেৱতাক পূজা কৰে আৰু মন্ত্ৰ জপ কৰি মূল গৃহত প্ৰৱেশ কৰে। সমগ্ৰ নীলাচল পাহাৰেই ৰহস্যৰে ভৰা-এই ৰহস্যৰ মাজতে সোমবাৰৰ পৰা কামাখ্যা মন্দিৰত আৰম্ভ হ'ব অম্বুবাচী মহাযোগ।

# অসম-নাগালেণ্ড সীমান্তত নগা সশস্ত্ৰ

প্ৰাপ্ত বিৱৰণী অনুসৰি, দেওবাৰে পুৱাৰ পৰা নগাজাংকাত অসমীয়া শ্ৰমিকসকলে মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিশ্চয়কৰণ আইন (জব কাৰ্ড)ৰ অধীনত পথচোৱা মেৰামতিৰ কামত ব্যস্ত আছিল। সেই সময়তে সশস্ত্ৰ নগা দুৰ্বৃত্তৰ এটা দলে ঘটনাস্থলীত উপস্থিত হৈ শ্ৰমিকসকলক তৎক্ষণাত কাম বন্ধ ৰাখি সেই স্থান এৰি যাবলৈ নিৰ্দেশ দিয়ে। অস্ত্ৰৰ ভয় দেখুৱাই তেওঁলোকে দাবী কৰে যে উক্ত ভূমি নাগালেণ্ডৰ অংশ। শ্ৰমিকসকলে আতংকিত হৈ কাম বাদ দি পলায়ন কৰিবলৈ বাধ্য হয়। এই ঘটনাই সমগ্ৰ অঞ্চলত এক চৰম আতংকৰ সৃষ্টি কৰিছে। ভুক্তভোগী শ্ৰমিকজন এগৰাকীয়ে কয়, "হাতত অস্ত্ৰ লৈ নগাসকলে আমাক কাম বন্ধ কৰিবলৈ কয় আৰু ভূমিখন তেওঁলোকৰ বুলি দাবী কৰে। আত্মৰক্ষাৰ বাবে আমি কাম এৰি আহিবলৈ বাধ্য হ'লো।" আনহাতে, স্থানীয় ৰাইজেও নিজৰ মৰ্মবেদনা প্ৰকাশ কৰি কয়, "অসমৰ নিজা ভূমিত আমাক অস্ত্ৰৰ ভাবুকি দি ঘৰলৈ ওভতাই পঠিওৱা হৈছে। অসমীয়া শ্ৰমিকে অসমৰ মাটিতে আজি সুৰক্ষাহীনতা অনুভৱ কৰিছে-এই পৰিস্থিতি অত্যন্ত উদ্বেগজনক।" মৰিয়নী বিধায়ক ৰূপজ্যোতি কুৰ্মী আৰু ৰাজ্য চৰকাৰৰ তৎকালীন হস্তক্ষেপৰ বাবে বাসিন্দাসকলে আহ্বান জনাইছে। তেওঁলোকৰ মতে, দীৰ্ঘদিন ধৰি নাগাসকলে অসমৰ ভূমিত অসমীয়াক বিভিন্ন ধৰণে ভাবুকি প্ৰদান কৰি আহিছে, কিন্তু আজি এই প্ৰত্যক্ষ অস্ত্ৰপ্ৰদৰ্শনে সীমান্তীয় অঞ্চলৰ শান্তি-শৃংখলাক গুৰুতৰভাৱে বিপন্ন কৰিছে। উল্লেখ্য যে অসম-নাগালেণ্ড সীমান্তত ভূমি সম্পৰ্কীয় বিবাদ দীৰ্ঘদিনীয়া। অসম চৰকাৰে ইতিমধ্যে সীমান্ত সুৰক্ষা জোৰদাৰ কৰাৰ লগতে এই ধৰণৰ অনাকাংক্ষিত ঘটনাৰ পুনৰাবৃত্তি ৰোধ কৰিবলৈ সীমান্ত সৰ্বেক্ষণ আৰু আন্তঃৰাজ্যিক সমন্বয় বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। অৱশ্যে আজিৰ ঘটনাই পুনৰবাৰ প্ৰশ্ন উত্থাপন কৰিছে-অসমৰ নাগৰিকৰ সুৰক্ষা আৰু অসমৰ ভূ-স্বামীত্ব ৰক্ষা কৰিবলৈ চৰকাৰী প্ৰশাসন কিমান সজাগ আৰু সক্ষম? প্ৰশাসনিক সূত্ৰই জানিবলৈ দিয়া মতে, ঘটনাৰ তদন্ত আৰম্ভ কৰা হৈছে আৰু দোষীসকলৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ইফালে, সীমান্তীয় গাঁওবোৰত অতিৰিক্ত পুলিশ মোতায়েন কৰাৰ লগতে স্থানীয় লোকসকলক সতৰ্ক থাকিবলৈ অনুষ্ঠানিকভাৱে জনাই দিয়া হৈছে। এই ঘটনাই অসম-নাগালেণ্ডৰ মাজত বিদ্যমান সীমান্ত সমস্যাৰ সংবেদনশীলতাক পুনৰ স্পষ্ট কৰি তুলিছে। অসমীয়া শ্ৰমিক আৰু স্থানীয় ৰাইজে আশা প্ৰকাশ কৰিছে যে মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে এই বিষয়টো গুৰুত্ব সহকাৰে লৈ শীঘ্ৰে স্থায়ী সমাধানৰ পদক্ষেপ গ্ৰহণ কৰিব

# গহপুৰৰ পথ দুৰ্ঘটনাত আহত

হেৰুৱাই পথৰ কাষৰ এজোপা প্ৰকাণ্ড গছত প্ৰচণ্ড জোৰে খুন্দা তেওঁ। ফলত গাড়ীখনৰ প্ৰচণ্ড খুন্দাত গাড়ীখনৰ সন্মুখ ভাগ ভাঙি চুৰমাৰ হোৱাৰ লগতে উদ্ধৱ ভৰালী গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। স্থানীয় ৰাইজৰ লগতে ঘটনাস্থলীত উপস্থিত হোৱা স্থানীয় বিধায়ক উৎপল বৰাৰ তৎপৰতাত গাড়ীখনৰ ভিতৰৰ পৰা তেওঁক সংকটজনক অৱস্থাত উদ্ধাৰ কৰি লগে লগে তেওঁক ১০৮ ৰ সহায়ত কলাবাৰী আদৰ্শ চিকিৎসালয়লৈ লৈ যোৱা হয়। তাত তেওঁৰ প্ৰাথমিক চিকিৎসা প্ৰদান কৰাৰ অন্তত লখিমপুৰ মেডিকেল কলেজলৈ উন্নত চিকিৎসাৰ বাবে লৈ যোৱা হয়।

# নিট পৰীক্ষাৰ্থীৰ সুবিধাৰ্থে

প্ৰাপ্ত বিৱৰণী অনুসৰি, পশ্চিম বংগ ভ্ৰমণ সম্পূৰ্ণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দেওবাৰে দুপৰীয়া ১Ê ১৫ বজাত দিল্লী বিমানবন্দৰত অৱতৰণ কৰে। তেওঁৰ নিৰ্ধাৰিত কাৰ্যসূচী অনুসৰি বিমানবন্দৰৰ পৰা পোনে পোনে লোক কল্যাণ মাৰ্গস্থিত নিজা চৰকাৰী আৱাসগৃহলৈ যোৱাৰ কথা আছিল। কিন্তু সেই সময়তে তেওঁ মনত পেলায় যে দুপৰীয়া ২ বজাৰ পৰা সমগ্ৰ দেশতে নিট-ইউজি পৰীক্ষা আৰম্ভ হ'বলৈ আছে। প্ৰশাসনিক বিষয়াসকলৰ মতে, প্ৰধানমন্ত্ৰীৰ কনভয় ৰাজপথেৰে পাৰ হৈ যাওঁতে ভিভিআইপি নিৰাপত্তা নিয়মাৱলী অনুসৰি দিল্লীৰ একাধিক গুৰুত্বপূৰ্ণ স্থানত যান-বাহন চলাচল নিয়ন্ত্ৰণ বা সম্পূৰ্ণৰূপে বন্ধ কৰি দিয়া হয়। পৰীক্ষা আৰম্ভ হ'বলৈ মাত্ৰ চ্ছুপ্ত মিনিট বাকী থকা সময়ছোৱাতে যদি প্ৰধানমন্ত্ৰীৰ কনভয় বিমানবন্দৰৰ পৰা ওলায়, তেন্তে পৰীক্ষাকেন্দ্ৰলৈ যোৱা হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে তীব্ৰ যান-জটৰ সন্মুখীন হ'ব আৰু পৰীক্ষাত বহিবলৈ দেৰি হ'ব পাৰে-এই সম্ভাৱনাকে গুৰুত্ব সহকাৰে বিবেচনা কৰি প্ৰধানমন্ত্ৰীয়ে বিমানবন্দৰত ৰৈ থকাৰেই সিদ্ধান্ত গ্ৰহণ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে আপাত দৃষ্টিত সৰু কিন্তু অতি গুৰুত্বপূৰ্ণ এই সিদ্ধান্তৰ ফলত যান-জটৰ কোনো পৰিস্থিতিৰ সৃষ্টি নহ'ল। পৰীক্ষাৰ্থীসকলে নিৰ্বিঘ্নে নিজ নিজ পৰীক্ষাকেন্দ্ৰত উপস্থিত হৈ পৰীক্ষাত অৱতীৰ্ণ হয়। দুপৰীয়া চ বজাত যেতিয়া সকলো পৰীক্ষাৰ্থী পৰীক্ষাগৃহত প্ৰৱেশ কৰে, তেতিয়াহে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিজৰ নিৰাপত্তা কাফিলাৰ সৈতে বিমানবন্দৰ ত্যাগ কৰি লোক কল্যাণ মাৰ্গস্থিত বাসগৃহৰ অভিমুখে যাত্ৰা কৰে। উল্লেখ্য যে, পূৰ্বতে পেপাৰ লীকৰ বাবে বাতিল হোৱা নিট-ইউজি পৰীক্ষা এইবাৰ অত্যন্ত কঠোৰ নিৰাপত্তা ব্যৱস্থাৰ মাজত পুনৰ অনুষ্ঠিত কৰা হৈছে। দেশখনৰ ৫, ৪৪০টা পৰীক্ষাকেন্দ্ৰ আৰু বিদেশৰ ১৪টা কেন্দ্ৰত একেলগে মুঠ চচ লাখতকৈও অধিক পৰীক্ষাৰ্থীয়ে এই পৰীক্ষাত অংশগ্ৰহণ কৰিছে। এই বৃহৎ পৰীক্ষাৰ মাজত শিক্ষাৰ্থীসকলৰ স্বাৰ্থক প্ৰাধান্য দি প্ৰধানমন্ত্ৰীয়ে নিজৰ সময়ৰ মূল্য তুচ্ছ কৰি তেওঁলোকক অগ্ৰাধিকাৰ দিয়া ঘটনাই সামাজিক মাধ্যমকে ধৰি বিভিন্ন মহলত বিপুল প্ৰশংসা লাভ কৰিছে। শিক্ষাৰ্থীসকলৰ সুবিধাৰ প্ৰতি থকা এই সংবেদনশীলতাক ৰাইজে "এজন নেতাৰ পৰা প্ৰত্যাশিত দায়িত্ববোধ" বুলি অভিহিত কৰাৰ লগতে অন্য ৰাজনৈতিক নেতাসকলেও প্ৰধানমন্ত্ৰীৰ এই দৃষ্টান্তমূলক সিদ্ধান্তক উচ্চপ্ৰশংসা কৰে। পৰীক্ষাৰ পূৰ্বে মানসিক চাপত থকা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এই ক্ষুদ্ৰ পদক্ষেপটো যেন এক বৃহৎ আশ্বাসৰ বাণী হৈ পৰিছে-এই কথাই এতিয়া চৰ্চাৰ কেন্দ্ৰবিন্দু হৈ পৰিছে।

# নলবাৰীৰ নীট পুনঃ পৰীক্ষাত লগুণ

কেন্দ্ৰৰ প্ৰৱেশদ্বাৰত নিৰাপত্তা তালাচীৰ সময়ত এজন পৰীক্ষাৰ্থীক তেওঁৰ ধৰ্মীয় চিহ্ন লগুণ (যজ্ঞসূত্ৰ) খুলিবলৈ বাধ্য কৰোৱাৰ অভিযোগ উত্থাপন হয়, যিয়ে সমগ্ৰ অঞ্চলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ঘটনা অনুসৰি, চামতা অঞ্চলৰ পৰা পৰীক্ষা দিবলৈ অহা এজন ব্ৰাহ্মণ সম্প্ৰদায়ৰ ছাত্ৰই পৰীক্ষাকেন্দ্ৰত সোমোৱাৰ সময়ত নিৰাপত্তা কৰ্মীসকলে তেওঁক তালাচী কৰে। তেওঁৰ মাতৃয়ে অভিযোগ কৰা মতে, তেওঁলোকে পৰীক্ষাৰ পূৰ্বে পুত্ৰৰ লগুণ সলনি কৰি দিছিল কিয়নো গহনা থাকিব নোৱাৰে বুলি জনা গৈছিল, কিন্তু ছাৰ্ট খুলি লগুণডাল আঁতৰাই লোৱাত তেওঁলোক আচৰিত হৈ পৰে। পৰীক্ষাৰ্থীগৰাকীৰ মাতৃয়ে কয়, "লগুণডাল সিহঁতে খুলি আমাৰ হাতত দিয়ে। এই কাৰ্যই আমাৰ ধৰ্মীয় অনুভূতিত আঘাত কৰিছে। ল'ৰাজন ইতিমধ্যে পূৰ্বৰ পৰীক্ষা বাতিল হোৱাত মানসিকভাৱে বিচলিত আছিল, এই ঘটনাই তাক অধিক বিপৰ্যস্ত কৰি তুলিছে।" অভিভাৱকগৰাকীয়ে লগতে উল্লেখ কৰে যে পৰীক্ষাকেন্দ্ৰত সোমোৱাৰ আগেয়ে এনে ধৰণৰ কোনো নিৰ্দেশনা দিয়া হোৱা নাছিল। যদি আগতীয়াভাৱে নিয়মবোৰ জনালহেঁতেন তেনেহ'লে ধৰ্মীয় ৰীতি মৰ্যাদা ৰক্ষা কৰি সাময়িকভাৱে লগুণ আঁতৰাই পৰীক্ষাকেন্দ্ৰলৈ অহা সম্ভৱ হ'লহেঁতেন। তেওঁ এই ঘটনাৰ উপযুক্ত তদন্ত আৰু ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ দাবী কৰে, কাৰণ ধৰ্মীয় বিশ্বাস আৰু পৰীক্ষাৰ নিৰাপত্তা-উভয় বিষয়ৰ মাজত সামঞ্জস্য ৰক্ষা কৰাটো জৰুৰী বুলি তেওঁ মত প্ৰকাশ কৰে। উল্লেখযোগ্য যে, পূৰ্বে পেপাৰ লীকৰ বাবে বাতিল কৰা নীট-ইউজি পৰীক্ষা এইবাৰ অত্যন্ত কঠোৰ নিৰাপত্তা ব্যৱস্থাৰ মাজত পুনৰ অনুষ্ঠিত কৰা হৈছে। দেশৰ প্ত, চ্ছ্ৰচ্ছ্ৰঙ্খটা কেন্দ্ৰ আৰু বিদেশৰ ৰচ্ছটা কেন্দ্ৰত চচ লাখতকৈও অধিক পৰীক্ষাৰ্থীয়ে এই পৰীক্ষাত অৱতীৰ্ণ হয়। কিন্তু নিৰাপত্তা প্ৰক্ৰিয়াৰ সময়ত ধৰ্মীয় চিহ্নক লৈ এনে ঘটনা ঘটাৰ ফলত নীট পৰীক্ষাৰ আয়োজকসকলৰ সজাগতাৰ প্ৰতি প্ৰশ্ন উঠিছে। ইফালে, ঘটনাৰ খবৰ পোৱাৰ পিছত নলবাৰী জিলাৰ বিভিন্ন সামাজিক-সাংস্কৃতিক সংগঠনে তীব্ৰ নিন্দা জনাইছে আৰু পৰীক্ষাৰ্থী আৰু তেওঁৰ পৰিয়ালক সমৰ্থন জনাইছে। তেওঁলোকৰ মতে, সনাতন ধৰ্মীয় পৰম্পৰা অক্ষুণ্ণ ৰাখি শিক্ষাৰ্থীৰ সুবিধাও নিশ্চিত কৰা উচিত। এই ঘটনাক লৈ বহুতে ছচিয়েল মিডিয়াতো নিজৰ ক্ষোভ প্ৰকাশ কৰিছে। এই বিষয়ে পৰীক্ষা নিয়ন্ত্ৰক বা সংশ্লিষ্ট জিলা প্ৰশাসনৰ পৰা কোনো আনুষ্ঠানিক প্ৰতিক্ৰিয়া লাভ কৰা নাই। কিন্তু পৰীক্ষাৰ্থীৰ পৰিয়ালে আশা প্ৰকাশ কৰিছে যে এই ঘটনা গুৰুত্ব সহকাৰে লোৱা হ'ব আৰু ভৱিষ্যতে যাতে এনে ধৰণৰ কোনো আঘাতমূলক পৰিস্থিতিৰ সৃষ্টি নহয়, তাৰ বাবে প্ৰশাসনে প্ৰয়োজনীয় নিৰ্দেশনা জাৰি কৰিব।

# গুৱাহাটীত দ্বাদশ আন্তঃৰাষ্ট্ৰীয় যোগ

স্বাস্থ্য মন্ত্ৰী অশোক সিংহলে অংশগ্ৰহণ কৰি যোগাভ্যাস কৰে। এইবাৰৰ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ বিষয়বস্তু হৈছে- 'সুস্থ বাৰ্ধক্যৰ বাবে যোগ' (Yoga for Healthy Ageing)। মুখ্যমন্ত্ৰী, কেন্দ্ৰীয় বিত্তমন্ত্ৰীকে ধৰি বিভিন্ন গণ্যমান্য ব্যক্তিয়ে যোগাসন আৰু প্ৰাণায়াম কৰি সুস্থ জীৱনশৈলীৰ বাৰ্তা প্ৰেৰণ কৰে। অনুষ্ঠান সমাপ্তিৰ পাছত মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই সংবাদ মাধ্যমক সম্বোধন কৰি সকলোকে যোগ দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণক গুৱাহাটীত অনুষ্ঠিত এই যোগ দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি অসমবাসীক অনুপ্ৰেৰণা প্ৰদান কৰাৰ বাবে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে কয়, "অসমৰ বিভিন্ন প্ৰান্তত আয়োজিত যোগ দিৱসৰ কাৰ্যসূচীত লক্ষাধিক আত্মসহায়ক গোটৰ সদস্যই উৎসাহেৰে অংশগ্ৰহণ কৰিছে। যোগাভ্যাসে আমাৰ মনলৈ শান্তি, শৰীৰলৈ শক্তি আৰু জীৱনলৈ ইতিবাচকতা কঞ্জয়িাই আনে। হাজাৰ বছৰৰ প্ৰাচীন ভাৰতীয় সভ্যতাৰ এই অমূল্য সাধনাক আজি বিশ্বজুৰি বিস্তাৰ কৰিবলৈ সক্ষম হোৱাটো সঁচাকৈয়ে আমাৰ বাবে এক গৌৰৱৰ বিষয়।" মুখ্যমন্ত্ৰীয়ে লগতে কয়, "আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ ৰচ বছৰীয়া যাত্ৰাৰ এই বিশেষ ক্ষণত আমি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো, যাৰ দূৰদৰ্শী নেতৃত্বত যোগ আজি এক বিশ্বব্যাপীজন আন্দোলনলৈ ৰূপান্তৰ হৈছে। আজি ৩৫ লাখৰো অধিক লোকে যোগ দিৱসৰ কাৰ্যসূচীত উৎসাহেৰে অংশগ্ৰহণ কৰি সুস্থ জীৱনশৈলী আৰু সমন্বয়ৰ এক শক্তিশালী বাৰ্তা প্ৰেৰণ কৰিছে।" উল্লেখযোগ্য যে, আজি একে সময়তে অসমৰ ২৩, ৪৯৮খন গাঁৱৰ মুঠ ৩৭, ৩৮৩টা স্থানত যোগ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ৰাজ্যব্যাপী এই ব্যাপক আয়োজনে যোগাভ্যাসৰ প্ৰতি অসমবাসীৰ আগ্ৰহ আৰু সজাগতা প্ৰতিফলিত কৰে। বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়, আত্মসহায়ক গোট, আৰু সামাজিক সংগঠনসমূহেও নিজ নিজ অঞ্চলত যোগ দিৱস পালন কৰি জনসাধাৰণক যোগাভ্যাসৰ উপকাৰীতাৰ বিষয়ে অৱগত কৰে। যোগ দিৱসৰ এই আয়োজনে অসমৰ লোকে যোগৰ মাধ্যমত শাৰীৰিক আৰু মানসিক সুস্থতা অৰ্জনৰ প্ৰতি গুৰুত্ব আৰোপ কৰাৰ লগতে প্ৰাচীন ভাৰতীয় এই জ্ঞান-বিজ্ঞানক আগন্তুক প্ৰজন্মলৈ প্ৰেৰণ কৰাৰ সংকল্পো পুনৰুচ্চাৰণ কৰে।

# নৌসেনাত অন্তৰ্ভুক্ত তিনিখন থলুৱা

অংশগ্ৰহণ কৰে। হিন্দী আৰু ইংৰাজীকে ধৰি মুঠ ৰুটা ভাষাত পৰীক্ষা অনুষ্ঠিত হয় বুলি ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই এখন বিবৃতিৰ জৰিয়তে নিশ্চিত কৰে। পূৰ্বতে, মে'ত অনুষ্ঠিত হোৱা পৰীক্ষাৰ প্ৰশ্নকাকত বাতিল হোৱাৰ পিছত মাত্ৰ ৩৭ দিনৰ ভিতৰতে এই পুনঃপৰীক্ষা আয়োজন কৰা হয়। এই কম সময়ৰ ভিতৰতে ইমান বৃহৎ পৰীক্ষা সুচাৰুৰূপে পৰিচালনা কৰাটো এক উল্লেখযোগ্য কৃতিত্ব বুলি বিবৃতিত উল্লেখ আছে। নিৰাপত্তা আৰু স্বচ্ছতা নিশ্চিত কৰিবলৈ পৰীক্ষাকেন্দ্ৰসমূহত একাধিক কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। আধাৰভিত্তিক বায়'মেট্ৰিক আৰু মুখমণ্ডল প্ৰমাণীকৰণ, চিচিটিভি নিৰীক্ষণ, চিগনেল জেমাৰ, ৰাজ্যিক আৰক্ষীৰ সহায়ত দুটা স্তৰৰ ফ্ৰিস্কিং প্ৰক্ৰিয়া আদি ব্যৱস্থা ৰূপায়ণ কৰা হয়। এনটিএৰ মুখ্য কাৰ্যালয়, শিক্ষা মন্ত্ৰালয়, উচ্চ শিক্ষা বিভাগৰ অধীনস্থ ছুটা কেন্দ্ৰীয় পুঁজিৰে চলি থকা প্ৰতিষ্ঠান আৰু প্ৰতিখন ৰাজ্য আৰু জিলা সংগ্ৰাহক কেন্দ্ৰত চিচিটিভি নিৰীক্ষণৰ বাবে কমাণ্ড আৰু কণ্ট্ৰল চেণ্টাৰ স্থাপন কৰা হৈছিল। পৰীক্ষা পৰিচালনাত কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী শচচিএপিএফগ্ন, বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়, ডাক বিভাগ, ভাৰতীয় বায়ুসেনা, গৃহ পৰিক্ৰমা মন্ত্ৰালয়, স্বাস্থ্যঞ্জয আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়, ৰাষ্ট্ৰীয় তথ্য বিজ্ঞান কেন্দ্ৰ (এনআইচি), ইলেক্ট্ৰঞ্জৰনিকছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়, বিত্তীয় সেৱা বিভাগ, প্ৰতিৰক্ষা মন্ত্ৰালয়, শিক্ষা মন্ত্ৰালয় আৰু বেংকিং অংশীদাৰ-এছবিআই, কানাৰা বেংক, পিএনবি আৰু ইউচিঅ' বেংক-ৰ লগতে ৰাজ্য চৰকাৰ আৰু অন্যান্য অংশীদাৰসকলে সক্ৰিয় অংশগ্ৰহণ কৰে। মুঠতে পৰীক্ষা পৰিচালনাৰ বাবে আৰক্ষী, তত্ত্বাৱধায়ক, পৰীক্ষাত নিয়োজিত কৰ্মচাৰীকে ধৰি প্ৰায় সাত লাখ বিষয়াক দায়িত্ব অৰ্পণ কৰা হৈছিল। বিশেষভাৱে সক্ষম প্ৰাৰ্থীসকলৰ বাবে ১০ হাজাৰৰো অধিক প্ৰাৰ্থীকে ধৰি সকলোৰে বাবে ব্যাপক ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। চিকিৎসাজনিত সমস্যা থকা প্ৰায় জ্জৰজন প্ৰাৰ্থীৰ বাবেও বিশেষ সুবিধা প্ৰদান কৰা হৈছিল। পৰীক্ষাকেন্দ্ৰসমূহত পৰীক্ষাৰ্থী আৰু তেওঁলোকৰ অভিভাৱকৰ বাবে ছাঁ, খোৱাপানী, সতেজ খাদ্যৰ ব্যৱস্থা কৰা, এম্বুলেন্স আৰু চিকিৎসা সেৱাৰ সুবিধা সাজু কৰি ৰখা, আৰু বহু ক্ষেত্ৰত বিনামূলীয়া পৰিবহণৰ ব্যৱস্থা কৰা আদি বিভিন্ন উদ্যোগ গ্ৰহণ কৰা হৈছিল। পৰীক্ষা শেষ হোৱাৰ পিছত পৰীক্ষাৰ্থীসকলৰ প্ৰতিক্ৰিয়া সংগ্ৰহ কৰা হয়। তামিলনাডু, পশ্চিমবংগ, কেৰালা আৰু জম্মু-কাশ্মীৰৰ পৰীক্ষাৰ্থীসকলে সামগ্ৰিকভাৱে পূৰ্বৰ প্ৰচেষ্টাতকৈ গৱেষণা পত্ৰখন অধিক কঠিন বুলি মন্তব্য কৰে। বিশেষকৈ পদাৰ্থ বিজ্ঞানৰ প্ৰশ্নকাকত আটাইতকৈ কঠিন বুলি অভিহিত কৰা হয়, ৰসায়ন বিজ্ঞান তুলনামূলকভাৱে কঠিন আৰু জীৱবিজ্ঞান মধ্যমীয়া ধৰণৰ বুলি মত প্ৰকাশ কৰে। তেওঁলোকে কয় যে নিৰ্দিষ্ট বিষয়সমূহত নিজৰ সাধ্যৰ ওপৰত নিৰ্ভৰ কৰি অভিজ্ঞতাৰ ভিন্নতা আছিল। সংস্থাটোৱে সমগ্ৰ ভাৰতৰ শিক্ষানুষ্ঠানসমূহৰ বিশেষজ্ঞসকলক ধন্যবাদ জ্ঞাপন কৰে, যিসকলে একাধিক ধৰণৰ প্ৰশ্নকাকত প্ৰস্তুত কৰিবলৈ নিজৰ সময় আৰু অভিজ্ঞতা আগবঢ়াইছিল। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই কয় যে এই পৰীক্ষাই ৰাষ্ট্ৰীয় স্তৰত আয়োজনৰ ক্ষমতা আৰু নিৰাপত্তা মানদণ্ডৰ প্ৰতি প্ৰতিশ্ৰুতি পুনৰ দৃঢ় কৰিছে। অহা দিনবোৰত এই পৰীক্ষাৰ ফলাফল প্ৰকাশ কৰা হ'ব বুলি জানিব পৰা গৈছে।

# সৰ্থেবাৰী আৰক্ষীৰ বৃহৎ সফলতা; ১০ কিঃ ৪০০ গ্ৰাম গাঞ্জাসহ ব্যৱসায়ীক আটক

## আৰক্ষীৰ সৈতে সংঘৰ্ষত লিপ্ত হৈছিল অভিযুক্ত; কৌশলগতভাৱে কৰায়ত্ত কৰিবলৈ সক্ষম আৰক্ষী

**অসম বাৰ্তা, চেংগা, ২১ জুন ঃ** বৰপেটা জিলাত অবৈধ মাদক দ্ৰব্যৰ বিৰুদ্ধে আৰক্ষীয়ে অব্যাহত ৰখা কঠোৰ অভিযানৰ মাজতে সৰ্থেবাৰী আৰক্ষীয়ে পুনৰ এক উল্লেখযোগ্য সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। গোপন সূত্ৰৰ তথ্যৰ ভিত্তিত চলোৱা এক বিশেষ গাঞ্জাবিৰোধী অভিযানত আৰক্ষীয়ে বৃহৎ পৰিমাণৰ গাঞ্জা জব্দ কৰাৰ লগতে এজন কথিত গাঞ্জা ব্যৱসায়িক আটক কৰিবলৈ সক্ষম হয়। জব্দ কৰা গাঞ্জাৰ পৰিমাণ প্ৰায় ১০ কিলো ৪০০ গ্ৰাম, যাক অঞ্চলটোত সাম্প্ৰতিক সময়ত সংঘটিত অন্যতম বৃহৎ গাঞ্জা জব্দৰ ঘটনা বুলি গণ্য কৰা হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, সৰ্থেবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বিকাশজ্যোতি ডেকাৰ নিৰ্দেশত আৰক্ষীয়ে কিছুদিন ধৰি অঞ্চলটোত মাদক দ্ৰব্যৰ অবৈধ ব্যৱসায়ৰ ওপৰত তীক্ষ্ণ নজৰ ৰাখি আছিল। আৰক্ষীৰ হাতত কিছু গোপন তথ্য আহিছিল যে সৰ্থেবাৰী থানাৰ অন্তৰ্গত বামুণ্ডি অঞ্চলত এজন ব্যক্তি বৃহৎ পৰিমাণৰ গাঞ্জা মজুত কৰি অবৈধভাৱে ব্যৱসায় চলাই আছে। এই তথ্যৰ সত্যতা নিশ্চিত কৰাৰ পিছতে আৰক্ষীয়ে তাৎক্ষণিকভাৱে অভিযানৰ পৰিকল্পনা কৰে। ইয়াৰ পিছত আৰক্ষীৰ এটা বিশেষ দল গঠন কৰি বামুণ্ডি অঞ্চলত অভিযান চলোৱা হয়। অভিযানকালত আৰক্ষীয়ে সন্দেহযুক্ত এজন ব্যক্তিক আটক কৰি তেওঁৰ জিম্মাত থকা সামগ্ৰীসমূহৰ তালাচী চলায়। তালাচীৰ সময়ত আৰক্ষীয়ে বৃহৎ পৰিমাণৰ গাঞ্জা উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ওজন কৰি চোৱা সময়ত জব্দ কৰা গাঞ্জাৰ পৰিমাণ ১০ কিলো ৪০০ গ্ৰাম বুলি নিশ্চিত হয়। আৰক্ষীৰ জালত পৰা ব্যক্তিজনৰ নাম নৱজিৎ নাথ বুলি জানিব পৰা গৈছে। তেওঁৰ ঘৰ নলবাৰী জিলাৰ অন্তৰ্গত ৰামপুৰ গাঁৱৰ বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। আৰক্ষীৰ প্ৰাথমিক তদন্তত পোহৰলৈ অহা তথ্য অনুসৰি, অভিযুক্তজন দীৰ্ঘদিন ধৰি গাঞ্জাৰ অবৈধ ব্যৱসায়ৰ সৈতে জড়িত থকাৰ সন্দেহ কৰা হৈছে। যদিও এই বিষয়ে অধিক তদন্ত চলি আছে আৰু তদন্ত সম্পূৰ্ণ হোৱাৰ পিছতহে অধিক তথ্য স্পষ্ট হ'ব। অভিযান চলোৱাৰ সময়ত কিছু নাটকীয় পৰিস্থিতিৰো সৃষ্টি হয়। আৰক্ষী সূত্ৰে প্ৰকাশ কৰা মতে, অভিযুক্ত নৱজিৎ নাথক কৰায়ত্ত কৰাৰ চেষ্টা চলোৱাৰ সময়ত তেওঁ আৰক্ষীৰ সৈতে সংঘৰ্ষত লিপ্ত হয় আৰু আৰক্ষীৰ অভিযানত বাধা প্ৰদান কৰাৰ চেষ্টা কৰে। এক পৰ্যায়ত তেওঁ পলায়নৰো চেষ্টা চলায়। কিন্তু আৰক্ষীৰ তৎপৰতা, উপস্থিত বুদ্ধি আৰু কৌশলগত পদক্ষেপৰ ফলত অভিযুক্তজনক সফলতাৰে কৰায়ত্ত কৰিবলৈ সক্ষম হয়। আৰক্ষীৰ এই তৎপৰতাৰ বাবে কোনো অপ্ৰীতিকৰ ঘটনা সংঘটিত নহ'ল আৰু কোনো লোক আঘাতপ্ৰাপ্তো হোৱা নাই। জব্দ কৰা গাঞ্জাখিনি আইনগত প্ৰক্ৰিয়া সম্পন্ন কৰি আৰক্ষীয়ে নিজৰ জিম্মাত লৈছে। ঘটনাস্থলীতে প্ৰয়োজনীয় নথি-পত্ৰ প্ৰস্তুত কৰাৰ পিছত সামগ্ৰীসমূহ থানালৈ অনা হয়। ইতিমধ্যে অভিযুক্তজনৰ বিৰুদ্ধে এনডিপিএছ (NDPS) আইনৰ সংশি-ষ্ট ধাৰাত এটা গোচৰ ৰুজু কৰা হৈছে। ইফালে, আৰক্ষীয়ে এইঘটনাক কেন্দ্ৰ কৰি অধিক তদন্ত আৰম্ভ কৰিছে। জব্দ কৰা গাঞ্জাখিনি ক'ৰ পৰা সংগ্ৰহ কৰা হৈছিল, কোনে যোগান ধৰিছিল, ক'লৈ সৰবৰাহ কৰাৰ পৰিকল্পনা আছিল আৰু ইয়াৰ সৈতে জড়িত কোনো বৃহৎ মাদক চক্ৰ আছে নেকি, সেই সকলো দিশত আৰক্ষীয়ে অনুসন্ধান অব্যাহত ৰাখিছে। তদন্তৰ জৰিয়তে অধিক লোকৰ নাম পোহৰলৈ অহাৰ সম্ভাৱনাও নাকচ কৰা হোৱা নাই। স্থানীয় সচেতন মহলৰ মতে, সাম্প্ৰতিক সময়ত গাঞ্জা আৰু অন্যান্য মাদক দ্ৰব্যৰ প্ৰচলন বৃদ্ধি পোৱাত সমাজৰ বিশেষকৈ যুৱ প্ৰজন্মৰ ওপৰত বিৰূপ প্ৰভাৱ পৰিছে। এনে পৰিস্থিতিত আৰক্ষীৰ কঠোৰ অভিযান আৰু সফলতাসমূহে মাদক ব্যৱসায়ী সকলৰ মাজত আতংকৰ সৃষ্টি কৰাৰ লগতে সাধাৰণ ৰাইজৰ মাজত আস্থা বৃদ্ধি কৰিছে। উল্লেখ্য যে, বৰপেটা জিলাৰ বিভিন্ন থানাই যোৱা কিছু মাহ ধৰি অবৈধ মাদক দ্ৰব্য, চোৰাং সৰবৰাহ, জুৱা আৰু অন্যান্য অপৰাধমূলক কাৰ্যকলাপৰ বিৰুদ্ধে ধাৰাবাহিকভাৱে অভিযান চলাই আহিছে। এই অভিযান সমূহত বৃহৎ পৰিমাণৰ নিষিদ্ধ সামগ্ৰী জব্দ হোৱাৰ লগতে বহু অপৰাধী আৰক্ষীৰ জালত পৰিছে। সৰ্থেবাৰী আৰক্ষীৰ এই শেহতীয়া সফলতাই পুনৰ এবাৰ প্ৰমাণ কৰিলে যে আইন-শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত আৰক্ষী বিভাগে কোনো ধৰণৰ আপোচ নকৰে। স্থানীয় ৰাইজে আৰক্ষীৰ এই সফল অভিযানক আদৰণি জনাইছে আৰু সমাজখনক মাদকমুক্ত কৰি তোলাৰ লক্ষ্যৰে আগন্তুক দিনতো এনে অভিযান অধিক জোৰদাৰভাৱে অব্যাহত ৰাখিবলৈ দাবী জনাইছে। আৰক্ষীয়েও স্পষ্টভাৱে জনাইছে যে মাদক দ্ৰব্যৰ অবৈধ ব্যৱসায়ৰ সৈতে জড়িত কোনো ব্যক্তি বা চক্ৰক ৰেহাই দিয়া নহ'ব আৰু এনে অসামাজিক কাৰ্যকলাপৰ বিৰুদ্ধে অভিযান আগন্তুক দিনতো অব্যাহত থাকিব।

# মঙলদৈত বিএপিএচ স্বামিনাৰায়ণ সংস্থাৰ সম্বৰ্ধনা আৰু বিশেষ অভিনন্দন অনুষ্ঠান

## বিএপিএচ স্বামিনাৰায়ণ সংস্থাৰ যি বিশ্ব ব্যাপি মানৱ সেৱা কাৰ্য সেয়া অতুলনীয় ঃ নীলিমা দেৱী

**অসম বাৰ্তা, মঙলদৈ, ২১ জুন ঃ** দৰঙত এখন নতুন আধ্যাত্মিক বিদ্যালয় মুকলি হৈছে, ইয়াৰ প্ৰভাৱ লাহে-লাহে সমগ্ৰ অসমতে পৰিব। সেয়া হ'ল আধ্যাত্মিক জাগৰণৰ বিদ্যালয়, সনাতন বৈদিক সংস্কৃতিৰ বিদ্যালয়, যাৰ নাম বিএপিএচ স্বামিনাৰায়ণ অক্ষৰধাম সৎসংগ মণ্ডল, অসম। বিএপিএচ এক বিশ্বসমাদৃত সনাতন ধৰ্মৰ বিশাল সংগঠন। ইয়াৰ কাৰ্যৰ পৰিধি অপাৰ। আমি সৌভাগ্যশালী যে দৰঙৰ মঙলদৈত এই সংস্থাৰ দুৱাৰ মুকলি হৈছে।- এই বক্তব্য বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক, দৰং ৰত্ন উপাধিৰে সন্মানিত ড° নগেন্দ্ৰ নাথ শৰ্মাৰ। ২১ জুন তাৰিখে আন্তৰ্জাতিক যোগ দিৱস উপলক্ষে বিএপিএচ স্বামিনাৰায়ণ অক্ষৰধাম সৎসংগ মণ্ডল, অসম শাখাৰ তৰফৰ পৰা জ্ঞানবিকাশ একাডেমীৰ প্ৰেক্ষাগৃহত আয়োজন কৰা সম্বৰ্ধনা আৰু বিশেষ অভিনন্দন অনুষ্ঠানত উপস্থিত থাকি সম্বৰ্ধনা গ্ৰহণ কৰা মঙলদৈ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ড° শৰ্মাই আৰু কয় যে সমগ্ৰ বিশ্বক যদি আধ্যাত্মিক দিশত কোনোবাই শুদ্ধকৈ বাট দেখুৱাই আছে সেয়া নিশ্চিত ভাৱে সনাতন বৈদিক সংস্কৃতিৰ দ্বাৰা সম্ভৱ হৈছে। উক্ত অনুষ্ঠানত মঙলদৈ সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ মীন আৰু পশুপালন মন্ত্ৰী নীলিমা দেৱীকো উষ্ম সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা গ্ৰহণ কৰি তেওঁ কয় যে - "বিএপিএচ স্বামিনাৰায়ণ সংস্থাৰ বিশ্ব ব্যাপি যি মানৱ সেৱা কাৰ্য সেয়া অতুলনীয়, মঙলদৈত এই সংস্থাৰ যিবোৰ কাৰ্যসূচী ৰূপায়ণ হৈ আছে সেয়া অতিকৈ প্ৰশংসনীয়।" একেটা অনুষ্ঠানতে বৰ্ষীয়ান শিক্ষাবিদ, সাহিত্যিক দৰং ৰত্ন ফুলেন্দ্ৰ নাথ চহৰীয়া, বিশিষ্ট চিকিৎসক, সাহিত্যিক ডাঃ অমৰেন্দ্ৰ নাৰায়ণ দেৱ, উদ্যোগপতি তথা নগাঁও বিশ্ববিদ্যালয়ৰ পেছাগত ব্যৱহাৰিক অধ্যাপক মুকুল চন্দ্ৰ ডেকা, বিশিষ্ট গণিতজ্ঞ, আমেৰিকা যুক্তৰাষ্ট্ৰৰ ইউনিভাৰ্চিটি অৱ টে'ছৰ অধ্যাপক ড° ডম্বৰু ভট্টকো সম্বৰ্ধনা জ্ঞাপন কৰা হয়। বিএপিএচ অসম শাখাৰ সভাপতি পৰেশ কুমাৰ শৰ্মাৰ সঞ্চালনাত আৰু দুই শতাধিক বিশিষ্ট লোকৰ উপস্থিতিত এই গাম্ভীৰ্যপূৰ্ণ সভাখন উদ্বোধন কৰে মঙলদৈ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ প্ৰতাপ বৰদলৈয়ে। আনহাতে মঙলদৈ পৌৰসভাৰ পৌৰপতি তথা বিএপিএচ ৰ মহিলা মণ্ডলৰ সভানেত্ৰী নিৰ্মালী দেৱীৰ দীপ প্ৰজ্বলনৰ দ্বাৰা শুভাৰম্ভ হোৱা সভাখনত ৬ গৰাকী কৃতী বিদ্যাৰ্থী ক্ৰমে প্ৰজ্ঞাশ্ৰী শৰ্মা, বেদিকা শৰ্মা, স্বাতী গোস্বামী, বৰ্ণিল শিৰম, ৰাজদীপ ডেকা আৰু নমশ্ৰী শৰ্মাক উন্নত শৈক্ষিক ফলাফলৰ বাবে অভিনন্দন পত্ৰ, ফুলৰ থোপা আৰু গামোছাৰে অভিনন্দন জনোৱা হয়। বিএপিএচ ৰ অসম শাখাৰ সম্পাদক কুশল কলিতাই উদ্দেশ্য ব্যাখ্যা কৰা আৰু আঁত ধৰা সভাখনত ভিডিঅ' মাধ্যমত বিএপিএচ সংস্থাটোৰ পৰিচয় আৰু সংস্থাটোৰ মুখ্য ধৰ্মগুৰু শ্ৰীমহান্ত স্বামী মহাৰাজৰ পৰিচয় প্ৰদান কৰাৰ লগতে বঙাইগাঁও জিলা পৰিষদৰ কাৰ্যবাহী অভিযন্তা ভবেন বৰদলৈয়ে শলাগৰ শৰাই আগবঢ়ায়। একে অনুষ্ঠানতে দৰঙৰ বিভিন্ন প্ৰান্তৰ বিভিন্ন পৰা বিএপিএচ আজীৱন সভ্য পদ গ্ৰহণ কৰা ব্যক্তি সকলক অভিনন্দন জনাই আজীৱন সভ্য পদৰ প্ৰমাণ পত্ৰ বিতৰণ কৰা হয়।




# ডুমডুমাৰ ৰামকৃষ্ণ সেৱাশ্ৰমত 'সাধু নিৱাস' উদ্বোধন




**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২১ জুন ঃ** ডুমডুমাৰ ৰামকৃষ্ণ সেৱাশ্ৰমত আজি এটা 'সাধু নিৱাস' আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক ৰূপেশ গোৱালাই তেখেতৰ বিধায়কৰ স্থানীয় এলেকা উন্নয়ন পুঁজি আৰু 'আনটাইড ফাণ্ড'ৰ পৰা আগবঢ়োৱা মুঠ আঠ লাখ টকাৰ অনুদানৰ লগতে আন বহু কেইগৰাকী লোকৰ দান-বৰঙনিৰে 'সাধু নিৱাস'ৰ তলৰ মহলাটো আটক ধুনীয়াকৈ নিৰ্মাণ নিৰ্মাণ কৰি উলিওৱা হৈছে। আজি উক্ত নৱনিৰ্মিত 'সাধু নিৱাস'টি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক ৰূপেশ গোৱালাই। এই উপলক্ষে ডুমডুমা ৰামকৃষ্ণ সেৱাশ্ৰমৰ ভূতপূৰ্ব সভাপতি পৰিতোষ নন্দীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা উদ্বোধনী সভাখনত আদৰণি ভাষণ প্ৰদান কৰে সেৱাশ্ৰমখনৰ সভাপতি তপন কুমাৰ বনিকে আৰু উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক দেৱল চক্ৰৱৰ্তীয়ে। সেৱাশ্ৰমখনৰ সদস্য তপন চক্ৰৱৰ্তীয়ে আঁত ধৰা সভাখনত সেৱাশ্ৰমৰ তৰফৰ পৰা ক্ৰমাগত দ্বিতীয়বাৰৰ বাবে বিধায়ক হিচাপে নিৰ্বাচিত হোৱাত ৰূপেশ গোৱালাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। উদ্বোধনী ভাষণত বিধায়ক গোৱালাই এই 'সাধু নিৱাস'টি সম্পূৰ্ণ হোৱাৰ ফলত সেৱাশ্ৰমখনৰ এটা ডাঙৰ অভাৱ পূৰণ হ'ল বুলি কয়। তেওঁ কয় যে এতিয়াৰে পৰা ভাৰতবৰ্ষৰ বিভিন্ন স্থানৰ পৰা অহা ৰামকৃষ্ণ মিছনৰ সন্ন্যাসীসকলৰ থকা-মেলাত কোনো অসুবিধা নহ'ব। তেওঁ 'সাধু নিৱাস'টি সুন্দৰকৈ নিৰ্মাণ কৰাৰ বাবে সেৱাশ্ৰমৰ পৰিচালনা সমিতিৰ শলাগ লয় আৰু পৰৱৰ্তী সময়ত নিৱাসটিৰ প্ৰথম মহলাৰ নিৰ্মাণ কাৰ্যটো সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। উদ্বোধনী অনুষ্ঠানত ডুমডুমা পৌৰসভাৰ পৌৰপতি কান্তা ভট্টাচাৰ্য, উপ-পৌৰপতি মণি দত্ত, ভূতপূৰ্ব পৌৰপতি দুলু আৰন্ধৰা, বিশিষ্ট চিকিৎসক তথা সমাজকৰ্মী ডাঃ প্ৰণৱজ্যোতি ডেকা, ডুমডুমা শতদল শাখা সাহিত্য সভাৰ সভাপতি দেবেন ডেকা, ডুমডুমা বংগীয় বিদ্যালয়ৰ ভূতপূৰ্ব প্ৰধান শিক্ষক প্ৰবীণ মজুমদাৰ, ডুমডুমা চেম্বাৰ্ছ অব কমাৰ্চৰ সভাপতি কিষাণলাল পাৰীক, বিশিষ্ট ব্যৱসায়ী তথা সমাজকৰ্মী ৰাজ কুমাৰ গাৰোদিয়া, সাংবাদিক অভিজিৎ খাটনিয়াৰ, প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি, সেৱাশ্ৰমৰ সদস্য তথা ভক্তসকল আৰু স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে।

# চকলং প্ৰথাৰে সৰুপথাৰত অনুষ্ঠিত ভেকুলীৰ বিয়া

**অসম বাৰ্তা, সৰুপথাৰ, ২১ জুন ঃ** সৰুপথাৰত খৰাং। ৰাইজে অনুষ্ঠিত কৰিল ভেকুলী বিয়া। সৰুপথাৰৰ নগাজৰি খনিকৰ গাঁৱত ৰাইজে শনিবাৰে নিশা অনুষ্ঠিত কৰিল ভেকুলী বিয়া। বৰুণ দেৱতাক সন্তুষ্ট কৰি এজাক বৰষুণৰ বাবে ৰাইজে অনুষ্ঠিত কৰিল ভেকুলী বিয়া। সৰুপথাৰৰ নগাজৰি খনিকৰ গাঁৱত বৰষুণৰ তীব্ৰ অভাৱ আৰু খৰাং পৰিস্থিতিৰ পৰা পৰিত্ৰাণ পাবলৈ স্থানীয় ৰাইজে উলহ-মালহেৰে এক ব্যতিক্ৰমী ভেকুলী বিয়াৰ আয়োজন কৰিছে। বৰ্তমান সময়ত বৰষুণ নোহোৱাৰ বাবে খেতি পথাৰত চিৰাল ফাঁট মেলিছে আৰু কৃষকসকলে খেতিৰ বাবে কঠীয়াখিনিও সিঁচিব পৰা নাই। সেয়েহে, বৰুণ দেৱতাক সন্তুষ্ট কৰি অতি সোনকালে বৰষুণ নমাই অনাৰ তাহানিৰ লোকবিশ্বাসক সাৰোগত কৰি গাঁৱৰ ৰাইজে একত্ৰিত হৈ এই পৰম্পৰাগত অনুষ্ঠানটি অনুষ্ঠিত কৰে। অতি আমোদজনকভাৱে, দৰা 'ভেকুলা শৰ্মা' আৰু কইনা 'ভেকুলী লাহন'ৰ এই বিবাহখনত অসমীয়া সমাজৰ পৰম্পৰাগত বিয়াৰ সকলো ৰীতি-নীতি নিখুঁতভাৱে পালন কৰা হয়। পানী তোলা, মংগলময় বিয়ানাম আৰু যৌতুক দিয়াৰ পৰা আৰম্ভ কৰি আহোম যুগৰ ঐতিহাসিক 'চকলং' প্ৰথাৰে ধৰ্মীয় আৰু সামাজিক নিয়ম অনুসৰি এই বিবাহ সম্পন্ন কৰা হয়, যিয়ে সমগ্ৰ সৰুপথাৰ অঞ্চলতে এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰাৰ লগতে প্ৰকৃতিৰ ওচৰত খেতিয়ক ৰাইজৰ কাতৰ প্ৰাৰ্থনাক প্ৰতিফলিত কৰিছে। স্থানীয় লোকে মন্তব্য কৰি কয়, "এইটো আমাৰ সমাজৰ, অসমীয়া সমাজৰ এটা পৰম্পৰা। যিটো আচলতে আমি লোকাচাৰ বুলি ক'ব পাৰো, অতীজৰে পৰা চলি অহা এটা পৰম্পৰা। সাধাৰণতে আমাৰ গাঁও সমাজত যেতিয়া খৰাং বতৰৰ সৃষ্টি হয়, তেতিয়া কৃষকসকলে যিহেতু কৃষকৰ লগত ভেকুলীৰ এটা সম্পৰ্ক আছে বৰষুণৰ, তেতিয়া কৃষকসকলে যেতিয়া খৰাং বতৰৰ সৃষ্টি হয় সেই সময়ত কৃষকসকলে পানী বিচাৰি এনেকুৱা ধৰণৰ পৰম্পৰাগত যি অনুষ্ঠান ভেকুলী বিয়া, সেই অনুষ্ঠানভাগি আয়োজন কৰে। গাঁৱৰ সকলো বুঢ়া-বুঢ়ী বা গাঁৱৰ সকলো ৰাইজে মিলি আৰু এই অনুষ্ঠানভাগ আয়োজন কৰে। এইখন বিয়াৰ দৰাঘৰ খনিকৰ গাঁৱত ছোৱালী ঘৰ আৰু নগাজৰী গাঁৱত। দৰা হৈছে ভেকুলা শৰ্মা আৰু কইনা ভেকুলী লাহন।" লগতে কয়, "গাঁৱৰ বেছিভাগ লোকেই সকলোখিনি লোকেই ক'ব পাৰি যে খেতিৰ লগত জড়িত। খেতিৰ ওপৰত নিৰ্ভৰ কৰিয়েই আমি সকলোৱে জীৱন নিৰ্বাহ কৰিছো। আমি খেতিৰ পৰাই সকলোখিনি যি আমাৰ আমাৰ চলিবৰ কাৰণে যিখিনি আমাক প্ৰয়োজন অৰ্থৰ, সেইখিনি আমি সম্পূৰ্ণৰূপে আমি কৃষিজীৱী বুলি ক'ব পাৰো। আৰু বৰ্তমান সময়ত এনেকুৱা এটা খৰাং পৰিস্থিতিৰ সৃষ্টি হৈছে যাৰ পৰিপ্ৰেক্ষিতত আমি বৰ্তমান সময়লৈকে আমাৰ কৃষকসকলে কোনো ধৰণৰ কঠীয়া পৰাৰে ধৰি কোনো ধৰণৰ খেতিৰ যিসমূহ কাৰ্য পৰ্যায়ক্ৰমে আগবাঢ়ি যাব লাগে, সেইখিনি আমি আগবাঢ়ি যাব পৰা নাই। গতিকে ইয়াৰ জৰিয়তে আমি চৰকাৰকো অনুৰোধ কৰো যাতে চৰকাৰেও আমাৰ এই খৰাং পৰিস্থিতিৰ ওপৰত লক্ষ্য ৰাখি আমাৰ গাঁৱৰ সাধাৰণ ৰাইজৰ কাৰণে কিবা অৰ্থ বা কিবা ধৰণৰ সাহায্য প্ৰদান কৰে। বৰ্তমান সময়লৈকে আমি জলসিঞ্চনৰ ব্যৱস্থা বিশেষ ফলপ্ৰসূ দেখা নাই।"

## বিষ্ণু ৰাভা সমসাময়িক সাহিত্যিক আছিল ঃ পবিত্ৰ ৰাভা

# ওদালগুৰি জিলা সাহিত্য সভাৰ বিষ্ণু ৰাভা দিৱস পালন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২১ জুন ঃ** বিষ্ণুপ্ৰসাদ ৰাভা এগৰাকী সমসাময়িক সাহিত্যিক আছিল। য'ত যি সাহিত্যৰ প্ৰয়োজন হয়, সেই সাহিত্যৰ সৃষ্টি কৰিছিল। আত্মগোপনৰ সময়ত বিপ্লৱী ধাৰাৰ গীত, কবিতা, নাটক আদিৰ সৃষ্টি কৰিছিল। সেইদৰে সুখৰ দিনতো, দুখৰ দিনতো তেওঁ সাহিত্যৰ সৃষ্টি কৰিছিল। কালি বিষ্ণু ৰাভা দিৱসৰ দিনা এই মন্তব্য কৰে বিশিষ্ট মঞ্চ তথা চলচ্চিত্ৰ শিল্পী পবিত্ৰ ৰাভাই। ওদালগুৰি জিলা সাহিত্য সভাৰ উদ্যোগত শ্ৰীশ্ৰীগোবিন্দ মিশ্ৰ সাহিত্য সভাৰ সহযোগত ওদালগুৰি জিলাৰ ভোলাবাৰী চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত বিষ্ণু ৰাভা দিৱসৰ মুকলি সভাত নিৰ্দিষ্ট বক্তাৰ আসন শুৱনি কৰি নাট্যশিল্পী পবিত্ৰ ৰাভাই আৰু কয়- বিষ্ণু ৰাভাৰ আদৰ্শ লৈ আমি কেনেকৈ জীয়াই থাকিব লাগিব সেই বিষয়ে চিন্তা-চৰ্চা কৰিব লাগিব। ওদালগুৰি জিলা সাহিত্য সভাৰ সভাপতি তজৰ আলী আহমেদৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে কলাইগাঁও ৰাজহ চক্ৰ বিষয়া ডাঃ প্ৰিয়ংকা বনিয়াই। আদৰণী ভাষণ আগবঢ়ায় উদ্‌যাপন সমিতিৰ সভাপতি তথা ভোলাবাৰী চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী গীতিকা দাস ভূঞাই। জিলা সাহিত্য সভাৰ সম্পাদক দিবাকৰ বড়াই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত সন্মানীয় অতিথিৰূপে অংশগ্ৰহণ কৰি টংলা বিধানসভা সমষ্টিৰ বিধায়ক বিকন চন্দ্ৰ ডেকাই বিষ্ণু ৰাভাৰ গুণানুকীৰ্তন কৰে আৰু তেওঁক অসাধাৰণ ব্যক্তিৰূপে অভিহিত কৰে। বিটিচিৰ মুদৈবৰী সমষ্টিৰ পাৰিষদ দিগন্ত বৰুৱা, অসম সাহিত্য সভাৰ মঙ্গলদৈ আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক বসন্ত কুমাৰ শইকীয়া, ওদালগুৰি জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তাৰানাথ কলিতা আৰু কলাইগাঁও মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক শৈলেন্দ্ৰ মোহন নাথে ভাষণ দিয়ে। সভাত টংলা ৰাজ্যিক চিকিৎসালয়ৰ চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ গৌৰৱ দাসৰ কাব্যসংকলন 'আকাশ তোমাক চুই চাম' উন্মোচন কৰে ওদালগুৰি জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি গৌৰীশংকৰ দাসে আৰু নন্দীৰাম মহন্তৰ আধ্যাত্মিক গ্ৰন্থ 'মাৰ্গদৰ্শন তাৎপৰ্য' উন্মোচন কৰে অসম সাহিত্য সভাৰ মঙ্গলদৈ আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক বসন্ত কুমাৰ শইকীয়াই। মুকলি সভাত বিশিষ্ট ভাস্কৰ্য শিল্পী খৰ্গেশ্বৰ বড়োক সম্বৰ্ধনা জনোৱা হয়। সভাত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ ওদালগুৰি জিলাৰ সংবাদদাতা নাৰায়ণ ডেকা, সাহিত্য-সংস্কৃতিৰ গৱেষক আৰু সংগঠক তৰুণ আজাদ ডেকা, অৱসৰপ্ৰাপ্ত শিক্ষক হৰেশ্বৰ বৈশ্য, নীলধৰ ডেকা আদি বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাৰ মাজতে দীক্ষিতা নাথে এটি ৰাভা সংগীত পৰিৱেশন কৰে। পুৱা পতাকা উত্তোলন কৰে শ্ৰীশ্ৰী গোবিন্দ মিশ্ৰ সাহিত্য সভাৰ সভাপতি টংকেশ্বৰ ডেকাই। স্মৃতিবেদী উন্মোচন কৰে উদযাপন সমিতিৰ সভাপতি গীতিকা দাস ভূঞাই। বিষ্ণু ৰাভাৰ প্ৰতিকৃতিত মাল্যাৰ্পণ কৰে শ্ৰীশ্ৰী গোবিন্দ মিশ্ৰ সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বীৰেন্দ্ৰ কুমাৰ শৰ্মাই। জিলা সাহিত্য সভাৰ উপ-সভাপতি সন্তোৰাম কছাৰীয়ে স্মৃতি তৰ্পণ কৰাৰ পিছতে ওদালগুৰি জিলা নিখিল ৰাভা ছাত্ৰ সন্থাৰ সম্পাদক ৰঞ্জিত ৰাভাই ৰাভা সংগীত প্ৰতিযোগিতা আৰু কলাইগাঁও মহাবিদ্যালয়ৰ প্ৰবক্তা গোবিন্দ ডেকাই নৃত্য প্ৰতিযোগিতা উদ্বোধন কৰে।

# গীতাদেৱী হাঙ্গাৰীয়া স্মৃতি শংকৰদেৱ শিশু বিদ্যা নিকেতনত উলহ-মালহেৰে আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদ্‌যাপন

**অসম বাৰ্তা, ৰহা, ২১ জুন ঃ** নগাঁও জিলাৰ ৰহা চাপৰমুখ ৰ এখন লেখতলবলগীয়া নিকেতন হ'ল গীতাদেৱী হাঙ্গাৰীয়া স্মৃতি শংকৰদেৱ শিশু বিদ্যা নিকেতন চাপৰমুখ। সমগ্ৰ বিশ্বৰ লগতে আজি ৰহা চাপৰমুখত অৱস্থিত গীতাদেৱী হাঙ্গাৰীয়া স্মৃতি শংকৰদেৱ শিশু বিদ্যা নিকেতনত উলহ-মালহেৰে উদযাপন কৰা হয় ১২ সংখ্যক আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস। এই বৰ্ষৰ মূল বাৰ্তা "সুস্থ বাৰ্ধক্যৰ বাবে যোগাসন" (Yoga for Healthy Aging)-ক সৰোগত কৰি আজি যোগ দিৱসৰ মূল কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। নিকেতনৰ আচাৰ্য বিশ্বজ্যোতি দাসে আঁত ধৰা অনুষ্ঠান ত প্ৰথমে শিক্ষক লগতে যুৱ সাংবাদিক নৱজ্যোতি ভূঞাই বন্তি প্ৰজ্বলন কৰা পাছত ৰহাৰ দক্ষতাপূৰ্ণ যোগ প্ৰশিক্ষক সঞ্জয় কুমাৰ কাকতী, নিকেতনৰ প্ৰধান আচাৰ্য নৱজ্যোতি তামোলী আৰু প্ৰাক্তন ছাত্ৰী কৃষ্টি ৰক্ষিত আদৰণী জনোৱা পিছত সঞ্জয় কুমাৰ কাকতীয়ে যোগৰ ওপৰত ছাত্ৰ-ছাত্ৰী সকলৰ এক সুৱীয়া বক্তব্য আগবঢ়াইনানা প্ৰকাৰৰ যোগৰ অভ্যাস প্ৰাণায়ম ধ্যান আদি কৰাই ছাত্ৰ-ছাত্ৰী সকলক নিতৌ যোগ কৰিবলৈ বুজনি প্ৰদান কৰা লগতে সকলোকে বিভিন্ন আসন আৰু প্ৰাণায়ামৰ কৌশল প্ৰদৰ্শন কৰোৱাৰ লগতে ইয়াৰ শুদ্ধ চৰ্চাৰ নিয়মসমূহ শিকাই দিয়ে। ইয়াৰ জৰিয়তে কেনেকৈ বাৰ্ধক্যজনিত বিভিন্ন শাৰীৰিক আৰু মানসিক সমস্যা দূৰ কৰিব পাৰি আৰু এটা সুস্থ, সৰল তথা দীৰ্ঘ জীৱন লাভ কৰিব পাৰি, সেই সন্দৰ্ভত এক অত্যন্ত গুৰুত্বপূৰ্ণ ব্যাখ্যা আগবঢ়ায়। এই অনুষ্ঠানত নিকেতনৰ যোগ প্ৰমুখ লক্ষ্মীনন্দন বৰুৱা লগতে সকলো আচাৰ্য আচাৰ্যা উপস্থিত থাকি প্ৰায় ১৫০ গৰাকী ছাত্ৰছাত্ৰী সহ একেলগে সকলোৱে এইঅনুষ্ঠান অংশ লয়। নিকেতনৰ এই মহান অনুষ্ঠানে ৰহা চাপৰমুখ অঞ্চলটোতে এক ধনাত্মক আৰু স্বাস্থ্য সচেতন পৰিৱেশৰ সৃষ্টি কৰা পৰিলক্ষিত হৈছে।

# তিনিচুকীয়াৰ বিষ্ণু জ্যোতি সাংস্কৃতিক সমাজৰ উদ্যোগত বিষ্ণুপ্ৰসাদ ৰাভাৰ ৫৮ সংখ্যক মৃত্যু দিৱস উদ্‌যাপন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২১ জুন ঃ** তিনিচুকীয়াৰ বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰ সোণালী জয়ন্তী বৰ্ষৰ অন্যতম নিৰ্ধাৰিত কাৰ্যসূচী বিষ্ণুপ্ৰসাদ ৰাভাৰ ৫৮ সংখ্যক মৃত্যু দিৱসৰ সপ্তাহ জোৰা কাৰ্যসূচী শনিবাৰে বিশেষ কাৰ্যসূচীৰে অন্ত পৰে। ৰাভা দিৱস উপলক্ষে শনিবাৰে পুৱা সমাজৰ পতাকা উত্তোলন কৰে ড° জ্যোতিপ্ৰসাদ চলিহাই আৰু উদ্‌যাপন সমিতিৰ উপসভাপতি উদ্ধৱ শৰ্মা, খগেশ্বৰ টায়ে, ধনদেৱ মহন্ত, প্ৰণতি দেৱী শৰ্মা, দুন্দুভি প্ৰসাদ ভট্টাচাৰ্যই অনুষ্ঠানৰ চৌহদত স্থাপিত ক্ৰমে বিষ্ণু প্ৰসাদ ৰাভা, জ্যোতি প্ৰসাদ আগৰৱালা, ড° ভূপেন হাজৰিকাৰ আৱক্ষ প্ৰতিমূৰ্তি আৰু জুবিন গাৰ্গৰ প্ৰতিকৃতিত শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। তাৰ পাছতে দিৱসৰ অন্যতম সহযোগী অনুষ্ঠান চলিহা বৰদলৈ নগৰ বাসিন্দা সন্থাৰ উদ্যোগত তিনিচুকীয়াৰ পাঁচ আলিত অৱস্থিত সৈনিক শিল্পীজনাৰ পূৰ্ণাংগ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি নিবেদন কৰা হয়। উক্ত উদ্যানৰ মুকলি মঞ্চত বাসিন্দা সন্থা, বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজ আৰু 'সপ্ৰেম'কে ধৰি বিভিন্ন অনুষ্ঠানৰ সদস্যসকলৰ উপস্থিতিত কিছু সাংস্কৃতিক কাৰ্যসূচীও অনুষ্ঠিত হয়। পাছবেলা বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰ সভাকক্ষত উক্ত সমাজৰ উদ্যোগত চলিহা-বৰদলৈ নগৰ বাসিন্দা সন্থা আৰু অসম সাহিত্য সভাৰ তিনিচুকীয়া শাখাৰ সহযোগত অনুষ্ঠিত মুকলি সভাত প্ৰতিকৃতিত পুষ্পাঞ্জলি কৰাৰ পাছত অনুষ্ঠানৰ সমবেত সংগীত পৰিৱেশন কৰা হয়। অনুষ্ঠানৰ আয়োজক তথা বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰ সোণালী জয়ন্তী উদযাপন সমিতিৰ সম্পাদক পূৰ্ণ কাকতিয়ে অনুষ্ঠানৰ আঁত ধৰি দিৱসৰ তাৎপৰ্য দাঙি ধৰে। ড° জ্যোতি প্ৰসাদ চলিহা, খৰ্গেশ্বৰ টায়ে, ধনদেৱ মহন্ত, ড° অপূৰ্ব ভাস্কৰ গগৈ, ডাঃ দীপক বৰুৱা, বৃন্দাবন কলিতা, ড° মামণি ফুকন বৰগোহাঁই, ইন্দ্ৰেশ্বৰ য়েইন, জোনাবৰ গোহাঁই, তৃপ্তি দাস, মৰমী বৰবৰা, ৰূপা কোঁৱৰ চাংমাই, প্ৰণতি দেৱী শৰ্মা, সূৰ্য গগৈ লাহন, মানস প্ৰতীম শৰ্মা, বংকিম গগৈ, মানৱ চেতিয়া, সত্যব্ৰত ভট্টাচাৰ্য, সান্ত্বনা বুঢ়াগোহাঁই হাজৰিকা, ৰুমি গোস্বামী, অনুপ শৰ্মা, আব্দুল চোভান, চাজিদা বেগম, ড° আৰ. বৰকটকী শৰ্মা, দিগন্ত গগৈ, অভিনয় কুমাৰ লাহন, পূৰবী বৰঠাকুৰ, মুখ্যধৰ দাস, আদি বিশিষ্ট ব্যক্তিসকল, বঁটা প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকল আৰু অভিভাৱকসকলৰ উপস্থিতিত গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত, বিশেষ কাৰ্যসূচী হিচাপে অনুষ্ঠিত হয় ড° অপূৰ্ব ভাস্কৰ গগৈৰ ৰচিত এখন চিত্ৰনাট্যৰ আধাৰত পূৰ্ণ কাকতিয়ে ৰূপান্তৰ কৰা এখন সংগীতালেখ্য, স্থানীয় শিল্পী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত। লিপিকা শইকীয়া বৰুৱা আৰু স্যমন্ত বৰাৰ পৰিচালনাত অনুষ্ঠিত উক্ত সংগীতালেখ্যত অংশ গ্ৰহণ কৰা শিল্পীসকল হৈছে, লক্ষ্মীন্দ্ৰ ৰাজখোৱা, পিনাকী বালা মণিষা ভাগৱতী, মৌচুমী ভঁৰালী, শিল্পী ভট্টাচাৰ্য, ইন্দ্ৰাণী বৰপূজাৰী, লোষ্টম বৰপাত্ৰ গোহাঁই, বাস্তৱ কুমাৰ, আৰু হৰ্ষিতা শৰ্মা বাদ্যযন্ত্ৰত মিণ্টু চক্ৰৱৰ্তী, বিজয় ডেকা, চিৰঞ্জীৱ ভৰালী। অনুষ্ঠানত ইতিপূৰ্বে হৈ যোৱা প্ৰতিযোগিতাৰ বঁটাসমূহ বিতৰণ কৰা হয়। মাজত কৃষ্টি সিনহা আৰু প্ৰযুক্তা দেৱীয়ে দুটি নৃত্য পৰিৱেশন কৰে। শেষত সভাপতিৰ মন্তব্য আৰু অসম সংগীত পৰিৱেশনেৰে কাৰ্যসূচীৰ সমাপন হয়।

# কেন্দ্ৰীয় বিষ্ণু ৰাভা দিৱস উপলক্ষে হাউলীত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচী

**অসম বাৰ্তা, কুমুল্লী পৰা, ২১ জুন ঃ** সদৌ বৰপেটা জিলা ছাত্ৰ সন্থা (আছু)ৰ উদ্যোগত আৰু হাউলী আঞ্চলিক ছাত্ৰ সন্থা তথা হাউলীবাসী ৰাইজৰ সহযোগত কেন্দ্ৰীয় বিষ্ণু ৰাভা দিৱস দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে হাউলী ৰাস মন্দিৰ প্ৰাংগণত সফলতাৰে অনুষ্ঠিত হয়। ১৯ আৰু ২০ জুনত অনুষ্ঠিত এই কাৰ্যসূচীত সমাজৰ বিভিন্ন শ্ৰেণীৰ লোক, সাহিত্য-সংস্কৃতি অনুৰাগী, শিক্ষাবিদ আৰু ছাত্ৰ-যুৱসকলৰ উৎসাহজনক অংশগ্ৰহণে অনুষ্ঠানক এক বিশেষ মৰ্যাদা প্ৰদান কৰে। অসমীয়া জাতীয় জীৱনৰ অন্যতম মহান শিল্পী, সাহিত্যিক, সংগীতজ্ঞ, নাট্যকাৰ, চিত্ৰশিল্পী আৰু বিপ্লৱী চিন্তাবিদ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ আদৰ্শ, কৰ্ম আৰু অৱদানক স্মৰণ কৰি আয়োজন কৰা এই দিৱসত বিভিন্ন সাংস্কৃতিক আৰু বৌদ্ধিক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। অনুষ্ঠানৰ জৰিয়তে নতুন প্ৰজন্মৰ মাজত ৰাভাৰ মানৱতাবাদী চিন্তা, সাংস্কৃতিক চেতনা আৰু জাতীয় আদৰ্শৰ বাণী প্ৰচাৰ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। ২০ জুনত দিনৰ ১ বজাত আছুৰ সভাপতি উৎপল শৰ্মাৰ পৌৰোহিত্যত অনুষ্ঠিত মুকলি সভাই অনুষ্ঠানৰ মূল আকৰ্ষণ হিচাপে পৰিগণিত হয়। উক্ত সভাত বজালীস্থিত ভট্টদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ধনপতি ডেকাই মুখ্য অতিথি হিচাপে উপস্থিত থাকি কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ বহুমুখী প্ৰতিভা, সমাজ পৰিৱৰ্তনৰ চিন্তা আৰু জাতীয় জীৱনত তেওঁৰ অনবদ্য অৱদানৰ ওপৰত আলোকপাত কৰে। বক্তাসকলে উল্লেখ কৰে যে বিষ্ণু ৰাভা কেৱল এজন শিল্পী বা সাহিত্যিক নাছিল; তেওঁ আছিল অসমীয়া জাতিৰ সাংস্কৃতিক পুনৰ্জাগৰণৰ এক শক্তিশালী প্ৰতীক। তেওঁৰ সৃষ্টিশীল কৰ্ম, সমাজমুখী দৃষ্টিভংগী আৰু সাম্যবাদী চিন্তাধাৰাই আজিও সমাজক পথপ্ৰদৰ্শন কৰি আহিছে। বিশেষকৈ যুৱ প্ৰজন্মই কলাগুৰুৰ জীৱনাদৰ্শৰ পৰা শিক্ষা গ্ৰহণ কৰি সমাজ আৰু জাতিৰ কল্যাণৰ বাবে আত্মনিয়োগ কৰাৰ আহ্বান জনোৱা হয়। সামগ্ৰিকভাৱে, কেন্দ্ৰীয় বিষ্ণু ৰাভা দিৱসৰ এই আয়োজনৰ জৰিয়তে কলাগুৰুৰ স্মৃতিৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰাৰ লগতে অসমীয়া জাতীয় চেতনা, সাহিত্য-সংস্কৃতি আৰু সামাজিক দায়বদ্ধতাৰ মূল্যবোধক অধিক শক্তিশালী কৰাৰ প্ৰয়াস চলোৱা হয়।

# সমগ্ৰ মাজুলীতে পুৱা ৫ বজাৰ পৰা উলহ মালহেৰে আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন

## জিলা প্ৰশাসনৰ লগত অভূতপূৰ্ব সহযোগিতা

**অসম বাৰ্তা, মাজুলী, ২১ জুন ঃ** আন্তঃৰাষ্ট্ৰীয় যোগ দিবস উপলক্ষে আজি পুৱা ৫ বজাৰ পৰা মাজুলীত এক উলহ-মালহ পৰিৱেশ। মাজুলী জিলা প্ৰশাসনৰ উদ্যোগত আয়ুক্ত কাৰ্যালয়ৰ চৌহদত কেন্দ্ৰীয়ভাৱে দিৱসটি উদ্‌যাপন কৰাৰ উপৰিও প্ৰতিখন শিক্ষানুষ্ঠান, আত্ম-সহায়ক গোট, স্বেচ্ছাসেৱী সংগঠন আৰু সংবাদ মাধ্যমত সদস্য সকলেও অংশগ্ৰহণ কৰে। অনুষ্ঠানত মাজুলী সমষ্টিৰ বিধায়ক তথা বিজেপি নেতা, কৰ্মী আৰু পতঞ্জলি যোগ সমিতিৰ সদস্য সকলে অভূতপূৰ্ব সহযোগিতা আগবঢ়ায়। স্বাস্থ্য সম্পৰ্কীয় সজাগতা বৃদ্ধি হৈছে মাজুলীৰ জনসাধাৰণৰ মাজত। বিভিন্ন কাৰ্যসূচীৰ উপৰিও অনুষ্ঠানৰ বহু কেইজন বিশিষ্ট ব্যক্তিক সম্বৰ্ধনাও জনোৱা হয়। মাজুলীৰ অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান পূব মাজুলী মহাবিদ্যালয়ত আজি গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত ১২ সংখ্যক আন্তৰ্জাতিক যোগ দিৱস উদযাপন কৰা হয়। মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি (NSS) গোট আৰু অভ্যন্তৰীণ মান নিৰূপণ কোষ (IQAC)-ৰ যৌথ উদ্যোগত মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত পুৱা ৮:৩০ বজাৰ পৰা ১১ বজালৈ এই কাৰ্যসূচী ৰূপায়িত হয়। শৰীৰ, মন আৰু আত্মাৰ সামগ্ৰিক বিকাশৰ বাবে যোগৰ গুৰুত্বক প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্যে আয়োজিত এই কাৰ্যসূচীত মহাবিদ্যালয় পৰিয়ালৰ এক অভূতপূৰ্ব উৎসাহ-উদ্দীপনা দেখিবলৈ পোৱা যায়। আজিৰ এই বিশেষ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ তথা বিশিষ্ট সমাজকৰ্মী দীপক বৰা আৰু আমন্ত্ৰিত যোগ গুৰুসকলৰ যুটীয়াভাৱে বন্তি প্ৰজ্বলনেৰে। ইয়াৰ পিছতেই আদৰণি ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ IQAC-ৰ সমন্বয়ক অনুপ কুমাৰ বৰাই। তেওঁ ভাষণত যোগক দৈনন্দিন জীৱনশৈলীৰ এক অপৰিহাৰ্য অংগ কৰি তুলিবলৈ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়। অনুষ্ঠানত উদ্বোধনী বক্তব্য ৰাখি অধ্যক্ষই আন্তৰ্জাতিক যোগ দিৱসৰ গোলকীয় তাৎপৰ্য আৰু মানৱ সমাজত ইয়াৰ ইতিবাচক প্ৰভাৱৰ ওপৰত আলোকপাত কৰে। আজিৰ এই যোগ দিৱসৰ আটাইতকৈ গৌৰৱময় আৰু আকৰ্ষণীয় দিশটো আছিল যে ইয়াত যোগ প্ৰশিক্ষক বা যোগ গুৰু হিচাপে উপস্থিত আছিল মহাবিদ্যালয়ৰে দুই কৃতী প্ৰাক্তন ছাত্ৰ-ছাত্ৰী ক্ৰমে বিজিত বৰা আৰু উপাসনা বৰা। বৰ্তমান যোগ বিশেষজ্ঞ হিচাপে প্ৰতিষ্ঠিত এই দুই প্ৰাক্তন শিক্ষাৰ্থীৰ নিখুঁত নিৰ্দেশনাত উপস্থিত সকলোৱে বিভিন্ন আসন আৰু প্ৰাণায়ামৰ সজীৱ অভ্যাস কৰে। বিশেষকৈ দ্বিতীয় ষাণ্মাসিকৰ শিক্ষাৰ্থীসকলৰ বাবে এই সত্ৰখন অত্যন্ত ফলপ্ৰসূ বিবেচিত হয়, য'ত তেওঁলোকৰ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত 'সূৰ্য নমস্কাৰ' আৰু 'প্ৰাণায়াম'ৰ ভংগিমাসমূহৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা হয়। শিক্ষক সমাজৰ হৈ অনুষ্ঠানত মূল্যৱান আৰু প্ৰেৰণাদায়ক বক্তব্য আগবঢ়াই সহকাৰী অধ্যাপক ক্ৰমে প্ৰবীণ কুমাৰ শইকীয়া, অমূল্য কুমাৰ ভূঞা আৰু অমৰজ্যোতি গায়নে। তেওঁলোকে ছাত্ৰ সমাজক মানসিক একাগ্ৰতা আৰু স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰত যোগে কেনে ভূমিকা ল'ব পাৰে, সেই সন্দৰ্ভত বহলাই ব্যাখ্যা কৰে। আজিৰ এই সামূহিক যোগাভ্যাস কাৰ্যসূচীত মুঠ ৩০০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ লগতে মহাবিদ্যালয়ৰ কৰ্মচাৰী ক্ৰমে কৃষ্ণৰাম বৰুৱা, অজিত বৰা আৰু শিক্ষক সকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি এক অনুশাসিত আৰু পবিত্ৰ পৰিৱেশৰ সৃষ্টি কৰে। সমগ্ৰ অনুষ্ঠানটো আঁত ধৰি পৰিচালনা কৰে এন এছ এছ (NSS) কাৰ্যক্ৰম বিষয়া উত্তম শইকীয়াই। কাৰ্যসূচীৰ শেষত ছাত্ৰ বাপুকন দাসে মহাবিদ্যালয় পৰিয়াল, আমন্ত্ৰিত অতিথি আৰু সংবাদ মাধ্যমৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰি শলাগৰ শৰাই আগবঢ়ায়। দিনৰ ১১ বজাত এক যোগাত্মক আৰু সজাগতামূলক বাৰ্তাৰে এই কাৰ্যসূচীৰ সফল সামৰণি পৰে।

# মঙলদৈত দ্বাদশ সংখ্যক আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদ্‌যাপন

## শৰীৰ নিৰোগী হৈ থাকিলে মন ভালে থাকে আৰু তেতিয়া ভাল চিন্তা কৰিব পাৰি ঃ মন্ত্ৰী নীলিমা দেৱী

**অসম বাৰ্তা, দেওমৰনৈ, ২১ জুন ঃ** সমগ্ৰ বিশ্বৰ লগতে আজি দৰং জিলাতো দ্বাদশ সংখ্যক আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস যথাযোগ্য মৰ্যাদা আৰু উৎসাহ-উদ্দীপনাৰে উদযাপন কৰা হয়। "Yoga for Healthy Ageing" অৰ্থাৎ "সুস্থ বাৰ্ধক্যৰ বাবে যোগ" শীৰ্ষক এইবাৰৰ মূল বিষয়বস্তুক সাৰোগত কৰি দৰং জিলা প্ৰশাসন, ৰাষ্ট্ৰীয় আয়ুষ অভিযান, জিলা স্বাস্থ্য সমাজ আৰু দৰং জিলা আয়ুস বিভাগৰ উদ্যোগত মঙলদৈস্থিত সৈনিক ভৱনত পুৱা ৬.০০ বজাৰ পৰা বিভিন্ন কাৰ্যসূচীৰে দিৱসটি পালন কৰা হয়। এই যোগ দিৱস উদ্‌যাপন অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম চৰকাৰৰ পশুপালন আৰু মীনপালন বিভাগৰ নৱনিযুক্ত কেবিনেট মন্ত্ৰী নীলিমা দেৱী। তেখেতে বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰি নিজৰ ভাষণত যোগৰ বহুমুখী উপকাৰিতাৰ বিষয়ে আলোকপাত কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে যোগ হৈছে সুস্থ জীৱনধাৰাৰ এক শক্তিশালী মাধ্যম, যাৰ কোনো অপকাৰিতা নাই। শৰীৰ ভালে থাকিলে মন ভালে থাকে আৰু তেতিয়াহে ভাল চিন্তা কৰিব পাৰি বুলি তেখেতে মন্তব্য কৰে। সেয়েহে সকলোকে নিয়মীয়াকৈ যোগাভ্যাস কৰি শাৰীৰিক, মানসিক আৰু আধ্যাত্মিকভাৱে সুস্থ জীৱন যাপনৰ আহ্বান জনায়। তেখেতে যোগক বিশ্ব দৰবাৰত এক সুকীয়া স্থানেৰে প্ৰতিষ্ঠা কৰাৰ বাবে ভাৰতৰ মাননিয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ আন্তৰিক শলাগ লয়। আজিৰ অনুষ্ঠানত পশ্চিম মঙলদৈ যোগ শিক্ষা কেন্দ্ৰৰ যোগ চিকিৎসক তথা প্ৰশিক্ষক হিমালয় শৰ্মাই যোগৰ প্ৰয়োজনীয়তা, স্বাস্থ্য সুৰক্ষাত ইয়াৰ ভূমিকা আৰু এইবাৰৰ মূল বিষয়বস্তু "সুস্থ বাৰ্ধক্যৰ বাবে যোগ"ৰ তাৎপৰ্য সম্পৰ্কে বক্তব্য আগবঢ়ায়। তেখেতে উল্লেখ কৰে যে নিয়মীয়া যোগাভ্যাসে সুস্থ, সক্ৰিয় আৰু গুণগত জীৱনধাৰা গঢ়ি তোলাত বিশেষভাৱে সহায় কৰে। পৰৱৰ্তী পৰ্যায়ত যোগ প্ৰশিক্ষক শ্ৰী জয়ন্ত ডেকাৰ পৰিচালনাত উপস্থিত সকলোৱে অংশগ্ৰহণেৰে সমূহীয়া যোগাভ্যাস অনুষ্ঠিত হয়। দৰং জিলা আয়ুস বিষয়া ডাঃ তৰুণ চন্দ্ৰ ডেকাৰ তত্ত্বাৱধানত সুশৃংখলভাৱে অনুষ্ঠিত হোৱা আজিৰ এই যোগ দিৱস উদযাপন অনুষ্ঠানত দৰং জিলা পৰিষদৰ সভানেত্ৰী শেৱালি কলিতা গোস্বামী আৰু মুখ্য কাৰ্য্যবাহী বিষয়া শ্ৰীমতী কৰৱী কৰণ শইকীয়া, জিলা উন্নয়ন আয়ুক্ত দেৱজিৎ বৰুৱা, অতিৰিক্ত জিলা আয়ুক্ত অনুৰাগ ফুকন, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ দিল্লীৰাম অধিকাৰী, জিলা তথ্য আৰু জনসংযোগ বিষয়া শ্ৰীমতী চুম্পী চুতীয়া, জিলা ক্ৰীড়া বিষয়া, অন্যান্য বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰী তথা শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰী আৰু বিভিন্ন ক্ষেত্ৰৰ বহু সংখ্যক লোক উপস্থিত থাকে। উল্লেখ্য যে আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপনৰ অংশ হিচাপে যোৱা ২০ জুনত জিলাখনত ১০ বছৰৰ তলত, ১০-১৮ বছৰ, ১৮-৩৫ বছৰ আৰু ৩৫ বছৰৰ ঊৰ্ধ্ব— এই চাৰিটা বয়সভিত্তিক শ্ৰেণীত জিলা পৰ্যায়ৰ যোগ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। প্ৰতিটো শ্ৰেণীৰ পৰা তিনিজনকৈ মুঠ বাৰজন প্ৰতিযোগীক নিৰ্বাচিত কৰা হয়। আজি অনুষ্ঠিত মূল অনুষ্ঠানত বিজয়ী প্ৰতিযোগী সকলক প্ৰমাণপত্ৰ আৰু ট্ৰফী প্ৰদান কৰি সম্বৰ্ধনা জনোৱা হয়।

# বৃহত্তৰ তিনিচুকীয়া সাংবাদিক সন্থাৰ অধিৱেশন সম্পন্ন

## সাংবাদিক ললিত গগৈ, বিপুল কলিতাক বেংমৰা সাংবাদিকতা বঁটা প্ৰদান




**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২১ জুন ঃ** বৃহত্তৰ তিনিচুকীয়া সাংবাদিক সন্থাৰ প্ৰথম দ্বি-বাৰ্ষিক অধিৱেশনখন শনিবাৰে তিনিচুকীয়াৰ বংগীয় দুৰ্গাবাড়ী প্ৰেক্ষাগৃহত এদিনীয় কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলন, স্মৃতি তৰ্পণ আৰু শ্ৰদ্ধাঞ্জলি-অনুষ্ঠানৰ পাছতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত হয় চিত্ৰাংকন আৰু জুবিন গাৰ্গৰ গীতৰ আধাৰত আধুনিক নৃত্য প্ৰতিযোগিতা। বিয়লি সন্থাৰ সভাপতি জিতুল দত্তৰ পৌৰোহিত্যত অনুষ্ঠিত বিষয় বাছনি সভাত প্ৰশান্ত খাটোৱালক সভাপতি আৰু জয়ন্ত মৰাণক সম্পাদক হিচাপে লৈ বৃহত্তৰ তিনিচুকীয়া সাংবাদিক সন্থাৰ এখন নতুন কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়। ইয়াৰ পাছতে বৃহত্তৰ তিনিচুকীয়া সাংবাদিক সন্থাৰ সভাপতি জিতুল দত্তৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি আৰু বঁটা বিতৰণী সভাখনি উদ্বোধন কৰে জ্যেষ্ঠ সাংবাদিক অভিজিৎ খাটনিয়াৰে। উদ্বোধনী ভাষণত খাটনিয়াৰে বৰ্তমান সময়ত সাংবাদিকসকলে সন্মুখীন হোৱা বিভিন্ন সমস্যা, বঞ্চনা, আদিৰ কথা উল্লেখ কৰি সেই সমূহৰ সমাধানৰ বাবে সকলো সাংবাদিক সংগঠনকে ঐক্যবদ্ধ হৈ সংগ্ৰাম কৰিবলৈ আহ্বান জনায়। মুকলি সভাৰ উদ্দেশ্য ব্যাখ্যা আগবঢ়ায় সন্থাৰ সম্পাদক প্ৰশান্ত খাটোৱালে। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি তিনিচুকীয়া বিধানসভা সমষ্টিৰ বিধায়ক পুলক গোহাঁই, মাকুম বিধানসভা সমষ্টিৰ বিধায়ক সঞ্জয় কিষান আৰু জ্যেষ্ঠ সাংবাদিক অমূল্য খাটনিয়াৰে বক্তব্য প্ৰদান কৰে। সভাত তিনিচুকীয়া পৌৰসভাৰ সভাপতি পুলক চেতিয়া, মটক স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ সৰোজ গোহাঁই, তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণৰ সভাপতি কাজল গোঁহাই, সদৌ মৰাণ ছাত্ৰ সন্থাৰ সভাপতি পলিন্দ্ৰ বড়া, জাৰ্নেলিষ্ট ইউনিয়ন অব আছামৰ ৰাজ্যিক উপ-সভাপতি তথা জ্যেষ্ঠ সাংবাদিক ৰূপম কাকতি, তিনিচুকীয়া চেম্বাৰ অব্ কৰ্মাচৰ সভাপতি জয়ন্ত বৰুৱা, তিনিচুকীয়া আইন মহাবিদ্যালয়ৰ অধ্যক্ষ সঞ্জয় খৈতানৰ লগতে জিলাখনৰ বহু কেইগৰাকী গণ্যমান্য ব্যক্তিয়ে অংশগ্ৰহণ কৰে। সাংবাদিক শৈলেন গগৈৰ সম্পাদনাত অধিৱেশন উপলক্ষে প্ৰকাশ কৰি উলিওৱা 'অনুসন্ধান' নামৰ স্মৃতিগ্ৰন্থখনি উন্মোচন কৰে তিনিচুকীয়া সমষ্টিৰ বিধায়ক পুলক গোহাঁয়ে। এই মুকলি সভাতে 'অসমীয়া প্ৰতিদিন' কাকতৰ জ্যেষ্ঠ সাংবাদিক ললিত গগৈ আৰু 'এনডি২৪' চেনেলৰ জ্যেষ্ঠ ফটো সাংবাদিক বিপুল কলিতাক বৃহত্তৰ তিনিচুকীয়া সাংবাদিক সন্থাই প্ৰৱৰ্তন কৰা 'বেংমৰা সাংবাদিকতা বঁটা-২০২৬' প্ৰদান কৰা হয়। তদুপৰি, আগবেলা অনুষ্ঠিত হোৱা প্ৰতিযোগিতাসমূহৰ বিজয়ীসকলক পুৰস্কাৰ প্ৰদান কৰা হয়। নিশালৈ আমন্ত্ৰিত শিল্পীৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হয়।

# জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ত দহ দিনীয়া তিনিটা গ্ৰীষ্মকালীন কৰ্মশালা সম্পন্ন

## ডেৰ শতাধিক প্ৰশিক্ষাৰ্থীৰ কৰ্মশালাত অংশগ্ৰহণ

**অসম বাৰ্তা, জাঁজী, ২১ জুন ঃ** শিৱসাগৰ জিলাৰ আগশাৰীৰ শিক্ষানুষ্ঠান জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ত ১০ জুনৰ পৰা ২০ জুন, ২০২৬ তাৰিখলৈ দহদিনীয়া তিনিটা গ্ৰীষ্মকালীন কৰ্মশালা সফলতাৰে সম্পন্ন হয়। সেই অনুসৰি মহাবিদ্যালয়ৰ শংকৰদেৱ অধ্যয়ন কেন্দ্ৰৰ উদ্যোগত আৰু সাংস্কৃতিক ক্লাৱৰ সহযোগত 'নাট আৰু আবৃত্তি কৰ্মশালা', ক্ৰীড়া ক্লাৱ আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ উদ্যোগত 'আত্মসুৰক্ষা আৰু যোগ চৰ্চা কৰ্মশালা' আৰু আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ কেৰিয়াৰ পৰামৰ্শ কোষৰ উদ্যোগত ৪৯ আচাম নেভেল ইউনিট আৰু ১১আচাম বেটেলিয়ান, এন চি চিৰ সহযোগত 'প্ৰতিৰক্ষা, অসম আৰক্ষী, পেৰা মিলিটেৰি আদি পৰীক্ষাৰ প্ৰস্তুতি তথা প্ৰশিক্ষণ কৰ্মশালা' অনুষ্ঠিত হয়। ১০জুন তাৰিখে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মানজিৎ গগৈৰ সভাপতিত্বত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত আনুষ্ঠানিক ভাৱে তিনিটা কৰ্মশালা উদ্বোধন কৰে মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা বৰ্তমানৰ পৰিচালনা সমিতিৰ সভাপতি ড° অনিল কুমাৰ গগৈয়ে। আনহাতে 'নাট আৰু আবৃত্তি কৰ্মশালা'ত প্ৰশিক্ষক তথা সমল ব্যক্তিৰূপে বিশিষ্ট নাট পৰিচালক, নাট্যকাৰ তথা অভিনেতা, অসম নাট্য সন্মিলনৰ সৌমাৰপীঠ মণ্ডলৰ সভাপতি ৰমেন শৰ্মা, নাট আৰু বোলছবি অভিনেতা, নাট্যকাৰ, পৰিচালক অসীমকৃষ্ণ বৰুৱা, বিশিষ্ট আবৃত্তিকাৰ, নাট পৰিচালক প্ৰকাশ বৰপূজাৰী, সংগীত শিল্পী অশোক বৰা, অভিনেতা, নাট্যকাৰ, পৰিচালক তাপস তৰুণ শইকীয়া আৰু অভিনেতা ৰণ্টু ভূঞাই, 'আত্মসুৰক্ষা আৰু যোগ চৰ্চা কৰ্মশালা'ত প্ৰশিক্ষকৰূপে ব্লেক বেল্ট প্ৰাপ্ত, টাইকোৱাণ্ডুৰ আন্তঃৰাষ্ট্ৰীয় ৰেফাৰী মাষ্টাৰ ৰাজু কোঁৱৰ আৰু 'প্ৰতিৰক্ষা, অসম আৰক্ষী, পেৰা মিলিটেৰি আদি পৰীক্ষাৰ প্ৰস্তুতি তথা প্ৰশিক্ষণ কৰ্মশালা'ত প্ৰশিক্ষক তথা সমল ব্যক্তিৰূপে প্ৰাক্তন আৰ্মী এচোছিয়েশ্যন, আমগুৰিৰ সভাপতি প্ৰফুল্ল গগৈ আৰু সম্পাদক জিতেন চন্দ্ৰ গগৈৰ নেতৃত্বত কেইবাগৰাকীও পাৰদৰ্শী ব্যক্তিয়ে অংশগ্ৰহণ কৰে। তিনিওটা কৰ্মশালাৰ সামৰণি উপলক্ষে ২০ জুন তাৰিখে প্ৰশিক্ষাৰ্থী সকলে শিক্ষণীয় বিষয়ৰ প্ৰদৰ্শন কৰে। সেই উপলক্ষে পুৱাৰ ভাগত 'প্ৰতিৰক্ষা, অসম আৰক্ষী, পেৰা মিলিটেৰি আদি পৰীক্ষাৰ প্ৰস্তুতি তথা প্ৰশিক্ষণ কৰ্মশালা'ৰ শিক্ষাৰ্থী সকলে মুকলি মঞ্চত তেওঁলোকৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰে। কৰ্মশালাৰ সামৰণিৰ লগত সংযোজিত কৰি বিষ্ণু ৰাভা দিৱস উপলক্ষে বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে অৱসৰপ্ৰাপ্ত অধ্যাপক জ্যোতিপ্ৰসাদ গগৈয়ে। মহাবিদ্যালয়ৰ সাংস্কৃতিক ক্লাৱৰ শিক্ষক সমন্বয়ক ড° মণ্টু কুমাৰ বড়াই পৰিচালনা কৰা সামৰণী অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মানজিৎ গগৈয়ে আদৰণী ভাষণ প্ৰদান কৰি জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ে বিদ্যায়তনিক নিয়মীয়া কৰ্মসূচীৰ সমান্তৰালকৈ ছাত্ৰ-ছাত্ৰীৰ সৰ্বতোপ্ৰকাৰৰ সুবিধা হোৱাকৈ সহ বিদ্যায়তনিক আৰু প্ৰতিযোগিতামূলক প্ৰতিযোগিতা তথা নিয়োগ নিশ্চিতকৰণৰ দিশত লোৱা এনে পদক্ষেপৰ প্ৰতি সকলোৰে সহযোগিতা বিচাৰে। আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক ড°ৰাজীৱ গগৈৰ তত্ত্বাৱধানত আয়োজন কৰা কৰ্মশালাসমূহৰ উপস্থিত প্ৰশিক্ষক তথা সমল ব্যক্তিসকলকো অনুষ্ঠানত সম্বৰ্ধনা জনোৱা হয়। শিক্ষাৰ্থীসকলৰ ফালৰ পৰা পূজা কলিতা, জাহ্নৱী সোণাৰী আৰু উজ্জ্বল ফুকনে অনুভৱ প্ৰকাশ কৰা অনুষ্ঠানত অৱসৰপ্ৰাপ্ত শিক্ষক হিমাদ্ৰীজ্যোতি দত্তই শুভেচ্ছামূলক একাষাৰ আগবঢ়ায় আৰু ঋষিৰাজ বৰুৱাই এটি বিষ্ণুপ্ৰসাদ ৰাভাৰ গীত, বাৰ্বী বৰাই কবিতা আবৃত্তি আৰু সৃষ্ট্ৰীনা নেওগ আৰু কংকণা কোঁৱৰে সৃষ্টিশীল নৃত্য পৰিৱেশন কৰে। আত্মসুৰক্ষা আৰু যোগ কৰ্মশালাৰ প্ৰশিক্ষাৰ্থী সকলে মঞ্চত দুটি অনুষ্ঠানৰ যোগেদি শিক্ষণীয় বিষয়ৰ উপস্থাপন কৰে। সামৰণি অনুষ্ঠানতে নাট আৰু আবৃত্তিৰ প্ৰশিক্ষাৰ্থী সকলে তাপস তৰুণ শইকীয়াৰ পৰিচালনাত নন্দ দুলাল নাটৰ 'কংসালয়' আৰু ভিন্নধৰ্মী নাটক 'ভিন্নতাৰ সুৰ' মঞ্চস্থ কৰে। শেষৰ কাৰ্যসূচী হিচাপে নাট্যকাৰ তাপস তৰুণ শইকীয়াৰ ৰচিত 'বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি' আলেখ্য নাট্যকৰ্মী ৰণ্টু ভূঞাৰ পৰিচালনাত মঞ্চস্থ কৰা হয়। নাটকৰ মঞ্চ ব্যৱস্থাপনাত চম্পক জ্যোতি ভূঞাই, সাজসজ্জা তথা ৰূপসজ্জাত সমীৰণ দত্তই, সংগীত ব্যৱস্থাপনাত অৰূপজ্যোতি শইকীয়াই আৰু সংগীতৰ নেপথ্যত ঋষিৰাজ বৰুৱা, প্ৰিয়াংশু বৰা আৰু প্ৰজ্বলিতা নাথে অংশগ্ৰহণ কৰে। মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা ড° ননী ৰাজখোৱা, ড° বসন্ত সন্দিকৈ, উপেন চন্দ্ৰ দাস, ড°ৰাজীৱ গগৈ, ড° সান্ত্বনা দত্ত, ড° মণ্টু কুমাৰ বড়া, ড° মৃদুস্মিতা দেৱী, ৰবিশংকৰ গগৈ, মৃণাল বৰুৱা, ৰাতুল বৰা আৰু জ্যোতিষ্মান লাহনৰ তত্ত্বাৱধানত অনুষ্ঠিত কৰ্মশালাৰ 'নাট আৰু আবৃত্তি'ত ৩৬গৰাকী, 'আত্মসুৰক্ষা আৰু যোগ চৰ্চা'ত ৪০ গৰাকী আৰু 'প্ৰতিৰক্ষা, অসম আৰক্ষী, পেৰা মিলিটেৰি আদি পৰীক্ষাৰ প্ৰস্তুতি তথা প্ৰশিক্ষণ'ত ৯৩ গৰাকীয়ে প্ৰশিক্ষণ সম্পূৰ্ণ কৰে। সামৰণী অনুষ্ঠানত মহাবিদ্যালয়ৰ স্থানীয় শুভাকাংক্ষী, অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰীৰ সহযোগিতা আৰু উপস্থিতিৰ বাবে অধ্যক্ষ ড° মানজিৎ গগৈয়ে ধন্যবাদ জ্ঞাপন কৰে।

# গেলেকী স্বৰ্ণ শাখা সাহিত্য সভাৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, চেলেংহাট, ২১ জুন ঃ** সমগ্ৰ ৰাজ্যৰ লগতে ২০ জুনত শিৱসাগৰ জিলাৰ "গেলেকী স্বৰ্ণ শাখা সাহিত্য সভা"ৰ উদ্যোগত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দিৱস উদ্‌যাপন কৰে। গেলেকীৰ "বদ্ৰীদাস মুদি প্ৰাথমিক বিদ্যালয়"ৰ প্ৰাঙ্গনত দিনযোৱা কাৰ্যসূচীৰে অনুষ্ঠিত কৰা উক্ত অনুষ্ঠানটোৰ আঁত ধৰে গেলেকী স্বৰ্ণ শাখা সাহিত্য সভাৰ সম্পাদক নীলিমা গগৈয়ে। অনুষ্ঠানটোত পুৱা গেলেকী স্বৰ্ণ শাখা সাহিত্য সভাৰ সভাপতি ৰবীন বৰঠাকুৰে পতাকা উত্তোলন কৰা পাছতেই চিন্তাজ্যোতি উপ-সমিতিৰ উপ-সভাপতি হেমন্ত ৰাজখুৱাই স্মৃতি তৰ্পন আৰু কৃতী শিক্ষক আব্দুল হেলিমে গছপুলি ৰোপণ কৰে। ইয়াৰ পিছতেই মুকলি সভা অনুষ্ঠিত কৰা হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে গেলেকী স্বৰ্ণ শাখাৰ সম্পাদক নীলিমা গগৈয়ে। অনুষ্ঠানটিত বিশিষ্ট অতিথি হিচাপে উপস্থিত আছিল শিৱসাগৰ জিলাৰ উপসভাপতি ড° জীৱন কলিতা, শিৱসাগৰ জিলাৰ সাহিত্য সভাৰ সম্পাদক মনোজ গগৈ, কৃতী শিক্ষক বীৰেণ শইকীয়া, গেলেকী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ৰেণু হাতীমূৰীয়া, গেলেকী আদৰ্শ বিদ্যাপীঠৰ অধ্যক্ষা কুন্তী ৰাণী বড়া, আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ চম্পা বৰুৱা, কৃতি শিক্ষক জ্যোতি ফুকন, প্ৰধান শিক্ষয়ত্ৰী বন্দনা বৰুৱা, বিশিষ্ট শিল্পী প্ৰমোদ মনোৰঞ্জন, বিশিষ্ট সমাজ কৰ্মী হেমন্ত গগৈ, শান্তি চুতীয়াকে আদি কৰি বহু কেইজন বৰেণ্য ব্যক্তি। দিনটোত ছাত্ৰ-ছাত্ৰী সকলৰ চিত্ৰাংকন প্ৰতিযোগিতা সম্পন্ন হোৱাৰ লগতে বিষ্ণুপ্ৰসাদ ৰাভা দেৱৰ বিভিন্ন গীত আৰু কবিতা আবৃত্তিৰ অনুষ্ঠান অনুষ্ঠিত হয়। আনহাতে, অনুষ্ঠানটোত ভিন্ন কাৰ্যসূচীৰ সমান্তৰালভাৱে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দিৱসৰ লগত সংগতি ৰাখি গেলেকী অঞ্চলৰ এগৰাকী বিশিষ্ট শিল্পী ঘনকান্ত চেতিয়া আৰু অঞ্চলটোৰ পৰা ২০২৬ বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত সুখ্যতিৰে উত্তীৰ্ণ হোৱা অনুৰাগ চেতিয়া (বিজ্ঞান শাখা) সম্প্ৰীতি গগৈ(কলা শাখা) আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যতিৰে উত্তীৰ্ণ প্ৰয়াসী দুৱৰাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানটোত জিলা সমিতিৰ কেইবাগৰাকী বিষয়ববীয়াৰ লগতে অঞ্চলটোৰ প্ৰায় শতাধিক লোক উপস্থিত থাকে।



# মাকুম নৱযুগ আঞ্চলিক সমিতিৰ উদ্যোগত ৰাভা দিৱস

**অসম বাৰ্তা, মাকুম, ২১ জুন ঃ** ২০১৯ চনতে গঠন হোৱা মাকুম নৱযুগ আঞ্চলিক সমিতিখনে বৃহত্তৰ মাকুম অঞ্চলটোৰ উন্নতিৰ লগতে শৈক্ষিক, সামাজিক, ক্ৰীড়া আদিৰ ক্ষেত্ৰত কাম কৰি আহিছে। যেনে নিচা জাতীয় দ্ৰব্যৰ বিৰুদ্ধে সজাগতা সভা অনুষ্ঠিত কৰা, পিছ পৰা অঞ্চল সমূহৰ ল'ৰা-ছোৱালী সকলক শিক্ষাৰ প্ৰতি আগ্ৰহ কৰিবলৈ বিভিন্ন ধৰণৰ সভা অনুষ্ঠিত কৰা, চাহ বাগিচাৰ অঞ্চল সমূহত সজাগতামূলক সভাৰ লগতে উঠি অহা নৱপ্ৰজন্মৰ মাজত ফুটবল, কাবাডি আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰি শাৰীৰিক আৰু মানসিক ভাৱে সবল কৰা। এনেধৰণৰ বিভিন্ন অনুষ্ঠান অনুষ্ঠিত কৰি বৃহত্তৰ মাকুম অঞ্চলৰ ৰাইজক সু-বাৰ্তা দি আহিছে। ঠিক তেনেদৰে এই সামাজিক দায়বদ্ধতা অক্ষুণ্ণ ৰাখি প্ৰতি বছৰৰ দৰে ২০২৬ বৰ্ষৰ আজিৰ দিনটোতে সমগ্ৰ ৰাজ্যৰ লগতে মাকুম নৱযুগ আঞ্চলিক সমিতিৰ উদ্যোগত মাকুম লাংকাঁচি চাহ বাগিচা প্ৰাথমিক বিদ্যালয়ত পালন কৰা হ'ল ৰাভা দিৱস। কাৰ্য্যসূচী অনুসৰি পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণ কৰে। মাকুম নৱযুগ আঞ্চলিক সমিতিৰ সভাপতি ৰাতুল ডেকা আৰু সম্পাদক অনিল মাঝিয়ে, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্জ্বলন আৰু মাল্যৰ্পণ কৰে লাংকাঁচি চাহ বাগিচা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অজিত বৰা আৰু মাকুম নৱযুগ আঞ্চলিক সমিতিৰ উপদেষ্টা বাবলু কৰ্মকাৰে। তাৰ পাছতে বিভিন্ন ধৰণৰ প্ৰতিযোগিতা যেনে চিত্ৰাংকণ, জাতীয় সাজ-পাৰ, কবিতা আবৃত্তি, ৰাভা সংগীতৰ নৃত্য প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰি ছাত্ৰ-ছাত্ৰী সকলক খাদ্য সামগ্ৰী বিতৰণ আৰু পুৰস্কাৰ প্ৰদান কৰা হয়। উক্ত দিৱস উদ্‌যাপনত বিদ্যালয় খনৰ কৰ্তৃপক্ষ সকলৰ সহায় সহযোগিতাৰ বাবে সভাপতি ৰাতুল ডেকা আৰু সম্পাদক অনিল মাঝিয়ে সংবাদ মাধ্যমৰ জৰিয়তে সকলোকে ধন্যবাদ জ্ঞাপন কৰে।

# পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়, কাকপথাৰত বিষ্ণুৰাভা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, মাকুম, ২১ জুন ঃ** পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ত শ অসমীয়া বিভাগৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সহযোগত বৰ্ণাঢ্য কাৰ্যসূচীৰে বিষ্ণুৰাভা দিৱস উদযাপন কৰা হয়। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা ড° মনালিছা কছাৰীয়ে আঁত ধৰা অনুষ্ঠানটি ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপিকা জোস্মি গগৈয়ে পৰিৱেশন কৰা এটি ৰাভা সংগীতেৰে আৰম্ভ কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ঠানুৰাম মজিন্দাৰে আদৰণী ভাষণ প্ৰদান কৰি ৰাভাৰ জীৱন আৰু দৰ্শন বিষয়ত আলোকপাত কৰে। শিক্ষকসকলৰ তৰফৰ পৰা মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক বিতুৰাজ গোহাঁয়ে বিষ্ণুপ্ৰসাদ ৰাভাৰ ৰাজনৈতিক মতাদৰ্শ সন্দৰ্ভত বক্তৃতা দাঙি ধৰে। মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা আৰু আভ্যন্তৰীণ নিৰূপন কোষৰ সমন্বয়ক ড° ইলা ডেকায়ে এটি ৰাভা সংগীত পৰিৱেশন কৰি বিষ্ণু প্ৰসাদ ৰাভালৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। বিষ্ণু ৰাভা দিৱস উপলক্ষে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত বিষ্ণুৰাভা বিষয়ক বক্তৃতা প্ৰতিযোগিতা আৰু বিষ্ণুৰাভা সংগীত প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিকৰ দ্বিতীয় বৰ্ষৰ ছাত্ৰ কৌস্তুভ ঘোৰাচোৰা আৰু প্ৰথম বৰ্ষৰ ছাত্ৰী পিকু নেওগক শ্ৰেষ্ঠ প্ৰতিযোগী হিচাপে বিবেচনা কৰা হয়।

# ডুমডুমাত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদ্‌যাপন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২১ জুন ঃ** সমগ্ৰ বিশ্বৰ লগতে আজি ডুমডুমাতো দ্বাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপন কৰা হয়। সুস্থ বাৰ্ধক্যৰ বাবে যোগাসন। এই উপলক্ষে ডুমডুমা সমজিলা প্ৰশাসনৰ উদ্যোগত, ডুমডুমা পৌৰসভা, অখিল ভাৰতীয় মাৰোৱাৰী সন্মিলন, ডুমডুমা শাখা আৰু অখিল ভাৰতীয় মাৰোৱাৰী মহিলা সন্মিলন, ডুমডুমা শাখাৰ সহযোগত ডুমডুমা মাৰোৱাৰী পঞ্চায়তী ভৱনত যোগভ্যাস অনুষ্ঠানৰ আয়োজন কৰা হয়। যোগ প্ৰশিক্ষক চাৱিহা এ.য়েচুমে উপস্থিত সকলোকে যোগাভ্যাস কৰোৱায়। এই অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক ৰূপেশ গোৱালা উপস্থিত থাকি যোগাসনত অংশগ্ৰহণ কৰে। তদুপৰি ডুমডুমা পৌৰসভাৰ পৌৰপতি কান্তা ভট্টাচাৰ্য, ডুমডুমা সমজিলাৰ সহকাৰী আয়ুক্ত সুদীপ গগৈ, ডুমডুমা সমজিলাৰ আৰক্ষী অধীক্ষক দিগন্ত দত্ত, ডুমডুমা সমজিলাৰ অন্তৰ্গত বিভিন্ন বিভাগৰ মুৰব্বী, বিষয়া-কৰ্মচাৰী, অখিল ভাৰতীয় মাৰোৱাৰী সন্মিলন আৰু অখিল ভাৰতীয় মাৰোৱাৰী মহিলা সন্মিলনৰ ডুমডুমা শাখাৰ যোগাসনত অংশগ্ৰহণ কৰে। তদুপৰি ডুমডুমাৰ ছেইণ্ট মেৰীজ উচ্চতৰ মাধ্যমিক বিদ্যালয়তো আজি দ্বাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে বিদ্যালয়খনৰ শিক্ষাৰ্থী, শিক্ষক-শিক্ষয়িত্ৰী, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ কেডেটসকল, স্কাউট আৰু গাইডৰ সদস্যসকলে সমূহীয়া যোগাসনত অংশগ্ৰহণ কৰে। বিদ্যালয়খনৰ শিক্ষয়িত্ৰী সুপ্ৰিয়া খাটনিয়াৰে সকলোকে যোগভ্যাস কৰোৱায়। ইয়াৰ পূৰ্বে বিদ্যালয়খনৰ শিক্ষক অভিজিৎ খাটনিয়াৰে আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰাৰ লগতে যোগাভ্যাসৰ উপকাৰিতাৰ বিষয়ে শিক্ষাৰ্থী সকলক কয়। অনুষ্ঠানত বিদ্যালয়খনৰ উপাধ্যক্ষা চিষ্টাৰ কাইনি কেৰ'লিন, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ চেকেণ্ড অফিচাৰ মেঘালী বৰুৱা, স্কাউট মাষ্টাৰ চানী জোছেফ ধান, শিক্ষক-শিক্ষয়িত্ৰী ক্ৰমে ৰাজেশ সেন, অৰ্নিবান দেব, স্বৰূপ মজুমদাৰ আৰু ইলোৱা দেৱী গগৈয়েও অংশগ্ৰহণ কৰে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▸▸
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন